

# বিশিষ্ট বিজ্ঞানী, অধ্যাপক প্ৰদীপ কুমাৰ ভূঞাৰ সৈতে সাক্ষাৎকাৰ... ...

সফল ব্যক্তিৰ সৈতে কৰা সাক্ষাৎ নতুবা কথা-বাৰ্তাই মানুহৰ জীৱনৰ বহু ইতিবাচক প্ৰভাৱ পেলায়। প্ৰকৃততে, সাক্ষাৎকাৰৰ জৰিয়তে এজন ব্যক্তিৰ সফলতাৰ নেপথ্যত থকা সকলো ত্যাগ-পৰিশ্ৰম তথা সাধনাৰ কথা জানিব পাৰি, জীৱনটোক আগবঢ়াই নিয়াৰ সূত্ৰ পাব পাৰি। ২০১৮-১৯ বৰ্ষৰ কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কানৈয়ান'ৰ সাক্ষাৎকাৰ শিতানৰ বাবে মই দ্বিতীয় গৰাকী সমল ব্যক্তি হিচাপে বাছি লৈছিলো বিজ্ঞান জগতৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ প্ৰাক্তন অধ্যাপক ড° প্ৰদীপ কুমাৰ ভূঞা ছাৰক। এগৰাকী সহজ-সৰল ব্যক্তিত্ব তথা উচ্চ চিন্তাসম্পন্ন, পৰিশ্ৰমী, অধ্যয়নশীল ভূঞা ছাৰৰ সৈতে তেখেতৰ নিজা বাসগৃহতে তেওঁৰ সফল জীৱনৰ আঁৰত থকা বিভিন্ন ঘটনা-পৰিঘটনা, অভিজ্ঞতা, জনা-নজনা কথাৰ লগতে বিজ্ঞান আৰু সমাজ সম্বন্ধীয় বহু কথাই পাতিছিলো। কৰ্মৰ প্ৰতি সদায়েই গুৰুত্ব দিয়া ভূঞা ছাৰে মোৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ অতি সৰলভাৱে স্পষ্টকৈ দিছিল, জীৱনৰ সকলো তিতা -মিঠা অভিজ্ঞতাবোৰ প্ৰকাশ কৰিছিল। তলত আমাৰ মাজত হোৱা অন্তৰংগ আলাপসমূহ প্ৰদান কৰিলোঁ।

১। ছাৰ, প্ৰথমতেই আপোনাৰ জন্ম, পৰিয়াল আৰু বাল্য জীৱনৰ সন্দৰ্ভত কিছুমান কথা জানিব বিচাৰো।

উত্তৰ ঃ মোৰ জন্ম ১৯৫১ চনত অবিভক্ত নগাঁও জিলাৰ (বৰ্তমান মৰিগাঁও) ধৰমতুলত এটা নিম্ন মধ্যবিত্ত যৌথ পৰিয়ালত। মা স্কুলৰ শিক্ষয়িত্ৰী আৰু দেউতা পশুপালন বিভাগৰ কৰ্মচাৰী হোৱাৰ বাবে আৰু কিছু পৰিমাণে খেতিৰ পৰা হোৱা উপাৰ্জনেৰে পৰিয়ালটোৰ জীৱন-যাপন পদ্ধতি সচ্ছলভাৱে আছিল বুলিয়েই ভাবিব পাৰি। গাঁৱৰ পঢ়াশালিত প্ৰাথমিক শিক্ষা আৰু প্ৰায় এক কিল'মিটাৰ দূৰৰ হাইস্কুলৰ স্কুলীয়া শিক্ষা লাভ কৰিছিলোঁ। আমি হাইস্কুলৰ ছাত্ৰ অৱস্থাত ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধৰ সময়ত ঘৰৰ কাষৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ঘাইঘৰ খুটিবিলাকত ক'লা ৰং সানি দিয়া মনত আছে। আচাৰ্য বিনোৱা ভাৱে ভূদান আন্দোলন কৰি আমাৰ গাঁৱৰ মাজেৰে পদব্ৰজে যাত্ৰা কৰোঁতে আমি স্কুলীয়া ছাত্ৰ-ছাত্ৰীবিলাক বহু দূৰ সমদল কৰি যোৱা মনত আছে।

২। ছাৰ, ছাত্ৰ জীৱনৰ সময়ছোৱাত আপোনাৰ জীৱনৰ লক্ষ্য কি আছিল ? কেনেদৰে পঢ়া-শুনা কৰিছিল ?

উত্তৰ ঃ স্কুলৰ সময়ছোৱাত মা-দেউতাৰ তত্বাৱধানত নিয়মিয়াকৈ পঢ়া-শুনা কৰা অভ্যাস গঢ় লৈ উঠিছিল। স্কুলীয়া কালৰ পৰাই শিক্ষক হোৱাৰ সপোন পুহি ৰাখিছিলোঁ, কোনটো স্তৰৰ শিক্ষক হ'ম সেই বিষয়ে

বিশেষ স্পষ্ট ধাৰণা নাছিল যদিও কলেজৰ শিক্ষক হ'ম বুলি আশা পুহি ৰাখিছিলোঁ।

৩। ছাৰ, সাধাৰণতে দেখিবলৈ পোৱা যায় যে বিজ্ঞানৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাৰ প্ৰতি অধিক আগ্ৰহী হয়। কিন্তু আপুনি পদাৰ্থ বিজ্ঞানৰ এই বিভাগটো কিয় বাচি ল'লে?

উত্তৰ ঃ বোধহয় সমসাময়িক পৰিৱেশ আৰু মনৰ ইচ্ছা দুয়োটাই মোক ভৌতিক বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰিছিল। আমি প্ৰাক স্নাতক শ্ৰেণীৰ ছাত্ৰাৱস্থাত ইঞ্জিনিয়াৰসকল কৰ্মহীন হৈ বহি থকা দেখিছিলোঁ আৰু ডাক্তৰ হোৱাৰ আগ্ৰহ সমূলি নাছিল। প্ৰাকৃতিক বিজ্ঞানৰ সকলো বিষয়ৰ ভিতৰত পদাৰ্থ বিজ্ঞানে আকৰ্ষণ কৰাৰ মূলতে হয়তো নিউটন, কপাৰ্নিকাছ আদি মহীৰুহ বিজ্ঞানীসকলৰ সূত্ৰসমূহত নিহিত প্ৰাকৃতিক পৰিঘটনাসমূহৰ ৰহস্যই মনত ক্ৰিয়া কৰিছিল। অৱশ্যে প্ৰাকস্নাতক শ্ৰেণীৰ পৰীক্ষাত পদাৰ্থ বিদ্যাত বেছি নম্বৰ পোৱাটোও এটা কাৰক হ'ব পাৰে।

৪। ছাৰ, আপোনাৰ কৰ্মজীৱনৰ কিছু আভাস দিয়ক?

উত্তৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৯ চনত স্নাতক আৰু ১৯৭১ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰো। স্নাতকোত্তৰ পৰীক্ষাৰ পাছত প্ৰায় এবছৰ ধৰমতুল হাইস্কুলত গণিত আৰু বিজ্ঞান শিক্ষক হিচাপে কৰ্ম জীৱনৰ আৰম্ভণি। ১৯৭২ চনত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তা হিচাপে যোগদান কৰি ১৯৭৯ চনলৈ কৰ্মৰত হৈ থাকি ১৯৭৩ চনতে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় ভৌতিক প্ৰয়োগশালাত গৱেষণাৰ ক্ষেত্ৰখনত খোজ দিওঁ। ১৯৮২ চনলৈকে এই প্ৰয়োগশালাত গৱেষণা ফেল' হিচাপে কৰ্তব্য সম্পাদন কৰি পুনৰ দেৰগাঁৱলৈ ঘূৰি আহোঁ। ১৯৮৬ চনত মহাকাশ উপগ্ৰহ সম্পৰ্কীয় অধ্যয়নৰ বাবে পি. এইচ. ডি. লাভ কৰো আৰু ১৯৮৬ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগত ৰীডাৰ হিচাপে যোগদান কৰো। ২০১৬ চনত এই বিভাগৰে অধ্যাপক পদৰ পৰা অৱসৰ গ্ৰহণ কৰো। ২০০৮-২০১১ চনলৈ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ অভিজ্ঞতাত মোৰ কৰ্মজীৱনৰ এটা বিশেষ উল্লেখনীয় অধ্যায়। এইখিনি সময়তে বিশ্ববিদ্যালয়খনৰ বিদ্যাতনিক আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত বহুতো সুদূৰপ্ৰসাৰী পদক্ষেপ লোৱা হয়। পদাৰ্থ বিদ্যাৰ অধ্যাপক হিচাপে বিশ্ববিদ্যালয় আৰু ৰাষ্ট্ৰীয় সংস্থাসমূহৰ সহায় লৈ নিৰৱচ্ছিন্নভাৱে গৱেষণাৰ এটা পৰিৱেশ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছিলোঁ। এইক্ষেত্ৰত মই মোৰ অনুসন্ধিৎসু গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সম্পূৰ্ণ সহযোগ পাইছিলোঁ আৰু মোৰ যথাসামান্য জ্ঞান বুদ্ধিৰে তেওঁলোকক উদ্বুদ্ধ কৰিবলৈ সদায় যত্ন কৰিছিলোঁ।

৫। ছাৰ, CAS (Centre for Atmosphere Studies) কি হয়? ইয়াৰ লগত ছাত্ৰ-ছআত্ৰীসকল কেনেকৈ জড়িত হ'ব পাৰিব?

উত্তৰ ঃ CAS (Centre for Atmosphere Studies) বিশ্ববিদ্যালয়ৰ স্বীকৃত বায়ুমণ্ডল গৱেষণা কেন্দ্ৰ। ২০০৬ চনত ইয়াক পদাৰ্থ বিদ্যা বিভাগৰ অন্তৰ্গত কেন্দ্ৰ হিচাপে অনুমোদন দিয়া হয় আৰু ২০১৪ চনত ই এক স্বকীয় কেন্দ্ৰৰ স্বীকৃতি লাভ কৰে। পদাৰ্থ বিদ্যা, ৰসায়ন বা গণিতৰ যিকোনো স্নাতকোত্তৰ ডিগ্ৰী প্ৰাপ্তই ইয়াত গৱেষণা কৰিব পাৰে। বায়ুমণ্ডলৰ গৱেষণাই পৃথিৱী বা সৌৰজগতৰ আন গ্ৰহবিলাকৰ বায়ুমণ্ডলৰ সকলো বিষয় সামৰি লয়। ই পৰিৱেশ বিজ্ঞানৰ পৰা এটা পৃথক বিষয়।

৬। ছাৰ, আপুনি ইতিমধ্যে বহুতো গৱেষণাৰ প্ৰকল্প সফল সমাপন কৰিছে। যিসকল নতুন ছাত্ৰ-ছাত্ৰীয়ে এই গৱেষণা কৰিব বিচাৰে। সেই সকলক আপুনি কি পৰামৰ্শ দিব?

উত্তৰ ঃ গৱেষণা প্ৰকাশসমূহত সদায় নিৰ্ধাৰিত একো একোটা বিশেষ প্ৰশ্নৰ উত্তৰ বিচৰা হয়। গৱেষণাৰ প্ৰতি ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিষয়ৰ উপৰিও আন আনুষংগিক বিষয়ৰ সম্যক জ্ঞান অৰ্জন কৰিব লাগে। যেনে ঃ পদাৰ্থ বিজ্ঞানৰ গৱেষকসকলৰ বাবে গণিত বিষয়ৰ প্ৰচুৰ জ্ঞান থকা অতি আৱশ্যক। ইয়াৰ উপৰি গৱেষণাৰ ক্ষেত্ৰখনলৈ অহাৰ পাছত একনিষ্ঠভাৱে বিষয়টোৰ লগত জড়িত সকলো উৎসৰ পৰা জ্ঞান আহৰণ কৰিবলৈ চেষ্টা কৰিব লাগিব। লগতে এই কথাটোও মনত ৰাখিব লাগিব যে গৱেষণাৰ পথটো কেতিয়াও মসৃণ নহয়।

৭। বিজ্ঞানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত লোক হিচাপে আপুনি ভাৰতীয় গ্ৰাম্য সমাজ আৰু বিজ্ঞানক কি ধৰণে চায়?

উত্তৰ ঃ ভাৰতৰ গ্ৰাম্য সমাজ জীৱনত আধুনিক প্ৰযুক্তিৰ বহুলাংশই প্ৰভাৱ পৰিছে যদিও সামগ্ৰিকভাৱে মানসিকভাৱে ভাৰতীয়সকল এতিয়াও এশ শতাংশ বৈজ্ঞানিক মানসিকতাৰে উদ্বুদ্ধ হৈছে বুলি ধাৰণা নহয়।

৮। সাম্প্ৰতিক সময়ত বিশ্বৰ বিভিন্ন সমস্যাসমূহৰ ভিতৰত জলবায়ু পৰিৱৰ্তনৰ সমস্যা অতিকৈ জ্বলন্ত সমস্যা। ইয়াৰ ওপৰত আপোনাৰ মন্তব্য কি?

উত্তৰ ঃ হয়, জলবায়ু পৰিৱৰ্তন বৰ্তমান এটা স্বীকৃত সমস্যা আৰু ই প্ৰাকৃতিক আৰু মানৱসৃষ্ট কাৰকৰ ওপৰত নিৰ্ভৰশীল। জলবায়ু পৰিৱৰ্তন ৰোধ কৰাৰ বাবে বিভিন্ন প্ৰকাৰে পদক্ষেপ লোৱা হৈছে যদিও এই বিলাকে সম্পূৰ্ণৰূপে পৰিৱৰ্তনৰ গতি ৰোধ কৰিব পাৰিব বুলি ধাৰণা নহয়। বোধহয় আগন্তুক সময়ত মানৱ সভ্যতাই এই পৰিৱৰ্তন সমূহৰ প্ৰতি প্ৰাকৃতিকভাৱেই সহনশীল হ'বলৈ প্ৰয়াস কৰিব।

৯। আজৰি সময়ত আপুনি কি কৰি ভাল পায়?

উত্তৰ ঃ আজৰি সময়ত মই ঘাইকৈ কিতাপ পঢ়ি আৰু টেলিভিছনত ক্ৰিকেট আৰু ফুটবল খেল চাই ভাল পাওঁ।

১০। সাহিত্যৰ প্ৰতি আপোনাৰ ধাউতি কেনেকুৱা?

উত্তৰ ঃ বিজ্ঞানৰ দান হোৱা বাবে ছিৰিয়াছ সাহিত্য পঢ়াৰ বা অনুধাৱন কৰাৰ সুযোগ পোৱা নাছিলো। চুটিগল্প মোৰ প্ৰিয়। ইতিহাসৰ অধ্যয়নৰ প্ৰতিও ধাউতি আছে।

১১। পদাৰ্থ বিজ্ঞানৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক আপুনি পৰামৰ্শ দিব?

উত্তৰ ঃ পদাৰ্থ বিজ্ঞানক বিজ্ঞানৰ দৰ্শন বোলা হয়। প্ৰাচীন কালত দাৰ্শনিকসকলৰ উপলব্ধিৰ পৰাই বিশ্ব প্ৰকৃতিৰ নিয়মাৱলী সম্পৰ্কে আমাৰ জ্ঞানৰ ধাৰা আৰম্ভ হ'ল। সেয়ে পদাৰ্থবিদ্যাৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে ইয়াক কিছুমান সূত্ৰৰ সমষ্টি বুলি ধৰি গাণিতিক সূত্ৰসমূহৰ অন্তৰ্নিহিত প্ৰকৃত তথ্য জানিবলৈ আগ্ৰহী হ'ব লাগিব।

১২। ছাৰ, আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা কি?


উত্তৰ ঃ বৰ্তমান মোৰ মনত কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰী পি এইচ ডি গৱেষণাত জড়িত হৈ আছে। ইয়াৰ উপৰি বিভিন্ন বিজ্ঞান পত্ৰিকাৰ পৰা অহা গৱেষণা পত্ৰ বিলাকৰ ৰিভিউৰ লগত জড়িত হৈ আছো।

১৩। নৱপ্ৰজন্মৰ প্ৰতি আপোনাৰ আহ্বান কি?

উত্তৰ ঃ অধ্যৱসায়, অনুসন্ধিৎসা আৰু সুযোগ সন্ধানী দৃষ্টি হ'ব লাগিব নৱপ্ৰজন্মৰ সাৰথি। যোগ্য ভোগ্য বসুন্ধৰা এই আপ্তবাক্য সকলোৱেই মনত ৰাখিব লাগিব।

*"অধ্যৱসায়, অনুসন্ধিৎসা আৰু সুযোগ সন্ধানী দৃষ্টি হ'ব লাগিব নৱপ্ৰজন্মৰ সাৰথি। যোগ্য ভোগ্য বসুন্ধৰা এই আপ্তবাক্য সকলোৱেই মনত ৰাখিব লাগিব।"*

— **ড° প্ৰদীপ কুমাৰ ভূঞা**



• কংকণ ভৰদ্বাজ

# প্ৰিয়তমালৈ একলম...

কি খবৰ তোমাৰ, ভালনে? বহুদিনেই হ'ল তোমাৰ একো খা-খবৰ নাই। হয়তো তোমাৰ আজি মোৰ চিঠিৰ উত্তৰ দিবলৈ সময়ৰ নাটনি। কিন্তু তুমি জানানে, আজিও মই অতি আগ্ৰহেৰে তোমাৰ চিঠিখনলৈ বাট চাই থাকো মনত পৰেনে তোমাৰ ফাগুনৰ সেই মধুৰ সন্ধিয়াটিলৈ? ৰঙা পলাশৰ ৰঙে মন প্ৰাণ চঞ্চল কৰি তোলা সেই সন্ধিয়াটিতেই প্ৰথম পৰিচয় হৈছিল আমাৰ দুয়োৰে। নাজানো কিয়, কিন্তু তোমাক দেখাৰ পাছৰে পৰা এক অচিন আপোন-আপোন ভাৱে মোক আবৰি ধৰিছিল। এক মধুৰ সুগন্ধিয়ে মোৰ আধৰুৱা হিয়াখনিক সাৱটি ধৰিছিলহি, অথচ ইয়াৰ আগেয়ে তোমাক মই কোনো দিনেই দেখা নাছিলো। মনত পৰেনে তোমাৰ শৰতৰ শেৱালিৰ সুবাসেৰে জীপাল হৈ থকা সেই মায়াময় ক্ষণটিলৈ? যিদিনা মই তোমাক দিছিলো মোৰ মনৰ বতৰা আৰু তুমি লাজ- লাজকৈ মোক সাৱটি ধৰিছিলা আৰু পূৰ্ণতাৰ সুখত মতলীয়া হৈ পৰা মোৰ হৃদয়খনিয়ে অজানিতে চিঞৰি উঠিছিল, তোমালৈ বুলি লিখা মোৰ কবিতাৰ দুযাৰি--

"পূৰ্ণতাৰ আনন্দত আজি মোৰ
হৃদয়ে চিঞৰি উঠে,
সময়ৰ সুঁতিত ভাঁহি অহা চিতপখিলীজনী,
তুমি মোৰ সঁচাকৈয়ে অতিকৈ আপোন।"

তোমাৰ লগত কটোৱা মোৰ জীৱনৰ সেইকেইটি উমাল মুহূৰ্ত মোৰ বাবে সঁচাকৈয়ে অতিকৈ আপোন। হয়তো নিয়তিয়েই অতি নিষ্ঠুৰ। সেয়েহে হয়তো প্ৰতিশ্ৰুতিক উপলুঙা কৰি মোক অকলশৰীয়া কৰি তুমি গুচি গ'লা অচিন তৰাৰ দেশলৈ।


তুমি জানি হয়তো সুখী হ'বা যে নিয়তিৰ প্ৰত্যাখ্যানক প্ৰত্যাহ্বান জনাই মই তুমি বিহীন জীৱন এটাক সুন্দৰকৈ আঁকোৱালি লৈছো। শেষত মোৰ এটাই আশা—

"তুমি য'তেই থাকা সুখী হৈ থাকা"

প্ৰান্তত—

তোমাৰ প্ৰিয়তম





• ৰঞ্জিনী চেতিয়া

## মৰমৰ,

মাত্ৰ তোমাৰ বাবে সাঁচি ৰখা মোৰ অন্তৰৰ নিভাঁজ মৰম যাচিলোঁ। তুমি ছাগে মোৰ এইখন চিঠিলৈ আশাই কৰা নাছিলা নহয়? ওঁ বুজিছো, তোমাৰ মনত ওপজা আক্ষেপৰ কথা মই ধৰিব পাৰিছো। কিন্তু কি কৰোঁ কোৱা, সমাজে আনি দিয়া বিভেদক আঁতৰাবলৈ বৰ কষ্ট হৈছে মৰম।

তোমাৰ দেহা ভালে আছেনে? নিজৰ যত্ন ল'বা। মোৰ কথা অকনো চিন্তা নকৰিবা, মই সকলো কাম সময়মতে কৰিছো, এতিয়া মই নিজৰ যত্ন নিজে ল'ব পৰা হৈছোঁ। তুমি মাত্ৰ আত্মগোপনৰ ঠাইৰ পৰা লৰ্-চৰ নহ'বা। নহ'লে এই মূৰ্খ সমাজে তোমাক কষ্ট দিব মৰম। তেওঁলোকৰ মনত সোমাই থকা এই ডাইনী হত্যাৰ পোক মই বাহিৰ কৰিম। তেওঁলোকৰ প্ৰতি শত্ৰুতাৰ ভাৱ নানিবা, তেওঁলোক মাত্ৰ অন্ধ-বিশ্বাসৰ বলি। মই সমাজৰ চকু মুকলি কৰিম, মোৰ ওপৰত বিশ্বাস ৰাখা মৰম বিশ্বাস ৰখা। তোমাৰ শিৰত এদিন মোৰ নামৰ সেন্দুৰ দিম, মোৰ ঘৰৰ বোৱাৰী কৰিম। হিয়াত সোমাই থকা অজুত মৰমেৰে তোমাক ওপচাই দিম। এদিন আমি এক হ'ম মৰম, মোৰ ওপৰত বিশ্বাস ৰাখা। কোনোবাই কিবা ক'লে কাণসাৰ নিদিবা মাত্ৰ নিজৰ কাম কৰি যোৱা। মোলৈ মনত পেলাই নাকান্দিবা মৰম, সদায় তোমাৰ কাষতেই আছোঁ। মন ডাঠ কৰি মাথোন অপেক্ষা কৰা মই গৈ লৈ আহিম গৈ।

শুনা, ডাকোৱালজনক কৈ থৈছোঁ, চিঠিৰ উত্তৰ পঠিয়াবলৈ নাপাহৰিবা। তেওঁৰ লগতো বৰ বিশেষ কথা নাপাতিবা, তোমাৰ নিৰাপত্তাৰ কথা আছে, টকা কেইটামান দি পঠাইছোঁ প্ৰয়োজনীয় বস্তুবোৰ কিনি ল'বা। মৰম, তোমাক বৰ ভাল পাওঁ। বিশ্বাস ৰাখা, মই যাম।

ইতি
তোমাৰ প্ৰিয়

• কাকলি গগৈ



## মৰমৰ,

কি বুলিনো সম্বোধন কৰোঁ! সময়ৰ সতে কিছুমান নাম-উপনামৰ প্ৰাসংগিকতা নোহোৱা হৈ পৰে। মই ভালে আছোঁ। আশা কৰোঁ তোমাৰো ভাল।

আজি কিমান বছৰৰ পৰা তোমাৰ সতে মোৰ কোনো যোগাযোগ নাই। ভাবিছিলোঁ সময়ৰ স'তে আমাৰ মাজৰ দূৰত্ববোৰ একোটা অভ্যাসৰ দৰেই সহজ হৈ পৰিব। কিন্তু নহ'ল। আচলতে ইচ্ছাকৃতভাৱে বাছি লোৱা দূৰত্ববোৰক লৈ সকলো মানুহ সকলো সময়তে সুখী হৈ থাকিব নোৱাৰে। আনকি নতুন সময়, নতুন সপোনবোৰৰ স'তে মই নতুনো হৈ উঠিব নোৱাৰিলোঁ। আচলতে কি জানা পুৰণি হৈ যোৱা মদৰ নিচাৰ দৰে প্ৰত্যেকটো পুৰণি বস্তুৰে নিজস্ব একোটা কাঢ়া নিচা থাকে। থাকে একোটা স্বকীয় সুবাস। এই পুৰণি সুবাস, পুৰণি বস্তুৰ নিচাত মাতাল হৈ থাকিয়েই আজিকালি মোৰ ভাললগা হৈছে। এইযে পুৰণি গানবোৰ, ক'লা-বগা পুৰণি ফটোবোৰ, মাৰ গাৰ গোন্ধ লাগি থকা পুৰণি কাপোৰযোৰ আৰু তোমাৰ স'তে পাৰ কৰা দিনবোৰ, পুৰণি স্মৃতিবোৰ ইয়াতকৈ ভাললগা, মাতাল হ'ব পৰাকৈ নিচা থকা আৰু কি হ'ব পাৰে। আচলতে কিছুমান পুৰণি বস্তুক, পুৰণি বস্তুৰ স্মৃতিক নতুনে কেতিয়াও মচি পেলাব নোৱাৰে। আগতকৈ ৰঙীন হৈ অহা বিলাসী বজাৰখনেও নোৱাৰে।

মই এখন জাতীয় বিদ্যালয়ত সোমালোঁ। দুটামান টিউচনো পাইছোঁ। তাৰে মোৰ এটা পেট চলি গৈছে। আচলতে মই এটা অকলশৰীয়া জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰিছোঁ। অৱশ্যে এটা কথা ঠিক যে এই একাকীত্ব মোৰ বেয়া লগা নাই। নিঃ সংগতা সকলো সময়তে পীড়াদায়ক বুলি ভবাটোহে ভুল। আচলতে কেতিয়াবা কিছুমান মানুহ নিঃসংগ হৈয়ো সুখী হ'ব পাৰে।

বিশেষ নাই। আজিলৈ সামৰিছোঁ।

ইতি

তোমাৰ অতীত

# অনুগল্প...

• হিৰণ্য প্ৰভা দিহিঙীয়া

## স্বাৰ্থ

বাটতে বিতুৰ মাকে অতুলক লগ পায় কলে- "কি হে ডেকাল'ৰা, সকলোৱে আন্দোলনত ভাগ লৈছে তুমি নোযোৱা নেকি? নগ'লেনো কিহৰ ডেকা লৰা?"

ঘৰলৈ আহিয়েই গিৰিয়েকক সুধিলে বোলে পুতেক ঘৰত আছেনে? গিৰিয়েকে আছে বুলি কোৱাত তাই কলে- "শুনিছে আমাৰ বাবাক ভুলতো ওলাই যাবলৈ নিদিব দেই, বাহিৰৰ পৰিস্থিতি যিহে, মোৰ ভয়েই লাগে।"



## অন্ধবিশ্বাস

উদুলি-মুদুলি বিয়াঘৰৰ পৰিৱেশ। বহুত প্ৰত্যাশাৰ অন্তত মীৰাৰ একমাত্ৰ সন্তানৰ আজি বিয়া। কম আলাসড়ে তুলিলে নে তাক। পঢ়াই-শুনাই মানুহ কৰিলে। এতিয়া বোৱাৰী আহি ঘৰ সোমাব। পদূলি মূৰত কিৰিলিৰ শব্দ। বেচেৰী মাকজনীয়ে উকা কপালখনেৰে বোৱাৰীয়েকক আদৰিব নোৱৰাৰ ৰীতি নীতিৰে অন্য কোনোবাই কইনা আদৰিছে।

## ভাগ্য

ডাঙৰ শ্বপিং মলটোত গ্ৰাহকক ব্ৰেণ্ডেট কাপোৰৰ দাম কওঁতে তাই ভাৱে এই মাহৰ দৰমহাটোৰে ৰহিম কাইৰ দোকানৰ পৰা ৰঙা পকোৱা সূতা কিনি মাকৰ বাবে কাপোৰ এজোৰ বব।



## গৰ্ভৱতী

সদায় গলিটোৰ ডাঙৰ গছজোপাৰ তলত বহি আং বাং বকি থকা তাইক বাটটোৰে অহা-যোৱা কৰা সকলোৱে দেখে। প্ৰায়বোৰৰে তাই চিনাকী। লাহে লাহে বাঢ়ি অহা তাইৰ পেটতো সকলোৱে দেখিছে। সকলোৱে প্ৰশ্ন মানসিক ভাৰসাম্য হেৰুওৱা এই পাগলিজনীক গৰ্ভৱতী কৰিলে কোনে??

## বাধ্য


একমাত্ৰ পুতেকৰ অত্যাচাৰৰ পৰা হাৰিবলৈকে দেউতাকে তাক একমাত্ৰ মাটি টুকুৰা বন্ধকত দি বাইক এখন কিনি দিছে।

## ভাগ্য

নৰেন্দ্ৰৰ মাহ সোমোৱাৰ পাছৰ পৰাই ক্লাছকেইটা কৰিয়েই ভাতকেইটা নাকে-মুখে গুজি সন্ধিয়ালৈকে শুৱে। ওৰেটো নিশা টেবুলখনে বঢ়ি পঢ়ি থাকে। অজুহাত এটাই পাতল কম্বলখনে তাক শীতৰ উম অনুভৱ কৰিবলৈ নিদিয়ে। সেয়ে সি দিনত শুৱে।

# "শৱ কটা মানুহ" উপন্যাসৰ বিষয়সাৰ ঃ এটি আলোচনা

• অৰূপ সোনোৱাল




**প্ৰস্তাৱনা ঃ**

জীৱনৰ সৈতে সাহিত্যৰ সম্পৰ্ক ওতঃপ্ৰোত। মূলতঃ মানৱ জীৱনৰ সৈতে জড়িত হোৱাৰ সুবাদতে সাধাৰণ লোকজীৱনৰ বিভিন্ন সমস্যা-সংঘাত, অভাৱ, প্ৰতিঘাত আদিৰ চিত্ৰণ সাহিত্যত সততে পৰিলক্ষিত হয়। একবিংশ শতিকাৰ কিছুমান উপন্যাসতো লোক জীৱনৰ বিভিন্ন দিশ, লোকাচাৰ, উৎসৱ-অনুষ্ঠান আদিৰ উল্লেখ দেখিবলৈ পোৱা যায়। এই উপন্যাসসমূহে লোকজীৱনৰ সংপৃক্ত জীৱন-যাত্ৰাৰ প্ৰকাশ কৰি এক সুকীয়া ধাৰাৰ সৃষ্টি কৰিছে। য়েছে দৰজে ঠংচিৰ 'শৱ কটা মানুহ'ও এনে এখন উপন্যাস। এই উপন্যাসখনত অৰুণাচল প্ৰদেশৰ মনপা জনজাতিৰ লোকজীৱনৰ অলৌকিক কিম্বদন্তি, লোকাচাৰ, লোকবিশ্বাস, লোকগাঁথা আদিৰ লগতে গ্ৰামীণ জীৱনধাৰাৰ সৈতে জড়িত বিভিন্ন সমস্যা-সংঘাত, প্ৰেম-বিৰহ আদিৰ ছবি প্ৰতিফলিত হৈছে। আলোচনাপত্ৰত উপন্যাসৰ বিষয়সাৰ অথবা ঘাই সুৰৰ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব। বিষয়সাৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত প্ৰাথমিকভাৱে উপন্যাসখনৰ উৎস অনুসন্ধান কৰি লৈ তাৰ পিছত উপন্যাসখনৰ বিষয়সাৰ (Theme) বিশ্লেষণ কৰা হ'ব।

**উপন্যাসখনৰ কাহিনী ঃ**

এজন শৱ কটা মানুহৰ কাহিনী এইয়া। দাৰোগা নৰবু ওৰফে আও থ্যাম্পা ওৰফে আপা থাম্পা ওৰফে আজাং থাম্পা ওৰফে আকু থাম্পাৰ কাহিনী এইয়া। ঘটনাচক্ৰত পৰি শৱ কটা কাৰ্যকে বৃত্তি হিচাপে ল'লেও মনপা সমাজত মৰাশ কটা এটা বহুত পূণ্যৰ কাম। একোটা মৰা শ কটাৰ পূণ্য এবাৰ তীৰ্থ কৰি অহা পূণ্যৰ সমান। যুগ যুগ ধৰি মনপা জনজাতিসকলে পৰম্পৰাগতভাৱে মানি আহিছে যে মৃত্যুৰ পাছত মৃতদেহটো টুকুৰা-টুকুৰকৈ কাটি নৈত উটুৱাই নিদিলে আত্মাৰ সদ্গতি নহয়। জীৱই মহানিৰ্বাণ নাপায়। মৃতদেহ কটাৰো নিয়ম আছে। পুৰুষ-মহিলাৰ বাবে সুকীয়াকৈ মৃতদেহ সতকাৰ কৰাৰ নিয়মো বেলেগ বেলেগ। মৃতদেহটো জুখি-মাখি হিচাপ কৰি এশ আঠ ভাগ কৰি কাটি উটুৱাই দিয়া হয়।

সৰুৰে পৰা গাঁৱৰ আন আন ল'ৰা-ছোৱালীৰ লগতে জিগমে, পেমা, ঙাৱাং, গোম্ফু, ৰিজোম্মা আদিৰ লগত বিয়াত বহাৰ সপোন দেখে। যেতিয়াই-তেতিয়াই যাৰে-তাৰে আগত কৈয়ো আৰু কৈ হকে-নহকে দ্যাৰগেৰ পৰা মাৰ খায়। লাহে লাহে সিহঁতকেইটা ডাঙৰ হৈ অহাত এবাৰ দলাই লামাৰ দৰ্শন পাবলৈ যাওঁতে দলাই লামাৰ স্পৰ্শ পাই ৰিজোম্মাৰ মাজত পৰিৱৰ্তনে দেখা দিয়ে। ইফালে দ্যাৰগেৰ লগত ৰিজোম্মাৰ বিয়াৰ বাবে লামাৰ ওচৰলৈ গৈ মঙল চাওঁতে গাম পায় যে ৰিজোম্মাৰ ভাগ্যত সাধাৰণভাৱে ঘৰ-সংসাৰ পাতি খোৱাৰ সুখ নাই। দুৰ্ভাগ্যই খেদি ফুৰিছে তাইক। আৰু সঁচাকৈয়ে দুৰ্ভাগ্যক্ৰমে ভাৰত আৰু চীনাৰ মাজত যুদ্ধ আৰম্ভ হোৱাত আপোন মানুহৰ পৰা বিচ্ছিন্ন হৈ পৰে দ্যাৰগে নৰবু। যুদ্ধৰ প্ৰভাৱতেই পলাওঁতেই ভৰিত গুলি লাগি ৰিজোম্মা পৰি যোৱাত সকলোৱে তাইক মৃত বুলি ধৰি লয়। ঘটনা-দুৰ্ঘটনাৰ মাজেৰে দ্যাৰগেই অচেতন অৱস্থাত নিজৰ মাককে জীৱন্ত অৱস্থাত হত্যা কৰি মাকৰ মৃতদেহ টুকুৰা-টুকুৰকৈ কাটি কুকুৰক খুৱায়। পাগল হৈ তেজপুৰত থকাৰ পাছত গুইচেংমুৰ দেউতাকৰ অনুগ্ৰহতে দ্যাৰগেই তেওঁৰ ঘৰজোঁৱাই হৈছিলগৈ। গুইচেংমু আৰু দ্যাৰগেৰ এজনী আঁকৰী ছোৱালী জন্ম হ'ল আৰু দৈৱক্ৰমে তাইৰ নামো ৰিনচিন জোম্মা বা ৰিজোম্মা থ'ব লগাত পৰিল। ৰিজোম্মা যে এসময়ত দ্যাৰগেৰ প্ৰেয়সী আছিল এই লৈ গুইচেংমুৰ মনত অসন্তোষ। শৱ কাটি কাটি এদিন দ্যাৰগেই উপলব্ধি কৰে যে সি তাৰ ছোৱালী আৰু তাৰ পত্নীৰ বাবে একোৱেই কৰা নাই। লাহে লাহে তাৰ স্বভাৱ আৰু চিন্তা ভাৱনাত পৰিৱৰ্তনে দেখা দিয়ে। ক্ৰমাৎ ধৰ্ম-কৰ্মৰ প্ৰতিও তাৰ

মন ঢাল খায়। আনে চাগে নোৰলজোমৰ সান্নিধ্যত দ্যাৰগেৰ মনলৈ আমূল পৰিৱৰ্তন আহে। সময়ত সকলোৱে গম পায় যে এই আনে চাংগে আন কোনো নহয় সকলোৱে মৃত বুলি ধৰি লোৱা সেই তাহানিৰ ৰিজোম্মহে। ভৰিত গুলি লাগি পৰি থকা ৰিজোম্মক বৌদ্ধ ধৰ্মাৱলম্বী লোকে তুলি লৈ গৈছিল আৰু তাতেই শিক্ষা-দীক্ষা লৈ কালক্ৰমত ৰিজোম্মই এক মহান ৰিনপোচেৰ ৰূপ লয়। আনে চাংগেৰ লগত দ্যাৰগেই নিজৰ পুৰণা গাঁৱলৈ ঘূৰি আহে। পেহাক লেকিৰ মৃতদেহৰ শতকাৰ কৰে। গুইচেংমু আৰু দ্যাৰগেৰ আঁকৰী জীয়েকৰ সকলো দায়িত্ব লৈ আনে চাংগেই তাইক শিক্ষিত কৰি তোলে। জীৱনৰ শেষ কালত আনে চাংগেই নিজৰ মৃত্যুৰ পাছত তেওঁৰ মৃতদেহৰ সত্কাৰৰ ভাৰ দ্যাৰগেৰ ওপৰতেই দি যায়। সম্পূৰ্ণ ধৰ্মীয় নিয়ম-কানুনেৰে আনে চাংগেৰ মৃতদেহৰ সত্কাৰ কৰাৰ পাছত অলৌকিকভাৱেই নদীৰ পানী বাঢ়ি যায় আৰু আনে চাংগেৰ কটা মূৰটো পানীত উটুৱাই দিওঁতে বাঢ়নী পানীয়ে দ্যাৰগেকো জীৱন্ত অৱস্থাতে উটুৱাই লৈ যায়। জীৱিত অৱস্থাতে আনে চাংগেই ভৱিষ্যত বাঢ়নী পানীয়ে দ্যাৰগেকো জীৱন্ত অৱস্থাতে উটুৱাই লৈ যায়। জীৱিত অৱস্থাতে আনে চাংগেই ভৱিষ্যতবাণী কৰিছিল যে তেওঁ মৃত্যুৰ পাছত দ্যাৰগেৰো মহাপ্ৰয়াণ ঘটিব আৰু কইপেমলৈ যাত্ৰা কৰিব। এই পৃথিৱীত এইবাৰেই তেওঁলোক দুজনৰ শেষ জনম।

**উপন্যাসখনৰ উৎস অনুসন্ধান ঃ**

উপন্যাসখনৰ উৎস অনুসন্ধানৰ ক্ষেত্ৰত ঔপন্যাসিক গৰাকীয়ে উপন্যাসৰ আৰম্ভণিতে 'আগকথা'ত উল্লেখ কৰা মন্তব্য প্ৰণিধানযোগ্য - "স্কুলৰ পঢ়া কালৰ পৰা এই উপন্যাসৰ প্লটে মোক আমনি কৰি আছিল। এদিন মোৰ বন্ধু শ্ৰী দেচিন ৰোকপুৰ গাঁৱলৈ যাওঁতে মানুহৰ শৰ কাটি নদীত উটুৱাই থকাৰ দৃশ্য দেখা পাই গল্পই নে উপন্যাসৰ প্লট এটাই ছয়াময়াকৈ আহি মনত নিগাজীকৈ বাঁহ লৈছিল।"১

তেখেতে আকৌ লিখিছে - "চাকৰিৰ খাতিৰত টাৱাঙত মানুহৰ মৰা শ কাটি নদীত উটুৱাৰ দৃশ্য পুনৰবাৰ দেখিবলৈ সুযোগ পাইছিলো। এইবাৰ মোৰ লগত সেই ঠাইত আছিল মোৰ জীয়াৰী দোলমা ৱাংজম। দৃশ্যটো প্ৰত্যক্ষ কৰাৰ পাছত তায়েই মোক মনপা সকলৰ মৃতদেহ সৎকাৰ প্ৰথাৰ আধাৰত উপন্যাস এখন লিখিবলৈ আদেশেই দিলে। সেইদিনা আমি দুয়ো মিলি মোৰ মনত খেলি থকা প্লটৰ ওপৰত দীৰ্ঘ আলোচনা চলালো আৰু মোটামুটি উপন্যাসৰ জুমুঠি এটা তৈয়াৰ কৰিলো।"২

সেয়েহে এইটো কথা স্পষ্ট হৈ পৰিছে যে উপন্যাসখনৰ উৎস অন্তৰ্নিহিত হৈ আছে লেখকৰ জীৱন অভিজ্ঞতাত। লেখক যদিওবা উপন্যাসৰ উৎস মনপা জনজাতিৰ নহয় তথাপিও তেখেতে জন্ম লোৱা চেৰদুকপেন নামৰ জনজাতিটোৰ লগত এই মনপা জনজাতিৰ বহুতো মিল আছে। জন্মসূত্ৰে অৰুণাচল প্ৰদেশৰ বাসিন্দা হোৱা হেতুকে মনপা জনজাতিৰেই লোক পৰম্পৰাক লেখকে স্ব-চক্ষুৰে চোৱাৰ সৌভাগ্য সৰুতেই হৈছিল। ইয়াৰ উপৰিও টাৱাঙ জিলাৰ ভৌগোলিক অৱস্থান, তাৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ লগত নিবিড়ভাৱে মুখামুখি হৈছিল। এই অভিজ্ঞতাই লেখকক উপন্যাসখন লিখাৰ উৎসাহ দিলে।" (উৎস - আগকথা - শৰ কটা মানুহ)

কাহিনী তথা চৰিত্ৰবোৰৰ প্ৰসংগত লেখকে লিখিছেঃ "এই উপন্যাসৰ পৰম পাৱন দলাই লামা, টায়াঙ মহকুমাৰ তেতিয়াৰ এডিচিনেল পলিটিকেল অফিচাৰ মিষ্টাৰ টি. কে. মূৰ্তি আৰু আৰ্মী কমাণ্ডাৰ লেফটেনেন্ট জেনেৰেল নিৰঞ্জন প্ৰসাদৰ বাহিৰে বাকী সকলো চৰিত্ৰ কাল্পনিক। তেখেতসকলৰ চৰিত্ৰ ঐতিহাসিক কাৰণত সন্নিবিষ্ট কৰিব লগা হ'ল। উপন্যাসখনৰ প্লট সেইদৰে কাল্পনিক হ'লেও কিছুমান ঘটনা টায়াঙত ঘটিত সঁচা ঘটনাৰ পৰা বুটলি লোৱা হৈছে। উদাহৰণস্বৰূপে ১৯৫০ চনৰ ভূমিকম্পিত বহুত মনপা মানুহৰ নিধন, ১৯৫২ চনত টাৱাঙত প্ৰশাসন তিব্বত চৰকাৰৰ পৰা ভাৰতীয় চৰকাৰলৈ হস্তান্তৰণ, চীনৰ তিব্বত অধিকাৰ আৰু দলাই লামাৰ টাৱাং জিলাৰ মাজেদি ভাৰতত প্ৰৱেশকৰণ, চীনা আক্ৰমণ আৰু সেই আক্ৰমণত বোজা কঢ়িয়াই সীমান্তলৈ যোৱা মনপা মানুহৰ নিধন, দলাই লামাৰ দ্বাৰা দিৰাঙত কালচক্ৰ পূজা ইত্যাদি ঘটনা সঁচা। কাহিনীৰ প্ৰয়োজনত তাতে চৰ্বিত চৰ্বন কৰি উপন্যাসখন গঢ়ি তোলা হৈছে।" (আগকথা - শৰ কটা মানুহ)৩

এই কথাখিনিৰ পৰা এইটোৱে স্পষ্ট যে এই উপন্যাসৰ কাহিনীভাগ ঔপন্যাসিকৰ কল্পনাৰে সৃষ্টি। তথাপিও এই কাহিনীভাগৰ কিছুমান চৰিত্ৰ সম্পৰ্ণভাৱে কাল্পনিক বুলি কোৱাটো ভুল হ'ব। লেখকে উল্লেখ কৰা মতে ইয়াৰ কেইটামান চৰিত্ৰ বাস্তৱ চৰিত্ৰ।

ওপৰৰ নাতি-দীৰ্ঘ আলোচনাত এটা কথা স্পষ্ট হৈ পৰিছে যে 'শৰ কটা মানুহ' উপন্যাসখন লেখকৰ বিভিন্ন অভিজ্ঞতা, বাস্তৱিক ঘটনাক্ৰম আৰু লেখকৰ সাহিত্য প্ৰতিভাৰ এক সংমিশ্ৰিত ৰূপ। তথাপিও ঘাইকৈ লেখকৰ জীৱন অভিজ্ঞতাকে উপন্যাসখনৰ মূল উৎস বুলি সিদ্ধান্ত আগবঢ়াব পাৰি।

**'শৰ কটা মানুহ' উপন্যাসখনৰ বিষয়সাৰ অধ্যয়ন ঃ**

বিষয়সাৰ (Theme) শব্দটোৰ ব্যুৎপত্তিগত অৰ্থই কোনো বিষয়বস্তুৰ ঘাই সুৰক নিৰ্দেশ কৰে। উৎস অনুসন্ধানৰ অন্তত এটা কথা স্পষ্ট হৈ পৰিছে যে, ঔপন্যাসিকৰ জীৱন অভিজ্ঞতা, বাস্তৱ ঘটনাৰাজি তথা কাল্পনিকতাৰ বিভিন্ন ঘটনাক্ৰম আৰু চৰিত্ৰৰ বিকাশকৰণৰ ফলতেই 'শৰ কটা মানুহ' উপন্যাসখন নিৰ্মিত। সেয়েহে উপন্যাসখনৰ বিষয়সাৰ পোনছাতেই নিৰ্দিষ্ট কৰি দিয়াটো সহজসাধ্য নহয়। কাহিনীবস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে

কেইবাটাও ঘটনাক্ৰম পাৰস্পৰিকভাৱে গ্ৰন্থিত হৈহে উপন্যাসখন ৰচিত। এই উপন্যাসখনত বৰ্ণিত কাহিনীত মূলতঃ তিনিটা দিশ পৰিলক্ষিত হৈছে -

**উপন্যাসখনত বৰ্ণিত মনপা জনজাতিৰ ধৰ্মীয় প্ৰথা, লোকাচাৰ আৰু উৎসৱ-পাৰ্ৱন ঃ**

উপন্যাসখনত মনপাসকলৰ ৰীতি-নীতি, উৎসৱ-পাৰ্বন, খাদ্য, বিশ্বাস আদিক সুন্দৰভাৱে উপস্থাপন কৰা দেখা গৈছে। শৰ কটা পৰম্পৰাকে আদি কৰি বিবাহ প্ৰথা, পূজা, ধৰ্ম বিশ্বাস আদিয়ে উপন্যাসখনত এক বিশেষ স্থান লাভ কৰিছে।

**শৱ কটা প্ৰথা ঃ** 'শৱ কটা মানুহ' উপন্যাসখনৰ নামটোৱেই উপন্যাসখনৰ বিষয়বস্তুৰ পটভূমিক সামৰি লৈছে। অৰুণাচল প্ৰদেশৰ এটা জনজাতি হৈছে মনপা জনজাতি। এই মনপা জনজাতিৰ লোকসকলৰ শৱ কাটি মৃতদেহ সৎকাৰ কৰা প্ৰথা অতীজৰে পৰা চলি আহিছে। উপন্যাসখনত এই ধৰ্মীয় বিশ্বাসকে ঔপন্যাসিকে মূল সুঁতি হিচাপে লৈ গল্পৰ পটভূমিৰ সৃষ্টি কৰিছে। মনপা সমাজত মৰাশ কটা এটা বহুত পূণ্যৰ কাম। একোটা মৰা শ কটাৰ পূণ্য এবাৰ তীৰ্থ কৰি অহা পূণ্যৰ সমান। যুগ যুগ ধৰি মনপা জনজাতিসকলে পৰম্পৰাগতভাৱে মানি আহিছে যে মৃত্যুৰ পাছত মৃতদেহটো টুকুৰা-টুকুৰকৈ কাটি নৈত উটুৱাই নিদিলে আত্মাৰ সদ্‌গতি নহয়। জীৱই মহানিৰ্বাণ নাপায়। মৃতদেহ কটাৰো নিয়ম আছে। পুৰুষ-মহিলাৰ বাবে সুকীয়াকৈ মৃতদেহ সৎকাৰ কৰাৰ নিয়ম। মৃতদেহটো জুখি-মাখি হিচাপ কৰি কৰি এশ আঠ ভাগ কৰি কাটি নৈত উটুৱাই দিয়া হয়। উপন্যাসৰ এটা উল্লেখনীয় চৰিত্ৰ থাম্পা, আচল নাম দৰগে নৱবু। এই দৰগে নৱবুয়ে সেই অঞ্চল (দিৰাংজঙ)ৰ একমাত্ৰ শৱ কটা মানুহ। তেখেতে মৃতদেহ এটাক এশ আঠ টুকুৰা কৰে। এশ আঠ টুকুৰা কৰাৰ সলনি হিচাপত ভুল কৰি কম বা বেছিকৈ কাটি পালে মৃতকৰ আত্মাই স্বৰ্গলৈ যাব নোৱাৰে বুলি লোক বিশ্বাস। এই বিষয়ে থাম্পাই কোৱা কথাকেইষাৰতে প্ৰতিফলিত হয় - "মই এজন থাম্পা হয়! থাম্পা! মৰাশ কটা মানুহ। তহঁতৰে শ কটা মানুহ। মোৰ হাতৰ পৰা তহঁতৰ নিস্তাৰ নাই। তহঁতক কাটিবৰ বাবেই মই মোৰ দাখন ভালদৰে ধাৰ দি থৈছোঁ। একেবাৰে চিক্‌মিকাই থৈছোঁ। তহঁতৰ মাংস মই টুকুৰা-টুকুৰ কৰি মাছক খুউৱাব সলনি মোৰ কুকুৰটোক খুৱাম। তহঁতক এশ আঠ টুকুৰা কৰাৰ সলনি এশ দুই টুকুৰা, নৱৈ টুকুৰা বা মাত্ৰ চাৰি-পাঁচ টুকুৰা কৰিহে কাটিম যাতে তহঁতৰ আত্মা স্বৰ্গলৈ যাব নোৱাৰে।" (শৱ কটা মানুহ, পৃষ্ঠা-৯)

লোক বিশ্বাস অনুসৰি শ কটাটো যে পুণ্যৰ কাম সেই কথা উপন্যাসখনত উল্লেখ আছে - "মৃতকৰ শৱ কাটি নদীত পেলোৱাটো পুণ্যৰ কাম। পুণ্য কামৰ বাবে দাম লোৱাটো উচিত নহয়। গতিকে দ্যাৰগে নৱবুৱে কাৰো পৰা একো নোখোজে।" (শৱ কটা মানুহ, পৃষ্ঠা-১২)

এই শৱ কটা প্ৰথাটো তেওঁলোকৰ ধৰ্মীয় বিশ্বাস। এই থাম্পাসকলে কোনো ধৰণৰ মাননীৰ দাবী নকৰে। তেওঁলোকে ইয়াক পুণ্যৰ কাম বুলিয়েই কৰি যায়।

**উৎসৱ-পাৰ্বন ঃ** উপন্যাসখনত মানপাসকলৰ বিভিন্ন উৎসৱৰ উদাহৰণ উল্লেখনীয়। উপন্যাসখনত মনপাসকলৰ উৎসৱ-পাৰ্বনৰ ভিতৰত টোৰগ্যা আৰু লোচেৰে উৎসৱৰ বিস্তৃত বিৱৰণ দিয়া আছে। প্ৰকৃতিৰ মনোৰম পৰিৱেশৰ মাজত টোৰগ্যা উৎসৱ পালন কৰা হয়। উৎসৱৰ সময়ত মেলাত মনপা ডেকা-গাভৰুৰ হৃদয়ৰ আদান-প্ৰদান হয়, মাজং খেলা খেলি ভাগ্য নিৰ্ণয় কৰা, একেলগে মিলি চাংচাং আৰু আৰা খোৱা আদি কাৰ্যবোৰে যেন টোৰগ্যা উৎসৱৰ এক অবিচ্ছেদ্য অংগ।

"দূৰ দূৰ পাহাৰৰ খুঁটিবিলাকৰ পৰা নামি আহিব যাক আৰু ভেড়াৰ দল আৰু সিহঁতৰ ডিঙিৰ টিলিঙাত বাজি উঠিব টিং টিং সংগীত, ৰোড'ডেনড্ৰন গছবিলাকত। থোপা-থোপে ৰঙা ফুল ফুলি উঠিব আৰু তেতিয়াই টাৱাং গোম্পাত আৰম্ভ হ'ব টোৰগ্যা উৎসৱ। টোৰগ্যা উৎসৱত আপা পাকুৰ নৃত্য চাবলৈ, গেলেংসকলৰ বিভিন্ন মুখনৃত্য চাবৰ বাবে, ৰিমপোচেৰ লগত ডাঙৰ ডাঙৰ লামাসকলৰ দ্বাৰা সম্পাদিত তান্ত্ৰিক যজ্ঞ চাবলৈ, জালি ৎৰাডিং বজাই লামাসকলে কৰা শোভাযাত্ৰা চাবলৈ, ৰিমপোচেৰ পৰা উৎসৱৰ সেই, দিনা ৱাং ল'বলৈ, গোম্পাৰ চৌহদত মানুহৰ ভিৰ ভৰি পৰিব। গোম্পাৰ চৌদহৰ বাহিৰত মেলা বহিব, নিঙচাংলা, ৱেটিং আদি পাহাৰ পাৰ কৰি অহা ভূটিয়া, চেলা পাৰ কৰি অহা দিৰাং, মনপা, চোকচুম, দাকপানাং, পাংচেন আদি অঞ্চলৰ পৰা সমবেত হেৰা অসংখ্য মানুহে সেই মেলাত কিনা-বেচা কৰিব, হৃদয়ৰ ভাৱ ৱিনিময় কৰিব, একেলগে বহি বাংচাং আৰা খাব, মতা মানুহে মাজাং খেলি ভাগ্যৰ পৰিৱৰ্তনত যোগ দিব আৰু গাভৰু ছোৱালীবিলাকে ধুনীয়া ধুনীয়া ফুলবছা টুদুঙ পিন্ধি আপা পাকুৰ কাৰণে নিজৰ হৃদয় উজাৰি দিব।" (শৱ কটা মানুহ, পৃষ্ঠা - ৯৬)

টোৰগ্যা উৎসৱৰ পাছতে লোচেৰ উৎসৱ পালন কৰা হয়। লোচেৰ মনপাসকলৰ প্ৰধান উৎসৱ বুলি ক'ব পাৰি। এই উৎসৱ পোন্ধৰৰ পৰা ত্ৰিশ দিন ধৰি উদ্‌যাপন কৰা হয়। মনপাসকলে বৰ ওলহ-মালহেৰে এই উৎসৱ পালন কৰে।

"টোৰগ্যাৰ আৱেশ, আপা পাকুৰ প্ৰতি মোহ দেহৰ পৰা মচ খাই যোৱাৰ আগতে আকৌ আহি পাব সকলোৰে আপোন, অতিকৈ চেনেহৰ নতুন বছৰৰ লোচেৰ উৎসৱ। পোন্ধৰ-ত্ৰিশ দিন চলা আনন্দোৎসৱ। গাঁৱে,-গাঁৱে, ঘৰে-ঘৰে চলা লোচেৰ মহোৎসৱ।" (শৱ কটা মানুহ, পৃষ্ঠা - ৯৭)

ইয়াৰ উপৰিও উপন্যাসখনত দলাই লামাৰ ভাৰত ভ্ৰমণৰ

সময়ত অৰুণাচল অঞ্চলত আয়োজন কৰা বৌদ্ধ ধৰ্মৰ তান্ত্ৰিক পূজা কালচক্ৰ মহোৎসৱৰ কথাও উল্লেখ আছে। এই কালচক্ৰ মহোৎসৱত দলাই লামাৰ লগত অহা সন্ন্যাসিনী নোৰলজোম আনে চাংগেৰ হাতৰ স্পৰ্শ মূৰত লৈ ৰাং অৰ্থাৎ আশীৰ্বাদ লাভ কৰিবলৈ হেজাৰ হেজাৰ ভক্তৰ মাজত ঠেলা হেঁচা লগাৰ কথা উপন্যাসখনত উল্লেখ আছে। এই কালচক্ৰ মহোৎসৱত যিকোনো এটা বদ-অভ্যাস ত্যাগ কৰিব লাগে আৰু সংযমী জীৱন অতিবাহিত কৰিব লাগে। এই বিষয়ে উপন্যাসখনত এইদৰে বৰ্ণনা কৰা আছে -

"কালচক্ৰ পূজাৰ সময়ত ভক্তগণে নিজৰ গাত থকা তিনিটা বদগুণ বা অভ্যাসৰ মাজৰ পৰা অন্ততঃ এটা বদ অভ্যাস ত্যাগ কৰা উচিত। সেই বদ অভ্যাসসমূহ হ'ল - মদ-ধঁপাত আদিৰ সেৱন, মাছ-মাংস ভোজন আৰু জুৱাৰ প্ৰতি আসক্তি। তদুপৰি এই পূজাৰ সময়তে বয়সস্থ যিসকল লোকে আগৰ পৰা হাতত মালা আৰু মনে চোকাৰ (হাতেৰে ঘূৰাই থকা ধৰ্মচক্ৰ) তুলি লোৱা নাই, তেওঁলোকে মালা জপিবলৈ আৰু মনে চোকৰ ঘূৰাবলৈ আৰম্ভ কৰিব লাগে।" (শৰ কটা মানুহ, পৃষ্ঠা - ১২৮)

কোনো ধৰ্মীয় মঠ-মন্দিৰ আদিৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'লেও আনসকলৰ দৰে মনপাসকলেও পূজা পাতি তাৰ শুভাৰম্ভ কৰে আৰু ধৰ্মবাণী পাঠ কৰে।

"মনে চোৰতেন নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱা উপলক্ষে পতা পূজাত যোগদান কৰিবলৈ আৰু আনে চাংগে নোৰলজোমৰ ধৰ্মবাণী শুনি তাইৰ আশিষ ৰাং ল'বৰ বাবে থাম্পানাং আজি লোকে লোকাৰণ্য হৈ পৰিছে। (শৰ কটা মানুহ, পৃষ্ঠা - ১৬৬)

**বিবাহ সম্বন্ধীয় নিয়ম-নীতি ঃ** মনপাসকলৰ মাজত মোমায়েক বা পেহীয়েকৰ ল'ৰা-ছোৱালীৰ মাজত বিবাহক প্ৰাধান্য দিয়া হয়। সেইবাবে বাল্যকালৰ পৰাই ৰিজোম্মই তাইৰ ভাবি স্বামী ৰূপে আও থাম্পাক ভাবি লৈছিল। আও থাম্পাক পেহীয়েক কোৱা এই কথাকেইষাৰত এই কথাৰ প্ৰমাণ পোৱা যায়।

"পেহীয়েকে লগ পালেই তাইক কৈছিল, 'দ্যাৰেগে বোপাই, তই হেনো আজি ৰিজোম্মৰ হাতত ধৰি জোৰকৈ মুচৰি দিলি। বেচেৰী হাতৰ বিষত আজি কেঁকাই আছে। তইনো তাইক এনেদৰে সদায় মাৰপিট, সদায় অত্যাচাৰ কৰি থাকিব লাগেনে ? ময়েই তাইক কৈছিলো, ডাঙৰ হ'লে তোৰ লগত বিয়াত বহিব লাগিব বুলি। আমাৰ নিয়মমতে তইহে তাইক বিয়া কৰাব লাগে।" (শৰ কটা মানুহ, পৃষ্ঠা - ২৩)

তিব্বতীসকলৰ দৰে মনপাসকলৰ মাজতো বহুপতি আৰু বহুপত্নী প্ৰথা প্ৰচলিত আছে। এই কথাৰ প্ৰমাণ উপন্যাসখনত বিভিন্ন ঠাইত পোৱা যায়।

**লোকবিশ্বাস ঃ** শৰ কটা প্ৰথাৰ লগত জড়িত বিভিন্ন লোকবিশ্বাসৰ উপৰিও মনপা সমাজত বিভিন্ন লোক-বিশ্বাসসমূহ উপন্যাসখনত ফুটি উঠিছে। এই লোকবিশ্বাসসমূহ তেওঁলোকৰ ধৰ্মীয় অনুভূতিৰ লগত জড়িত হৈ আছে। মনপাসকল সাধাৰণতে বৌদ্ধ ধৰ্মাৱলম্বী। কিন্তু এই বৌদ্ধ ধৰ্মৰ লগত বুদ্ধদেৱে প্ৰচাৰ কৰা ধৰ্মতকৈ তিব্বতৰ প্ৰচলিত বৌদ্ধ ধৰ্মৰহে বেছি মিল। আন বিভিন্ন জনজাতিৰ দৰে মনপাসকলৰ মাজতো মংগল চোৱাতো এক লোকবিশ্বাস। তেওঁলোকে লামাসকলৰ হতুৱাই মংগল চোৱাই বিভিন্ন কামৰ বাবে আগবাঢ়ে - "তাৰ ওপৰত এতিয়া লামাসকলে মংগল চাই দিয়া ভৱিষ্যতবাণীয়ে তাইৰ জীয়াই থকাৰ হাবিয়াসটোকে শেষ কৰি দিলে। দ্যাৰগাই এতিয়াও লামাসকলে চাই দিয়া ভৱিষ্যতবাণীৰ কথা গম পোৱা নাই। দ্যাৰগেৰ এতিয়াও লামাসকলে মৌ চাই দিয়া ভৱিষ্যতবাণীৰ কথা গম পোৱা নাই। তাইৰ পৰাহে দেউতাক লেকিয়ে কথাটো লুকাব নোৱাৰি সকলো কথা চকুপানী টুকি টুকি কৈ দিলে। অকল এজন লামাই কোৱা কথা নহয়, যো লামাৰ তাতেই গৈছে, মংগল চোৱাইছে সকলোৱে একেমুখে এয়ে কথাই কৈছে।" (শৰ কটা মানুহ, পৃষ্ঠা - ৯৪)

বাংগাংজং নামৰ তীৰ্থস্থানখন মনপাসকলৰ এক পৱিত্ৰ তীৰ্থস্থান। এই তীৰ্থস্থানটোত বিভিন্ন লোকবিশ্বাস জড়িত হৈ আছে।

"চেলা পাহাৰৰ ওচৰতে অৱস্থিত বাংগাংজং নামৰ তীৰ্থস্থানখন। প্ৰবাদমতে পৃথিৱীত যেতিয়া প্ৰলয় হৈছিল, এই ঠাইতেই দেৱ-দেৱীসকলে আশ্ৰয় লৈছিল আৰু পৃথিৱীখন আকৌ নতুনকৈ সৃষ্টি কৰিছিল। তীৰ্থস্থানখনৰ ভিতৰত সোমোৱাৰ পাছত তীৰ্থযাত্ৰীসকলে পৱিত্ৰ মনেৰে বিভিন্ন স্থান পৰিভ্ৰমণ কৰি নিজৰ পাপ মোচন কৰাৰ যত্ন কৰিব লাগে, পিয়াজ, নহৰু, মূলা, মাংস আদি তাত খোৱা দূৰৰ কথা, সেইবিলাক বস্তু খায়ো যাব নালাগে।" (শৰ কটা মানুহ, পৃষ্ঠা - ৩৮)

**খাদ্যাভাস ঃ** মনপা জনজাতিত বিভিন্ন প্ৰকাৰৰ খাদ্যৰ প্ৰচলন আছে। এই খাদ্য সম্ভাৰৰ কিছুমান উদাহৰণ উপন্যাসখনত দেখা যায়। উপন্যাসখনত পুৰুষ আৰু মহিলা উভয়ে পৰম্পৰাগত পানীয়, বাং চাং আৰা আদি খোৱাৰ উল্লেখ আছে। ইয়াৰোপৰি ঔপন্যাসিকে উপন্যাস খনত লোচেৰ উৎসৱৰ প্ৰসংগত লিখা তফাটোত মনপা জনজাতিৰ বিভিন্ন খাদ্যসম্ভাৰ সুন্দৰভাৱে ফুটি উঠিছে - "লোচেৰত খাবৰ কাৰণে গোটেই বছৰ বছৰ ধৰি সাঁচি ৰখা ভালতকৈ ভাল খাদ্য সম্ভাৰ উলিয়াব মানুহবিলাকে, য়াকৰ ঘিউত বিবিধ সুস্বাদু থাপচে তৈয়াৰ কৰিব, নতুন নতুন কাপোৰ, জোতা, টুপী কিনিব বা চিলাব আৰু নতুন বছৰৰ প্ৰথম কুকুৰাৰ ডাক দিয়াৰ লগে লগে বিছনা এৰি নিজৰ নিজৰ ঘৰৰ দুৱাৰ বন্ধ কৰি গোটেই পৰিয়ালৰ মানুহবিলাকে য়াকৰ শুকান মাংস, বিবিধ শস্য দি ৰন্ধা সুস্বাদু থুকপা খাব, ঘিউত কণী দি গৰম কৰা আৰাক খাব, দিনটো ইটো-সিটো খাই থাকিব, দ্বিতীয় দিনা নিজৰ সম্বন্ধীয় মানুহৰ ঘৰে ঘৰে থাপচে আৰু আৰাকৰ চুঙাবিলাক পোৱাব,

সম্বন্ধীয় মানুহবিলাকে মিলি ভোজ ভাত খাব....."

**উপন্যাসখনৰ বিভিন্ন চৰিত্ৰৰ চৰিত্ৰ অধ্যয়ন ঃ**

ঔপন্যাসিকে উপন্যাসখনত মনপা সমাজ জীৱনৰ লগত জড়িত বিভিন্ন বিষয়ক সামৰি ল'বলৈ যাওঁতে বিভিন্ন চৰিত্ৰৰ মাজত অন্তৰ্নিহিত হৈ থকা মানসিক-আৱেগিক সত্তাৰ সৈতে জড়িত বিভিন্ন প্ৰসংগও সাৱলীলভাৱে উপস্থাপন কৰিছে।

**আও থাম্পা চৰিত্ৰটোৰ মানসিক আৰু আৱেগিক সত্তাৰ অধ্যয়ন ঃ** উপন্যাসখনৰ এক উল্লেখনীয় চৰিত্ৰ হৈছে আও থাম্পা। এই আও থাম্পাৰ শৱ কটা কাৰ্যৰ মাজেৰে তেখেতৰ মানসিক আৰু আৱেগিক সত্তাৰ সুন্দৰ প্ৰতিফলন ঘটিছে। শৱ কটা কামটো তেনেই সাধাৰণ কাম নহয়। শৱ কাটোতে শৰীৰৰ বিভিন্ন অংশক জোখ-মাখ কৰিহে কটা হয় যাতে শৰীৰটো এশ আঠ টুকুৰাত বিভক্ত হয়। এই সম্পূৰ্ণ শৱ কটা প্ৰক্ৰিয়াত মৃতকৰ শৰীৰটোৰ বিভিন্ন অংশবোৰ এটা এটাকৈ কাটি পেলোৱা হয়। এই শৱ কটাৰ দৃশ্য দেখাজনেহে বুজি পাব যে ই কিমান ঘৃণনীয় কাম।

শৱ কটা প্ৰক্ৰিয়াৰ আটাইতকৈ লেতেৰা আৰু ঘৃণনীয় কাম, নাৰীৰ শৰীৰৰ অন্তৰ্ভাগৰ কটা-চিঙা কাম। এই প্ৰক্ৰিয়াত কোনো ঘিণ, ভয়, অনুভূতি, আৱেগৰ কোনো স্থান নাই। এই কাৰ্য কৰিবৰ বাবে শৱটোৰ ওপৰত থাম্পা অমানৱৰ দৰেই জঁপিয়াই পৰে।

"শৱ কটা প্ৰক্ৰিয়াৰ আটাইতকৈ লেতেৰা আৰু ঘৃণনীয় কাম, নাৰীৰ শৰীৰৰ অন্তৰ্ভাগৰ কটা-চিঙা কাম। প্ৰথমতে গৰ্ভাশয়, তাৰ পিছত বৃক্ক, পাইখানা, হজমী-আধা হজমী খাদ্যৰে সৈতে পেটৰ নাড়ী-ভূৰু, হৃৎপিণ্ড, হাওঁফাওঁ, স্তনযুগল, বুকু আদি এশ আঠ টুকুৰাত খণ্ড-বিখণ্ড হৈ এটি সুন্দৰ দেহাৰ এজনী ধুনীয়া তিৰোতা পৃথিৱীৰ বুকুৰ পৰা নিশ্চিহ্ন হৈ যায়। এনেদৰে শৰীৰৰ এটা এটা অংগেৰে সৈতে এই ধুনীয়া পৃথিৱীৰ বুকুৰ পৰা নিশচহ্ন হৈ গৈ থাকোঁতে বিভিন্ন সময়ত এই ধুনীয়া তিৰোতাসকলে বিভিন্ন ৰূপ লয়। কেতিয়াবা সুশ্ৰী, চিত্তহৰণকাৰী, মোহনীয়, ৰমনীয়। কেতিয়াবা কুৎসিত, বিভৎস আৰু ঘৃণনীয়।

মৰা শ কটাৰ আৰু এক বিৱৰণ এনেদৰে আছে - "মূৰটো ডিঙিৰ পৰা কাটি বেলেগাই ৰাখি ভৰিৰ পৰা আৰম্ভ কৰি আও থাম্পাই পেহাক লেকিৰ শৱটো ঠিক জোখত কাটি নদীত টুকুৰা অংগবিলাক দলিয়াই গ'ল। বুঢ়া মানুহ, হাড়বিলাক পুৰণা, মচমচীয়া হৈ গৈছে, দাৰ জোৰ দিবই নালাগে, ইফালে কিন্তু গাৰ চামৰা আৰু সিৰবিলাক ৰবৰৰ দৰে লেহুকা হৈছে, কিন্তু মৰা দেহটো একেবাৰে চাফা, কম কৰি হ'লেও গৰম তেজ ওলাইছে, পেটৰ নাড়ী-ভুৰুবিলাকৰ কোনো দুৰ্গন্ধ নাই, যকৃৎ, হৃদপিণ্ড, কলিজা সকলো ধুনীয়া হৈ আছে, যেন মানুহৰ মৰাশ নহয়, লোচেৰত খাবলৈ জীয়াই জীয়াই কটা বলধ য়াকটোৰ মাংসহে কাটি আছে।" (শৱ কটা মানুহ, পৃষ্ঠা - ২২০)

এনেদৰে উপন্যাসখনৰ মনপা সমাজৰ শৱ কটা পৰম্পৰাৰ মাজেদি আও থাম্পা ওৰফে দ্যাৰগেৰ মানসিক-আৱেগিক চিত্ৰ ফুটি উঠিছে। শৱ কটা সম্পৰ্কীয় কাহিনী আৰু ঘটনাক্ৰমৰ মাজেৰে প্ৰকাশ পাই উঠিছে যে এই আও থাম্পাই একেই তেজ মঙহৰ (যদিওবা মৃত) মানুহক কাটি কাটি এশ আঠ টুকুৰা কৰিবলৈ কিমান নিৰ্দয়ী, আৱেগহীন আৰু কঠোৰ হ'ব লাগিব।

আও থাম্পা, এই আও থাম্পাই দিনৰ দিনটো মদৰ নিচাত বুৰ গৈ থাকে। মদৰ নিচাত গাঁৱৰ মানুহক অশ্ৰাব্য গালি-গালাজ পাৰে। এই গালি-গালাজৰ কাৰণ গাঁৱৰ লোকসকলৰ তাৰ প্ৰতি থকা ঘৃণাভাৱ বা অনীহাও হ'ব পাৰে। তাৰ দেহৰ পৰা অহা দুৰ্গন্ধ, কেতিয়াও পানী নেদেখা গা আৰু কাপোৰকানিৰ বাবে আও থাম্পাক সকলোৱে এৰাই চলা বুলি উপন্যাসখনত উল্লেখ আছে। ইয়াৰ উপৰিও আও থাম্পাৰ জীৱনত ঘটা কিছুমান ঘটনাক্ৰমে তেখেতক মানসিক ভাৰসাম্যক এই পৰ্যায়লৈ লৈ আনিছে বুলি অনুমান কৰিব পাৰি।

আও থাম্পাৰ ঘৈণী গুইচেংমু সৈতে প্ৰায় প্ৰতিদিনে আও থাম্পা কাজিয়াত লিপ্ত হয়। গিৰিয়েক ঘৈণীয়েকৰ মাজৰ এই কাজিয়াতো কিন্তু ফুটি উঠিছে ইজনৰ আনজনৰ বাবে থকা অজস্ৰ ভালপোৱা আৰু মৰম। ইয়াৰ বিষয়ে এইদৰে উল্লেখ আছে - "খেচখেচাই অনবৰত দ্যাৰগে নৰবুক গালি পাৰি থাকিলেও তাৰ ঘৈণীয়েক গুইচেংমুৰ তালৈ বৰ মৰম।" (শৱ কটা মানুহ, পৃষ্ঠা - ১২)

আও থাম্পাৰ এজনীয়ে জী আছিল। তাই আঁকৰী আছিল। এই আংকৰী ছোৱালীজনীৰ প্ৰতি আও থাম্পাৰ পুত্ৰীস্নেহ উপন্যাসখনত প্ৰথমৰস্থাত দেখা নাযায় যদিও এটা সময়ত গাঁৱৰ দুজনমান মতা মানুহে যেতিয়া এই আঁকৰী ছোৱালীজনীক অকলে পাই অকৰ্ম কৰিবলৈ আগবাঢ়ে তেতিয়া এই আও থাম্পাই সিহঁতক দা লৈ কাটিব আগবাঢ়ে। সিহঁতক খেদি জীয়েকক দাঙি ঘৰৰ ভিতৰলৈ লৈ আনে।

"গিৰিয়েকৰ কাণ্ড-কাৰখানা দেখি বেছি হতবাক হ'ল গুইচেংমু। এয়া তাইৰ মানুহজনৰ নতুন ৰূপ, কোনোদিনে নকৰা কাণ্ড-কাৰখানা, কল্পনাতো আশা কৰিব নোৱাৰা তাৰ তাইৰ প্ৰতি, ছোৱালীজনীৰ প্ৰতি, ঘৰখনৰ প্ৰতি তাৰ মনত সুপ্ত লৈ থকা মৰম-স্নেহ, পিতৃত্বৰ কৰ্তব্যৰ বহিঃপ্ৰকাশ।" (শৱ কটা মানুহ, পৃষ্ঠা - ৬২)

ইয়াৰোপৰি উপন্যাসখনত ৰিজোম্মা আৰু দ্যাৰগেৰ প্ৰেমৰ কাহিনীবোৰে এক বুজন অংশ অধিকাৰ কৰিছে। ৰিজোম্মাক যদিওবা দ্যাৰগেই সৰু সময়ত ভাল পোৱা নাছিল তথাপিও ৰিজোম্মা ঘৰৰ পৰা বিচ্ছেদ হোৱাৰ পাছত দ্যাৰগেৰ জীৱনলৈ অহা পৰিৱৰ্তন আৰু ৰিজোম্মাক পুনৰ দেখি তাৰ বিয়াকুল মনটোৰ

পৰা আপোন নিগৰি অহা শব্দবোৰে এইয়াই প্ৰতিপন্ন কৰে এই নিৰ্দয়ী, লেতেৰা, স্বাৰ্থপৰ বুলি ভবা আও থাম্পাৰ মনটো প্ৰেমৰ মিঠা ভাৱনা সোমাই আছে।

উপন্যাসখনৰ মাজভাগত আও থাম্পাৰ জীৱনলৈ এক পৰিৱৰ্তনে দেখা দিলে। কালচক্ৰ মহোৎসৱত গৈ আও থাম্পাই নিজৰ বদ অভ্যাসবোৰ ত্যাগ কৰি পূজা-পাতল কৰিব ধৰে। এই আও থাম্পাই কালক্ৰমত এজন ভাল ব্যক্তিত্বৰ লোক হোৱা দেখা যায়।

**উপন্যাসৰ নাৰী চৰিত্ৰবোৰৰ অধ্যয়ন ঃ** উপন্যাস খনত বিভিন্ন নাৰী চৰিত্ৰবোৰৰ মাজত নাৰী মনৰ কোমল অনুভূতি প্ৰকাশ পোৱাৰ উপৰিও প্ৰেম, খং, অভিমান আদিৰো প্ৰকাশ পাইছে।

**গুইচেংমু ঃ** আও থাম্পাৰ পত্নী গুইচেংমুক এজনী কথাচহকী, ৰচকী, দুঃসাহসী ৰূপতে উপন্যাসখনত প্ৰকাশ পাইছে যদিও পাৰিবাৰিক কন্দলৰ বিপৰীতে গুইচেংমুৰ স্বামী অথবা জীয়েকৰ প্ৰতি লোৱা যত্ন, দায়িত্ববোধ আদিত নাৰীমনৰ কোমল অন্তৰখন একোখন চিত্ৰ ফুটি উঠিছে। এটা লেতেৰা মানুহৰ লগত জীৱনটো কটোৱাৰ বাবে তাইৰ হৃদয়খনক কিমান মজবুত কৰি লৈছে সেয়া তাইৰ কথাখিনিৰ মাজত ফুটি উঠে। তথাপিও তাই হৈছে নাৰী। নাৰীয়ে স্বামীৰ সেৱা-শুশ্ৰূষা কৰাটো প্ৰতিটো ধৰ্মৰে কৰ্তব্য। কৰ্তব্য বা দায়িত্বৰ খাতিৰতে হওক এই গুইচেংমু চৰিত্ৰটো অধ্যয়নৰ পাছত এখন নিৰ্দিষ্ট সমাজত নাৰীৰ জীৱনৰ যন্ত্ৰণা, মানসিক আৰু আৱেগিক সত্তাৰ কিছুমান ধাৰণা সহজভাৱে ল'ব পাৰি। এই গুইচেংমুয়ে খং আৰু অভিমান মিহলাই তাইৰ স্বামী আও খাম্পাক এনেদৰে অভিযোগ কৰা উপন্যাসখনত পোৱা যায় - "তোক বিয়া কৰি মোৰ জীৱনটো কষ্টত গ'ল ঐ কষ্টত গ'ল। মই অকলশৰীয়া মানুহজনীয়ে আৰু কিমান কাম কৰিম ? ঘৰকে চাম নে খেতিকে কৰিম, নে এই আঁকৰীজনীকে চাম ? তইটো শৰ কটাৰ বাহিৰে একোডাল কাম নকৰ। শৰ কাটিবি আৰু টলৌ টলৌকৈ ঘূৰি ফুৰিবি। গাঁৱত গৈ ঘৰে ঘৰে বাংচাং আৰু আৰাক মদ খুজি খাই ফুৰিবি। লোকক বেয়া বেয়া কথাৰে গালি পাৰি ফুৰিবি। ঘৰখনৰ কি অৱস্থা হৈছে, আমি দুটা প্ৰাণীয়ে খাবলৈ পাইছোনে নাই তালৈ তোৰ অকনো চকু-কাণ নাই। তোৰ নিচিনা অপদাৰ্থ, অকৰ্মণ্য মানুহ এটা মই আৰু পৃথিৱীত দেখা নাই। শিলৰ দৰে তোৰ মনটো, কোনা সঁহাৰি নাই, কোনো চেতনা নাই, চিন্তা নাই।" (শৰ কটা মানুহ, পৃষ্ঠা - ১১)

গুইচেংমুয়ে এনেদৰে গিৰিয়েকৰ ওপৰত খং উজাৰে যদিও তাইৰ কিন্তু গিৰিয়কলৈ আছে অকৃত্ৰিম ভালপোৱা। তাই মৰি যোৱাৰ পাছত গিৰিয়েকৰ কি হ'ব সেইয়া তাই চিন্তা কৰি দুখ কৰে।

"কাম কৰি কৰি তোক আৰু তোৰ আঁকৰীজনীক খুৱাওঁতে মোৰ দেহা একেবাৰে পৰি গৈছে। মই মৰিলে তোক আৰু আকৰিজনীক কোনে খুৱাব ? ক' কোনে খুৱাব ?" (শৰ কটা মানুহ, পৃষ্ঠা - ১২)

এই চৰিত্ৰটোৰ মাজেৰে এগৰাকী বিবাহিতা নাৰীৰ পৰিয়ালৰ প্ৰতি থকা দায়িত্ব, অভিমান, স্বামীৰ প্ৰতি থকা প্ৰেম আদি সুন্দৰভাৱে ফুটি উঠিছে।

**ৰিজোম্ফা ঃ** উপন্যাসখনৰ আন এটা নাৰী চৰিত্ৰ হৈছে ৰিজোম্ফা। এই ৰিজোম্ফাই সৰুকালৰে পৰা আও থাম্পাক নিজৰ ভাবি স্বামী হিচাপে মানি লৈছিল। কিন্তু আও থাম্পাই তাইৰ এই প্ৰেম-আচৰণবোৰ একেবাৰে ভাল পোৱা নাছিল। ৰিজোম্ফাৰ চৰিত্ৰটোৰ পৰা প্ৰেম, নাৰীৰ কোমল অন্তৰৰ গোপন বেদনা আদি ফুটি উঠিছে।

"কেতিয়াবা সিহঁতে মতা-মাইকী খেল খেলিলে গম্ফুৱে ৰিজোম্ফাক তাৰ পত্নীৰ অভিনয় কৰিব খাটনি ধৰিছিল, কিন্তু ৰিজেম্ফাই টপৰাই উত্তৰ দিছিল; "মই জাংচন দ্যাৰগাৰ মাইকীহে হ'ম। তোৰ মাইকী নহওঁ।" (শৰ কটা মানুহ, পৃষ্ঠা - ২২)

ৰিজোম্ফাৰ দ্যাৰগেৰ সৈতে বিয়াত বহা আশা সপোন হৈয়ে ৰ'ল। দলাই লামা ভাৰত ভ্ৰমণৰ সময়ত টাৱাং আহি উপস্থিত হোৱাত তাত ভক্তসকলৰ ভিৰ লাগিছিল। বহুতো ভক্তই দালাই লামাক ভৱিষ্যত সম্পৰ্কে মংগল চুৱাইছিল। মংগল চাওঁতে ৰিজোম্ফাই গম পালে যে তাইৰ আৰু দ্যাৰগেৰ প্ৰেম কেতিয়াও সফল নহয়। এই কথা গম পোৱাৰ পাছতে ৰিজোম্ফাৰ জীয়াই থকাৰ হেঁপাহকনো নোহোৱা হৈ পৰিছিল। এনেকৈয়ে তাইৰ প্ৰেম অসফল প্ৰেমৰ কাহিনী হৈ পৰিল। এই প্ৰেম কাহিনীটো উপন্যাসখনৰ এক প্ৰধান কাহিনী। ইয়াৰ বিষয়ে উল্লেখ এনেদৰে আছে - "কিন্তু দালাই লামাই তাইৰ প্ৰতি কৰা বিশেষ আচৰণে তাইৰ সকলো কল্পনা, সকলো সপোন ওলট-পালট কৰি দিলে। তাৰ ওপৰত এতিয়া লামাসকলে মংগল চাই দিয়া ভৱিষ্যতবাণীয়ে তাইৰ জীয়াই থকাৰ হাবিয়াসটোকে শেষ কৰি দিলে।" (শৰ কটা মানুহ, পৃষ্ঠা - ৯৪)

এই ৰিজোম্ফা চীনৰ ভাৰত আক্ৰমণৰ সময়ত ঘৰৰ পৰা বিচ্ছেদ হৈ পৰিছিল। সকলোৱে তাইক গুলি লাগি মৰা বুলি ভাবিছিল। তাই ঘৰৰ পৰা বিচ্ছেদ হোৱাৰ পাছত দালাই লামাৰ সংগলৈ আহে আৰু আনে চাংগে লোৱলজোম নাম লৈ সন্ন্যাসিনী হৈ পৰে এই আনে চাংগে যেতিয়া পুনৰ দ্যাৰগেৰ সংস্পৰ্শলৈ আহে তেতিয়া তাইৰ মনৰ পুৰণা স্মৃতিবোৰে তাইক বিয়াকুল কৰি তোলে। ৰিজোম্ফা আৰু দ্যাৰগেৰ পুনৰ মিলনৰ সময়ত ফুটি উঠা চিত্ৰকল্পই ৰিজোম্ফাৰ তাৰ প্ৰতি থকা নিভাঁজ প্ৰেমৰ এটা বেদনাদায়ক উদাহৰণহে মাত্ৰ।

আনে চাংগেৰ লগত দ্যাৰগেই নিজৰ পুৰণা গাঁৱলৈ ঘূৰি

আহে। পেহাক লেকিৰ মৃতদেহৰ শতকাৰ কৰে। চুইচেংমু আৰু দ্যাৰগেৰ আঁকৰী জীয়েকৰ সকলো দায়িত্ব লৈ আনে চাংগেই তাইক শিক্ষিত কৰি তোলে। জীৱনৰ শেষ কালত আনে চাংগেই নিজৰ মৃত্যুৰ পাছত তেওঁৰ মৃতদেহৰ সৎকাৰৰ ভাৰ দ্যাৰগেৰ ওপৰতেই দি যায়। এই এনে চাংগেৰ মৃত্যুৰ সময়ত দ্যাৰগেৰ মনৰ বেদনাৰ চিত্ৰ ঔপন্যাসিকে খুব সুন্দৰভাৱে চিত্ৰিত কৰিছে।

এই চৰিত্ৰটোৰ জৰিয়তে এগৰাকী নাৰীৰ চিত্ৰ ফুটাই তুলিবলৈ যত্ন কৰা হৈছে যিয়ে নিজৰ প্ৰেম নিজৰ সকলোবোৰ হেৰুৱাইও জীয়াই থাকিবলৈ শিকিছিল। ৰামধেনুৰ সাতোটা ৰঙৰ দৰে এই চৰিত্ৰটোৰ মাজেৰে এগৰাকী নাৰীৰ জীৱনৰ বিভিন্ন ৰংবোৰ ফুটি উঠিছে।

**উপন্যাসখনত বৰ্ণিত এখন নিৰ্দিষ্ট সমাজৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰেক্ষাপটত বৰ্ণন ঃ**

উপন্যাসখনত সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ কিছু আভাস আছে। চীনৰ তিব্বত আক্ৰমণৰ ফলত অঞ্চলটোত অস্থিৰ পৰিৱেশৰ সৃষ্টি হৈছিল। চীনে তিব্বত অধিকাৰৰ লগতে দালাই লামাক বন্দী কৰাৰ বাবে চেষ্টা কৰিছিল যদিও তেওঁ পলাই আহি ভাৰতত আশ্ৰয় লয়। দালাই লামাৰ আগমনত অৰুণাচলৰ সাধাৰণ জনতাৰ মাজত এক আলোড়নৰ সৃষ্টি হৈছিল। উপন্যাসখনত ধৰ্মীয় গুৰু দালাই লামাৰ ভাৰত আগমনত দ্যাৰগে আৰু ৰিজোম্মা আদিয়ে বোজা কঢ়িওৱা কাম কৰিছিল। ঔপন্যাসিকে দালাই লামাৰ দৰ্শন লাভ কৰি অভিভূত হোৱা মানুহৰ অৱস্থাৰ বিৱৰণ অতি জীৱন্ত ৰূপত বৰ্ণনা কৰিছে।

"তিব্বতৰ গণ আন্দোলনৰ সুবিধা লৈ চীনাসকলে তিব্বতত এক ধ্বংসজ্ঞ আৰম্ভ কৰিলে। লাচাত থকা চীনা সেনাধ্যক্ষই তাৰ সুযোগ লৈ ধৰ্মগুৰু দালাই লামাক বন্দী কৰাৰ জাল পাতিলে। চীনা সৈন্যৰ পৰা ৰক্ষা কৰিবলৈ তিব্বতীয় পৰিষদৰ সদস্যসকলে দালাই লামাক লাচাৰ পৰা পলায়ন কৰি নিবৰ বাবে আঁচনি পাতিলে আৰু এদিন অজানিতে দালাই লামাই সদলবলে ভাৰত অভিমুখে যাত্ৰা আৰম্ভ কৰিলে।" (শৱ কটা মানুহ, পৃষ্ঠা - ৬৫)

চীনা সেনাৰ সৈতে ভাৰতীয় সৈন্যবাহিনীৰ যুদ্ধ প্ৰস্তুতি তুংগত উঠিছিল। এই যুদ্ধ প্ৰস্তুতিয়ে সকলোকে ভয়ভীত কৰি তুলিছিল। এই যুদ্ধ প্ৰস্তুতি দেখি মনপাসকলৰ আশংকা দূৰ হৈছিল আৰু তেওঁলোকে ভাৰত এই যুদ্ধত জয়ী হোৱাটো নিশ্চিত বুলি ভাবি লৈছিল।

"এতিয়া চীনাসকলৰ চকু টাৱাং, বোমডিলাৰ ওপৰত। কিন্তু ইমান শক্তিশালী ভাৰতৰ সৈন্যসকলক দেখি সৰল মনপাসকলৰ প্ৰত্যয় হৈছে, ভাৰতৰ সৈন্যৰ সতে, নোমভৰা ভালুকৰ দৰে দাঢ়িৰে ভৰ্তি জোৱানসকলক চীনা সৈন্যই জিকিব নোৱাৰে। ভাৰত নিশ্চয় পৰাক্ৰমী, তাৰ জ্বলন্ত উদাহৰণ সিহঁতৰ চকুৰ আগত দেখি থকা শ শ সৈন্য, গুলি-বাৰুদ, উৰা জাহাজ, হেলিকপ্টাৰ আদি।" (শৱ কটা মানুহ, পৃষ্ঠা - ৯১)

ইয়াৰোপৰি উপন্যাসখনত ১৯৫০ চনৰ বৰ ভূঁইকপৰ কথা উল্লেখ আছে। উক্ত ভূমিকম্পত উত্তৰ-পূৰ্বাঞ্চলৰ ধন-জনৰ বিস্তৰ ক্ষয় ক্ষতি হৈছিল। মনপাসকলৰ জনবসতি এলাকা টাৱাঙত তাৰ প্ৰভাৱ পৰিছিল। বহু মনপা লোকৰ এই বৰ ভূঁইকপত মৃত্যু হৈছিল। তেওঁলোকৰ শিল-মাটিৰে নিৰ্মাণ কৰা ঘৰ-বাৰী ধ্বংস হৈ গৈছিল। এই ভূঁইকপত ৰিজোম্মাৰ মাতৃ আৰু ভগ্নীৰ অকাল মৃত্যু ঘটিছিল।

আৰম্ভণিতে যিখন সমাজৰ কথা পোৱা যায়, সেইখন শিক্ষা-দীক্ষাৰ পোহৰ নপৰা অসংস্কৃত সমাজ যেন বোধ হয়, কিন্তু উপন্যাসখনৰ শেষৰ ফালে গাড়ীৰ চলাচল, মোবাইল, বাইক আদিৰ ব্যৱহাৰৰ দ্বাৰা সময়ে জনজাতীয় সমাজলৈ অহা অৰ্থনৈতিক পৰিৱৰ্তনৰ কথাকে প্ৰকাশ কৰিছে।

**উপন্যাসখনৰ মূল বিষয়ৰ অধ্যয়ন ঃ**

প্ৰত্যেক জাতি-জনজাৰিৰে সামাজিক-সাংস্কৃতিক চিন্তা-চেতনাৰ অন্তৰালত ৰীতি-নীতি তথা লোক বিশ্বাসবোৰ জাতিটোক স্বতন্ত্ৰ আৰু স্বকীয় কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই পৰম্পৰাবোৰে একোটা জাতিৰ সাংস্কৃতিক জীৱনৰ পৰিচায়ক। জনজাতীয় জীৱনৰ এই বৈচিত্ৰময় ঐতিহ্যক মূল উপজীব্য হিচাপে ৰচনা কৰা য়েছে দৰচে ঠংছিৰ 'শৱ কটা মানুহ' উপন্যাসখনতো ফুটি উঠিছে অৰুণাচলৰ মনপা জনজাতিৰ বিভিন্ন পৰম্পৰা আৰু সংস্কৃতি। বিভিন্ন বিষয় আৰু বলিষ্ঠ প্ৰকাশ ভংগীয়ে এই উপন্যাসখনক তেখেতৰ সমগ্ৰ সৃষ্টিৰাজিৰ ভিতৰতে একক আৰু অনন্য কৰি তুলিছে।

অৰুণাচল প্ৰদেশৰ মনপা জনজাতিৰ প্ৰথা অনুসৰি কোনো লোকৰ মৃত্যু হ'লে মৃতদেহ দাহ নকৰি অথবা পুতি নথৈ এশ আঠ টুকুৰা কৰি নদীত উটুৱাই দিয়া হয়। এনে কৰিলে মৃত ব্যক্তিজনৰ আৰু শৱ কটা লোকজনৰ উভয়ৰে পুণ্য হয় বুলি তেওঁলোকে বিশ্বাস কৰে। শৱ কটা ব্যক্তিজনক মনপা ভাষাত থাম্পা বুলি কয়। এই শৱ কটা লোকজনৰ জীৱনৰ পটভূমি হিচাপে লৈ দৰজে ঠংচিয়ে আলোচ্য উপন্যাসখনক ৰচনা কৰি উলিয়াইছে। মৃত ব্যক্তিৰ শৱ কটাটো অত্যন্ত দুৰূহ কাম। এই বিষয়ে 'জনজাতীয় মূলৰ অসমীয়া ঔপন্যাসিকৰ উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ' নামৰ গ্ৰন্থখনত এনেদৰে আছে - "মৃত ব্যক্তিৰ শৱ কটাটো অত্যন্ত দুৰূহ কাম। ইয়াৰ বাবে শৱ কটা ব্যক্তিজনৰ গভীৰ মানসিক প্ৰস্তুতিৰ প্ৰয়োজন। উল্লেখযোগ্য যে শৱ কটাৰ পূৰ্বে থাম্পাজনে মনক সন্তুলিত কৰিবৰ বাবে নিচাৰ আশ্ৰয় ল'বলগীয়া হয়। (জনজাতীয় মূলৰ অসমীয়া ঔপন্যাসিকৰ উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ)

এই শৰ কটা মানুহ আও থাম্পাৰ ব্যক্তিগত জীৱনত সম্পূৰ্ণৰূপে উদাসীন, জধলা, মদাহী, লেতেৰা বেশভূষাৰ দ্যাৰগেক অপ্ৰয়োজনত কোনেও মাত এষাৰো নিদিয়ে। ঘৈণীয়েক গুইচেংমু আৰু আঁকৰী জীয়েক ৰিজোম্মৰ সৈতে তাৰু সৰু সংসাৰ। সি আৰু গুইচেংমু সৰু সৰু কথাতে কাজিয়াত লিপ্ত হয়। তাৰ দায়িত্বহীন আচৰণে সদায় গুইচেংমুৰ মনক দুখ দিয়ে। সি কেৱল দিনৰ দনিটো শৰ কটাতে ব্যস্ত থাকি নিশা গাঁৱৰ মাজেৰে ঢলং-পলংকৈ আনক গালি পৰাটোহে যেন তাৰ একমাত্ৰ কাম। দ্যাৰগেৰ এই আচৰণবোৰৰ কাৰণে সকলোৱে তাৰ ঘৃণাৰ দৃষ্টিৰে চায়। অপ্ৰয়োজনত তাৰ কাষলৈ কোনো নাহে। এই কথাই দ্যাৰগেক আঘাত দিয়ে। আও থাম্পাৰ বিষয়ে এনেদৰে উল্লেখ আছে-"তদুপৰি জীয়াই থকা কালচোৰাত অৰ্থহীন দৰ্প-অহংকাৰ, বিভেদকামী দৃষ্টি তথা ঘৃণা, অসন্মান আদি অসৎ মনোভাৱে যে মানুহক আচ্ছন্ন কৰি ৰাখে এনেদৰে কথায়ো চৰিত্ৰটোক বিচলিত কৰে।" (জনজাতীয় মূলৰ অসমীয়া ঔপন্যাসিকৰ উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ)

কেতিয়াবা মদৰ নিচাত ৰাতি ঘৰলৈ ওভতাৰ পথত দ্যাৰগেৰ মানুহৰ এনে অসৎ মনোবৃত্তিৰ প্ৰতি চিঞৰি চিঞৰি মনৰ ক্ষোভ উজাৰে এইদৰে - "মোক তহঁতে কি ভাবিছ হাঁ ? কি ভাবিছ?.... মোৰ দৰে এজন উচ্চ বংশজাত মানুহক তহঁতে কিয় ঘৃণা কৰিব লাগে ? কিয় মোক বাৰাণ্ডাত ৰাখিব লাগে ? মই তহঁতৰ ঘৰৰ ভিতৰত সোমালে মই কি তহঁতৰ খোৰা পাত্ৰ চুৰা কৰিম নেকি ? তহঁতৰ মাইকী চুৰ কৰিম নেকি ? তহঁতৰ মাইকীবিলাকো এদিন তহঁতে মোৰ হাতত গোটাবই লাগিব। লেংটা কৰি তেতিয়া মই চাই ল'ম সিহঁতকো। মোক বাৰাণ্ডাত বহি খুৱাও মোক সিহঁতে ঘিণ কৰে। এদিন নহয় এদিন সিহঁত মোৰ হাতত পৰিবই পাৰিব। চাই ল'ম মই তেতিয়া, ভালদৰে চাই ল'ম। চাই থাকিবি।" (শৰ কটা মানুহ, পৃষ্ঠা - ৯)

আনহাতে আলোচ্য উপন্যাসখনত ঔপন্যাসিকে দ্যাৰগেৰ স্মৃতিচাৰণৰ জৰিয়তে চৰিত্ৰটোৰ মানসিক-আৱেগিক সত্তাৰ সৈতে জড়িত বিভিন্ন প্ৰসংগও সাৱলীলভাৱে উপস্থাপন কৰিছে। শৈশৱতে পেহীয়েকৰ জীয়েক ৰিজোম্মৰ সৈতে গঢ়ি উঠা প্ৰেম, ঘটনাক্ৰমে সেই প্ৰেমে দি যোৱা অন্তহীন বেদনা, আকৌ সৌভাগ্যক্ৰমে এক স্বপ্নময় পৰিৱেশত পুনৰ প্ৰেয়সীৰে সাক্ষাৎ, দ্যাৰগেৰ স্বভাৱৰ আকস্মিক পৰিৱৰ্তন, ৰিজোম্মক হেৰুৱাই উন্মাদ হৈ পৰা দ্যাৰগেৰ হাততে নিজ মাতৃৰ মৃত্যু তথা তথা চাৰিং গোম্পাৰ মঠাধিকাৰনী আনে চাংগে নোৰলজামে ৰূপে ৰিজোম্মৰ পুনৰ জীৱন - এই ঘটনাবোৰে উপন্যাসখনত নাটকীয়ত্ব প্ৰদান কৰিছে। কৌশলপূৰ্ণভাৱে লেখকে দ্যাৰগেৰ স্মৃতি ৰোমন্থনৰ মাজেৰে সমকালীন ঘটনাপ্ৰবাহৰো কলাত্মক সংযোজন ঘটাইছে। ঔপন্যাসিকে দেখুৱাইছে যে কিদৰে ১৯৫০ চনৰ বৰ ভূমিকম্পত ৰিজোম্মই মাক আৰু ভনীয়েকক হেৰুৱাই দিশহাৰা হৈ পৰিছিল। সেই ভূমিকম্পতে টাৱাং জিলাৰ বহুতো মনপা লোকৰ নিধন হৈছিল। তদুপৰি ভূমিকম্পৰ দুই-এবছৰৰ পিছতে মনপা অঞ্চলৰ প্ৰশাসন তিব্বতীয় চৰকাৰৰ পৰা ভাৰতীয় চৰকাৰলৈ হস্তান্তৰ হৈছিল। দেখা যায় সেই সময়তে চীন দেশৰ ৰজা মাও গেপুৰ শাসনকালত চীনা সৈন্যই তিব্বতীয় সংস্কৃতি তথা বৌদ্ধধৰ্মক উচ্ছেদ কৰাৰ ষড়যন্ত্ৰৰে আৰু কমিউনিষ্ট আদৰ্শ জাপি দিয়াৰ উদ্দেশ্যেৰে তিব্বতৰ ওপৰত আক্ৰমণ চলায়। চীনৰ আক্ৰমণত হাজাৰ হাজাৰ নিৰীহ জনতাই প্ৰাণ হেৰুৱাবলগীয়া হয়। সেই সময়তে ভাৰতত দালাই লামাই পলায়ন কৰি ভাৰতত পদাৰ্পণ কৰিছিল। এই সমগ্ৰ ঘটনাৰাজি লেখকে উপন্যাসখনত দ্যাৰগে আৰু ৰিজোম্মৰ জীৱনৰ সৈতে সম্পৃক্ত কৰি সুন্দৰভাৱে উপস্থাপন কৰিছে।

উপন্যাসখনৰ আন এক উল্লেখনীয় দিশ চীন আৰু ভাৰতৰ যুদ্ধ। এই যুদ্ধতে আও থাম্পাই তাৰ একালৰ প্ৰেয়সী ৰিজোম্মক হেৰুৱাইছিল। ৰিজোম্মই তাক হিয়া উজাৰি ভাল পাইছিল। সকলোৱে তাইক চীনা সৈন্যৰ গুলি লাগি মৰা বুলিয়েই ভাবিছিল কিন্তু তাই সৌভাগ্যক্ৰমে দালাই লামাৰ সংস্পৰ্শলৈ আহি সন্ন্যাসিনী হৈ পৰে। এদিন এই ৰিজোম্মই এনে চাংগেৰ ৰূপত পুনৰবাৰ সেই ঠাইলৈ ঘূৰি আহে য'ত তাইৰ একালৰ প্ৰেমী দ্যাৰগে থাকে। এই আনে চাংগে নোৰলজোমৰ সান্নিধ্যত দ্যাৰগেৰ মনলৈ আমূল পৰিৱৰ্তন আহে। সময়ত সকলোৱে গম পাই যে এই আনে চাংগে আন কোনো নহয় সকলোৱে মৃত বুলি ধৰি লোৱা সেই তাহানিৰ ৰিজোম্মহে। ভৰিত গুলি লাগি পৰি যোৱা ৰিজোম্মক বৌদ্ধ ধৰ্মাৱলম্বী লোকে তুলি লৈ গৈছিল আৰু তাতেই দীক্ষা-শিক্ষা লৈ কালক্ৰমত ৰিজোম্মই এক মহান ৰিলপোচেৰ ৰূপ লয়। আনে চাংগেৰ লগত দ্যাৰগেই নিজৰ পুৰণা গাঁৱলৈ ঘূৰি আহে। পেহাক লেকিৰ মৃতদেহৰ সৎকাৰ কৰে। গুইচেংমু আৰু দ্যাৰগেৰ আঁকৰী জীয়েকৰ সকলো দায়িত্ব লৈ আনে চাংগেই তাইক শিক্ষিত কৰি তোলে। জীৱনৰ শেষ কালত আনে চাংগেই নিজৰ মৃত্যুৰ পাছত তেওঁৰ মৃতদেহৰ সৎকাৰৰ ভাৰ দ্যাৰগেৰ ওপৰতেই দি যায়। এই এনে চাংগেৰ মৃত্যুৰ সময়ত দ্যাৰগেৰ মনৰ বেদনাৰ চিত্ৰ ঔপন্যাসিকে খুব সুন্দৰভাৱে চিত্ৰিত কৰিছে। এইজনী ৰিজোম্ম, যাৰ স্মৃতিয়ে দ্যাৰগেক প্ৰতিপল জীয়াই ৰাখিছিল, সেইগৰাকী নাৰীৰ শৰ কাটিবলগীয়া হোৱাটো কিমান বেদনাদায়ক সেই কথা দ্যাৰগেৰ বাহিৰে আন কোনেও অনুভৱ কৰিব নোৱাৰে। উপন্যাসখনত দ্যাৰগেৰ যন্ত্ৰণাদগ্ধ হৃদয়ৰ অবুজ মনোভাৱৰ বৰ্ণনা আগবঢ়ায় লেখকে কৈছে - "দাখন দাঙি লোৱাৰ লগে লগে তাৰ হাতখন কঁপি উঠিল। সি পুনৰ ওপৰলৈ মুখ কৰি পৰি থকা ৰিচিন জোম্ফা ওৰফে ৰিজোম্ম ওৰফে আনে চাংগে লোৱলজোমৰ শান্ত, সমাহিত, নিস্তেজ চেহেৰাটোলৈ চাই পঠিয়ালে। চেহেৰাটো

দেখাৰ লগে লগে এক গভীৰ নিৰাশাৰ ভাৰে তাৰ দেহ-মন আগুৰি ধৰিলে। যিজনী মানুহক সি আজীৱন ভাল পাই আহিছে, সেই মানুহজনীৰ সুন্দৰ শৰীৰটো তাৰ দাৰ দ্বাৰা কাটি টুকুৰা টুকুৰ কৰি বীভৎস কৰি পেলাব, কথাটো তাৰ সহ্যৰ সীমাৰ বাহিৰত যেন লগিল।" (শৰ কটা মানুহ, পৃষ্ঠা, ২৩১)

তথাপিও দেখা যায় যে ৰিজোম্মাৰ অনুৰোধ ৰক্ষা কৰিয়েই অৱশেষত দ্যাৰগেই অন্তৰৰ ভালপোৱাবোৰ উজাৰি উজাৰি বৰ মৰমেৰে আৰু অতি সাৱধানেৰে ৰিজোম্মাৰ শৰ কাটিছে। যিটো সাধাৰণতে দ্যাৰগেৰ অন্য শৰ কাটোতে পৰিলক্ষিত নহয়। তদুপৰি নাকটীয়ভাৱে উপন্যাসখনৰ পৰিণতিত ৰিজোম্মাৰ ছিন্ন শিৰ হাতত লৈ টাৰাংচু নদীৰ কোবাল সোঁতত দ্যাৰগেও উটি গৈছে।

**উপসংহাৰ ঃ**

য়েছে দৰজে ঠংছিৰ 'শৰ কটা মানুহ' শীৰ্ষক উপন্যাসখনৰ মাজেৰে তেখেতৰ ব্যতিক্ৰমী দৃষ্টিভংগীৰ মৃত ব্যক্তিৰ শৰ এশ আঠ টুকুৰাকৈ কাটি নদীত উটুৱাই আত্মাৰ নিৰ্বাণৰ পথ প্ৰশস্ত কৰা এজন সাধাৰণ থাম্পাৰ শাৰীৰিক-মানসিক বিপৰ্যয়ৰ ছবিখন এক ব্যৰ্থ প্ৰেম কাহিনীৰ জৰিয়তে অত্যন্ত বাস্তৱসন্মত ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। তেনে কৰিবলৈ যাওঁতে আনুসংগিকভাৱে উপন্যাসৰ কাহিনীত ভূমুকি মৰা সমসাময়িক ঐতিহাসিক ঘটনাৰাজিৰো বিশ্বাসযোগ্য উপস্থাপনে উপন্যাসখনক অনন্য মাত্ৰা প্ৰদান কৰি সাধাৰণ পাঠকৰ প্ৰিয় কৰি তুলিছে। উল্লেখযোগ্য যে উপন্যাসখনত দ্যাৰগেৰ আন্তৰিক প্ৰেম ঈশ্বৰীয় প্ৰেমলৈ পৰ্যবেসিত হৈছে। সমান্তৰালকৈ সচেতনভাৱে অৰুণাচল প্ৰদেশৰ মনপা জনজাতিৰ ৰীতি-নীতি, বিশ্বাস-অবিশ্বাস আদিৰ উল্লেখে উপন্যাসখনক ব্যতিক্ৰমী ৰূপে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। নিঃসন্দেহে ঠংচিৰ সমগ্ৰ ৰচনাৰাজিৰ ভিতৰতে 'শৰ কটা মানুহ' তেখেতৰ অন্যতম সাৰ্থক সৃষ্টি। ❑


**গ্ৰন্থপঞ্জী ঃ**

১। ঠাংচি, দৰজে-শৰ কটা মানুহ, চতুৰ্থ প্ৰকাশ, এপ্ৰিল ২০১১।

২। গগৈ প্ৰফুল্ল, শইকীয়া চিত্ৰজিত (সম্পাদনা) জনজাতীয় মূলৰ অসমীয়া ঔপন্যাসিকৰ উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ।

৩। বড়ো, ধীৰেন - জনজাতীয় পটভূমিত ৰচিত অসমীয়া উপন্যাস।



**সোণসেৰীয়া কথা ...**

**টমাছ মান ঃ**

- কোনোবাই যদি নিজকে খৰচি মাৰি পৰীক্ষা কৰে, তেন্তে সেইটোৱেই হ'ব পৰিৱৰ্তনৰ অভিমুখে প্ৰথম পদক্ষেপ।
- নিজকে ভালকৈ জনা মানুহে কেতিয়াও আনৰ নিচিনা হৈ থাকিব নোৱাৰে।

**আব্ৰাহম লিংকন ঃ**

- স্বীকাৰ কৰাত মোৰ লজ্জা নাই যে অন্য কোনো দৰিদ্ৰ লোকৰ সন্তানৰ দ'ৰেই মোৰ শৈশৱ আৰু কৈশোৰৰ সময়ছোৱা পাৰ হৈছে। কেতিয়াবা মই মজদুৰৰ কাম কৰিছো, কেতিয়াবা কাঠফলা কাম, কেতিয়াবা আকৌ মালবাহী নাৱৰ নাৱৰীয়াৰ কাম। .....অতীত যিয়েই নহওঁক লাগি থকাৰ শক্তি থাকিলে মানুহৰ ভৱিষ্যত সুন্দৰ হৈ উঠে।




# একবিংশ শতিকাৰ প্ৰথম দশকত প্ৰকাশিত মণিকুন্তলা ভট্টাচাৰ্য 'বৰদোৱানী' উপন্যাসৰ এটি আলোচনা

• ইৰাণী দত্ত

**প্ৰস্তাৱনা ঃ**

নৱ প্ৰজন্মৰ এগৰাকী প্ৰতিভাশালী ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যৰ ২০০৬ চনত প্ৰকাশিকত এখন উল্লেখযোগ্য উপন্যাস হ'ল 'বৰদোৱানী'। ২০০৫ চনৰ সাদিনৰ বসন্ত সম্ভাৰত কাহিনীটো চমুকৈ প্ৰকাশ পাইছিল। পিছলৈ দূৰদৰ্শনত ধাৰাবাহিকভাৱে প্ৰচাৰ কৰাৰ উদ্দেশ্যে মণিকুন্তলা ভট্টাচাৰ্যই ইয়াৰ চিত্ৰনাট্য লিখে। এই আলোচনা পত্ৰত 'বৰদোৱানী' উপন্যাসখনৰ বিষয়সাৰৰ লগতে চৰিত্ৰসমূহৰো অধ্যয়ন কৰিবলৈ চেষ্টা কৰা হৈছে। বিষয়সাৰৰ অধ্যয়নৰ লগত আনুষংগিকভাৱে আহি পৰা অন্যান্য বিষয়সমূহৰো বিশ্লেষণৰ যোগেদি মূল সূত্ৰৰ অনুসন্ধান কৰিবলৈ যত্ন কৰা হৈছে।

**আলোচনা পদ্ধতি ঃ**

আলোচনা পত্ৰখনত উপন্যাসখনৰ বিষয়সাৰৰ অধ্যয়নৰ বাবে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**আলোচনাৰ পৰিসৰ ঃ**

আলোচনা পত্ৰখনত 'বৰদোৱানী উপন্যাসত প্ৰতিফলিত হোৱা নাৰীৰ সামাজিক স্থান বিশেষকৈ অসমীয়া গ্ৰাম্য সমাজ জীৱনত নাৰীৰ গুৰুত্ব, গতিশীল সময়ৰ সোঁতত নৱ প্ৰজন্মৰ অস্থিৰতা, সহজ-সৰল গাঁৱলীয়া জীৱন আদি ভালেমান দিশ স্পষ্টকৈ ফুঁটি উঠিছে যদিও এই আলোচনাত উপন্যাসৰ বিষয়সাৰৰ অধ্যয়নতেই আলোচনা সীমিত। অৱশ্যে প্ৰয়োজন সাপেক্ষে মূল চৰিত্ৰসমূহৰ মনস্তাত্বিক দিশ, গ্ৰাম্য জীৱনৰ সামাজিক আৰু সাংস্কৃতিক দিশসমূহ চালি-জাৰি আলোচনাৰ ভিতৰুৱা কৰা হৈছে।

**উপন্যাসৰ উৎস অনুসন্ধান ঃ**

উপন্যাসৰ উৎস অনুসন্ধানৰ দিশে চাবলৈ গ'লে ঔপন্যাসিকো মণিকুন্তলা ভট্টাচাৰ্যই 'বৰদোৱানী' উপন্যাসৰ পাতনিত উল্লেখ কৰিছে যে, "পঢ়াশালি বন্ধ হ'লেই মই নগাঁও জিলাৰ ধিঙলৈ ঢাপলি মেলিছিলো। সেয়াই আছিল এই জীৱনত মই লাভ কৰা গাঁৱৰ পৰিৱেশ। এদিন এঘৰৰ আগবাৰাণ্ডাত আৰামী চকীত বহি চোতালৰ মানুহ এহালৰ গোচৰ শুনি আছিল ককাদেউতাই। সেই মানুহহালৰ পৰস্পৰৰ প্ৰতি অভিযোগ আছিল। তেওঁলোক আছিল স্বামী-স্ত্ৰী। বৰদোৱানী আৰু পুণ্যধৰ। অন্য এদিনৰ কথা। এঘৰৰ বৰঘৰৰ বাৰাণ্ডাত হাতলভঙা দীঘলীয়া বেঞ্চিত অন্য এক নাৰীৰ কাষত নিবীড়ভাৱে বহি আছিল পুণ্যধৰ। কাষত আছিল তেওঁৰ অন্য এক স্ত্ৰী ৰেণুমাই।"[১]

উক্ত কথাখিনিৰ দ্বাৰা বুজিব পাৰি যে উপন্যাসখনৰ মূল উৎস ঔপন্যাসিকাৰ জীৱনৰ অভিজ্ঞতাৰ লগত জড়িত হৈ আছে। ঔপন্যাসিকা মণিকুন্তলা ভট্টাচাৰ্যই চাক্ষুস অভিজ্ঞতা তথা শৈশৱৰ গ্ৰাম্য স্মৃতি বুকুত বান্ধি উপন্যাসৰ কাহিনীক এক মনোৰম ৰূপ প্ৰদান কৰিছে। নগাঁও জিলাৰ ধিং অঞ্চলৰ এজন গণ-মান্য ব্যক্তি হৈছে ঔপন্যাসিকৰ ককাদেউতাক। শৈশৱত স্কুলীয়া ছুটী কটাবলৈ যাওঁতে ঔপন্যাসিকা পৰিচয় হয় বৰদোৱানীৰ জীৱনৰ লগত, গ্ৰাম্য সমাজৰ ৰীতি-নীতিৰ লগত। মণিকুন্তলা ভট্টাচাৰ্যই অমসীয়া গ্ৰাম্য সমাজৰ সুন্দৰ বৰ্ণনা 'বৰদোৱানী' উপন্যাসত প্ৰতিফলিত কৰিছে।

এটা ব্যক্তিগত সংবাদ মাধ্যমৰ যোগেদি হোৱা ঔপন্যাসিকাৰ লগত সাক্ষাৎকাৰৰ উল্লেখ কৰা হ'ল - "বৰদোৱানীৰ ব্যক্তিত্বই মোক সন্মোহিত কৰি তুলিছিল, তেখেতৰ জ্ঞান-বুদ্ধি, বৰদোৱা সত্ৰৰ সংস্কাৰে তেখেতৰ স-ব্যক্তিত্বত অফুৰন্ত অমৃত ঢালিছিল। বৰদোৱানীৰ নিৰ্মম জীৱনৰ লগত যদিও

মই সাক্ষাৎ তথাপিও মই মোৰ মানসিক সত্তাৰে উপন্যাসখনত কাল্পনিকভাৱেও চৰিত্ৰটি উপস্থাপন কৰিবলৈ চেষ্টা কৰিছোঁ।"[২]

উক্ত কথাখিনিৰ দ্বাৰা গম পোৱা যায় যে শৈশৱতে দেখা এটা বাস্তৱ নাৰী চৰিত্ৰই ঔপন্যাসিকৰ মনোজগতত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। সেয়ে তেখেতৰ উপন্যাসখন লিখাৰ উৎসাহ পৰ্যায়ক্ৰমে বাঢ়ি গৈ থাকিল। 'বৰদোৱানী' উপন্যাসখনৰ চৰিত্ৰসমূহ বাস্তৱিক যদিও ইয়াৰ কাহিনী প্ৰায় কাল্পনিক বুলিয়ে ক'ব পাৰি। কিয়নো ঔপন্যাসিকে এনেদৰে লিখিছে যে - "... এনেকুৱা উত্থান-পতন ঘটিবলৈ আৰম্ভ কৰিলে সেই ঘৰখনত...। কিন্তু সেই কাহিনী মই লিখা নাই। এজন পুৰুষে দুগৰাকী স্ত্ৰীৰ পাণি গ্ৰহণ কৰাৰ ফলত কি ৰূপ ধাৰণ কৰিব পাৰে এখন ঘৰে, সেয়াহে লিখিছোঁ। লিখিছোঁ শৈশৱতে মই তিল তিলকৈ হেঁপাহ পলুৱাই উশাহত উজোৱা এখন গাঁৱৰ নিৰ্যাসৰ বৰ্ণনা। স্মৰণ কৰি লিখিছোঁ মাত কথাবোৰ, বৰদোৱানীৰ ঘৰৰ কোঠা, চোতালবাৰী আৰু তেওঁলোকৰ খোজৰ ভংগী অথবা পোছাক-পৰিচ্ছদৰ কথা।"[৩]

এই কথাখিনিৰ পৰা স্পষ্ট হৈ পৰে যে 'বৰদোৱানী' উপন্যাসখন অৰ্ধবাস্তৱিক আৰু অৰ্ধকাল্পনিক। ঔপন্যাসিকাৰ চাক্ষুস অভিজ্ঞতাক সৰল ৰূপ দি ঔপন্যাসিকো নাৰীমনৰ জাগ্ৰত অনুভূতিৰ নান্দনিক সৃষ্টিয়েই উপন্যাসৰ মূল উৎস বুলি ঘাইকৈ ক'ব পাৰি।

**উপন্যাসৰ মূল কাহিনী ঃ**

'বৰদোৱানী হৈছে এখন গ্ৰাম্য সমাজৰ লগত জড়িত নাৰীকেন্দ্ৰিক উপন্যাস। এগৰাকী বন্ধ্যা নাৰীৰ কৰুণ জীৱন, অব্যক্ত বেদনা-অভিমান আৰু ত্যাগক উপলক্ষ্য কৰি উপন্যাসৰ কাহিনীভাগ আগবাঢ়ি গৈছে।

ন গৰাকীকৈ জীয়ৰীৰ মাজত পুণ্যধন একমাত্ৰ পুত্ৰ সন্তান। পুণ্যধৰৰ মাকে পুণ্যধৰৰ সংসাৰ আৰু বংশৰ অগ্ৰগতিৰ বাবে হেঁপাহেৰে বৰদোৱাৰ জীয়াৰী 'বৰদোৱানী'ক নিজৰ বোৱাৰী কৰি ঘৰ সুমুৱায়। কিন্তু ছটাকৈ বছৰে গৰকাৰ পিছতো পুণ্যধৰৰ বিবাহিত জীৱনে কোনো সুফল পোৱা নাছিল। সেই গতিকে, বৰদোৱানীক শাহুয়েকে নানা ধৰণৰ তাবিজ, মাদলী পিন্ধাই শেষ আশাকনো পুহি ৰাখিছিল। কিন্তু নিয়তিৰ খেলা চাই-চাইয়ে পুণ্যধৰৰ মাকে ইহলীলা সম্বৰণ কৰাৰ যো-জা চলালে। মৃত্যুশয্যাত পৰি থাকোতেও বংশ ৰক্ষাৰ চিন্তাৰে একমাত্ৰ পুত্ৰৰ পৰা দ্বিতীয় বিবাহৰ প্ৰতিশ্ৰুতি লৈ পুণ্যধৰৰ মাকে বিদায় ল'লে। এফালে বৰদোৱানীৰ প্ৰতি অফুৰন্ত প্ৰেম আৰু আনফালে বংশৰ গুৰি ধৰোঁতা হিচাপে দায়িত্ব পালনৰ বেজাৰত পুণ্যধৰৰ মূৰত বোজা পৰিল। বায়েকহঁতে বাৰে বাৰে শয্যাশায়ী মাকক দিয়া প্ৰতিশ্ৰুতিৰ কথা সোঁৱৰাই দি দ্বিতীয় বিবাহ কৰোৱাৰ হেঁচাতে পুণ্যধৰৰ বৰদোৱানীৰ নিষ্পাপ মুখখন দেখি মানসিকভাৱে ভাগি পৰিছিল। কিয়নো বৰদোৱানীৰ প্ৰতি পুণ্যধৰৰ ভালপোৱা আছিল অপৰিসীম। আৰু এই সকলোবোৰৰ নীৰৱ প্ৰত্যক্ষদৰ্শী আছিল পুণ্যধৰৰ ভগ্নী লাহৰী। কাৰণ লাহৰীয়ে দেখিছিল বৰদোৱানীৰ চকুত সেই লোতক যি লোতকৰ ভাষা বৰদোৱানীয়ে কেতিয়াও কাৰো আগত ব্যক্ত কৰিব পৰা নাছিল। দিনে দিনে বাঢ়ি অহা পুণ্যধৰৰ নিচাসক্ত ৰূপ দেখি অঘৰী হৈ যোৱাৰ ভয়ত লাহৰীয়ে বৰদোৱানীক বুজাবলৈ কাকুতি-মিনতি কৰিলে। কথামতেই পুণ্যধৰে বুজিলে। সি বংশ ৰক্ষাৰ দায়িত্বত মাকক দিয়া প্ৰতিশ্ৰুতি ৰাখি 'ভাটিফালৰ'ৰ এগৰাকী লাওলোৱা দৰিদ্ৰ ঘৰৰ জীয়ৰীক দ্বিতীয় পত্নীৰূপে আনি ঘৰ সোমাৱালেহি। প্ৰথমতে পুণ্যধৰে ৰেণুমাই অৰ্থাৎ দ্বিতীয় পত্নীক পত্নীৰ মৰ্যাদা দিবলৈ কুণ্ঠাবোধ কৰিছিল। বৰদোৱানীৰ অলেখ বুজনি আৰু চেষ্টাৰ পাছত পুণ্যধৰৰ ঔৰসত ৰেণুমায়ে এটি পুত্ৰ সন্তান জন্ম দিয়ে। বৰদোৱানীৰ অযুত ত্যাগৰ ফলস্বৰূপে পুণ্যধৰৰ বংশ ৰক্ষা হয় আৰু সি বাপেকী গৌৰৱেৰে গৌৰান্বিত হোৱাৰ সুযোগ লাভ কৰে। সময় বাগৰাৰ লগে লগে বৰদোৱানীৰ হিয়াৰ আমঠু লক্ষ্যধৰ অৰ্থাৎ পুণ্যধৰ আৰু ৰেণুমাইৰ পুত্ৰ একলা-দুকলাকৈ ডাঙৰ হয়। নাতিদূৰত থকা লেতেৰী নৈৰ পাৰৰ পামলৈ বৰদোৱানীয়ে ৰেণুমাইকো পঠিয়াই দিয়ে পুণ্যধৰে তাত খোৱা-লোৱা কৰাৰ অসুবিধা হোৱাৰ অজুহাতত। কাৰণ বৰদোৱানীয়ে বুজিছিল যে, পুণ্যধৰে লক্ষ্যক দুদিন নেদেখাকৈ থাকিলেও গাঁও ওলায়হি। হয়তো, সেয়া কিছু পৰিমানে ৰেণুমাইৰ প্ৰতি উপজা 'টান' এটাও আছিল। বৰদোৱানীয়ে পুণ্যধৰক ভালকৈয়ে বুজিছিল। কিন্তু পুণ্যধৰেও বৰদোৱানীৰ অন্তৰৰ কথা বুজি পাই মাজে মাজে লক্ষ্যধৰক বৰদোৱানীৰ কাষত থয় যায়হি। কালক্ৰমে ৰেণুমাই দ্বিতীয়টো সন্তানৰ মাতৃ হয়। কান্তা নামেৰে এজনী ছোৱালী আৰু লক্ষ্যধৰ লগত ৰেণুমাই-পুণ্যধৰৰ সংসাৰ পামত ভৰি পৰিল। অকলশৰীয়া হৈ পৰিল মাথো বৰদোৱানী। চাওঁতে চাওঁতে এম.ভি পাছ কৰিল লক্ষ্যধৰে। জনা হোৱাৰে পৰা সি অৱশ্যে পামতকৈ গাঁৱতহে থাকি বেছি ভাল পায়। কিয়নো, সি তাৰ গাঁৱৰ মাকজনীক মৰমৰ আবদাৰবোৰ দিবলৈ বেছি সুবিধা পায়। বৰদোৱানীৰ জীৱনৰ লক্ষ্য লক্ষ্যধৰ হৈ পৰে। লক্ষ্যধৰৰ বাবেই যেন বৰদোৱানীয়ে পুণ্যধৰৰ মাটি-ভেঁটি অকলশৰে ৰখীয়া হ'বলৈ পাইয়ো সুখ অনুভৱ কৰে। লক্ষ্যধৰৰ বাবেই সকলোখিনি ত্যাগ কৰা বৰদোৱানীয়ে লক্ষ্যধৰৰ মাজতে জীয়াই থকাৰ সমল বিচাৰি লয়। বৰদোৱানীৰ প্ৰতি আকুল হৈ থকা পুণ্যধৰে পামৰ পৰা আহি মাজে মাজে বৰদোৱানীৰ শৰীৰৰ প্ৰতি লক্ষ্য ৰাখি ইটো-সিটো যতনাই দি যায়হি। মাজে মাজে মাকক আমনি নকৰিবলৈকো পুণ্যধৰে

লক্ষ্যধৰক সকীয়াই দিয়ে। লক্ষ্যধৰে দ্বিতীয় বিভাগত মেট্ৰিক পাছ কৰাত বৰদোৱানীৰ মন আনন্দেৰে নধৰা হৈ পৰে। লক্ষ্যধৰক লৈ বহু সপোন ৰচিবলৈ আৰম্ভ কৰে বৰদোৱানীয়ে। মেট্ৰিক পাছ কৰাৰ পাছত বৰদোৱানীৰ লগতে থাকিবলৈ লয়হি লক্ষ্যধৰে। ভৰিত বাঁহৰ চোচ সোমাই ঘাঁ হৈ থকা লক্ষ্যধৰৰ অৱস্থাটো দেখি বৰদোৱানীৰ পুণ্যধৰ আৰু ৰেণুমাইলৈ মনে-মনে খঙেই উঠিল ল'ৰাটোক আওঁকান কৰা দেখি। এদিন অজিতৰ লগত লক্ষ্যধৰে চাইকেলত উঠি ইটাখুলিৰ .......... লৈ ভৰিৰ ঘাঁ দেখুওৱাবলৈ যাওঁতে বৰদোৱানীৰ মনত সন্দেহ উপজিছিল। তাই বিতংকৈ একো নাজানি ইটাখুলিৰ তেতেলীৰ তলৰ আদ্দাত গাঁৱৰ আন ডেকামখাৰ দৰে লক্ষ্যধৰো বহিছেগৈ বুলি কৰা সন্দেহৰ ফলত লক্ষ্যক মাতৃত্বৰ শাসনেৰে কলাফুল চিৰাচিৰ কৰি দিলে। পিছলৈ যেনিবা সত্যটো জানি বৰদোৱানী বৰকৈ অনুতাপত দ্বগ্ধ হৈ পৰে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈকে পুণ্যধৰে লক্ষ্যক পামলৈ লৈ যায়। ৰেণুমায়ে লক্ষ্যৰ অৱস্থা দেখি বৰদোৱানীক সতিনীৰ দৃষ্টিৰে চাই ভুল বুজে। পুণ্যধৰে এদিন ভালকৈ বুজাই দিয়াত ৰেণমাইৰ বৰদোৱানীৰ মাতৃত্ব আৰু লক্ষ্যধৰৰ প্ৰতি থকা স্নেহৰ ওচৰত নিজেই লজ্জিত অনুভৱ কৰে। লক্ষ্যধৰে পামৰ পৰা উভতি যোৱাত বৰদোৱানীৰ মন নাচি উঠে পুনৰ। বৰদোৱানীৰ ভগ্নী পৰিপ্ৰভা যিহেতু বৰদোৱানীৰ লগতেই থাকেহি সেই গতিকে হৰিপ্ৰভাই এৰী-পলু পোহা, ছাগলী পোহা আদি কামবোৰ কৰি বায়েকৰ ঘৰত ব্যস্ত থাকে। হৰিপ্ৰভাৰ ছাগলীজনী হেৰুৱাৰ ভালেমান দিন হয়। হৰিপ্ৰভাই বহুত চেষ্টা কৰিও বিচাৰি নাপায়। এদিন বৰদোৱানীৰ পদূলীয়ে পাৰ হৈ যোৱা এজাক উদণ্ড ডেকাৰ তাচ্ছিল্য উফৰি আহে মাজৰাতি। লক্ষ্যধৰৰ সহ্য নহয়। সি প্ৰতিশোধৰ ইচ্ছাৰে পদূলী পাইগৈ। এয়াই আছিল আৰম্ভণি। লক্ষ্যধৰৰ এটা প্ৰতিশোধৰ তাড়নাই গা কৰি থাকে মাজে মাজে। তাৰ মৰমৰ মাকজনীক এনেকৈ উপহাস কৰাটো সি সমূলি সহিব নোৱাৰে। হঠাৎ লক্ষ্যধৰে উদ্ধাৰ কৰে এটা গোপন সত্য। সি সত্য বৰদোৱানীয়ে কিছুদিনৰ আগতে উদ্‌ঘাটন কৰি লুকুৱাই ৰাখিছিল। সি মাকৰ সৈতে সিহঁতৰ বাৰীৰ চকুত পুতি থোৱা সেই বন্দুক-বাৰুদখিনি দেখি আচৰিত হৈছিল যদিও য'ৰ বস্তু তাতেই থৈ আহিল। হঠাৎ এদিন লক্ষ্যধৰ আৰু অজিতক বাৰুকৈয়ে মাৰ-ধৰ কৰিলে কেইটামান উদণ্ড ডেকাই। বৰদোৱানীৰ হৃদয় ঠান-বান হৈ পৰিছিল লক্ষ্যধৰৰ গাৰ তেজ দেখি। লক্ষ্যধৰ চিভিলৰ পৰা আহিলত সকলো থানঠিত লাগিছিল। পুণ্যধৰো পামৰ পৰা পাইছিলহি। কিন্তু লক্ষ্যধৰৰ মন-মগজুত চলি থকা প্ৰতিশোধৰ ধুমুহাজাকে পুণ্যধৰ বৰদোৱানীহঁতৰ জীৱনলৈ কাল অমানিশা নমাই আনিলে। অদুৰদৰ্শিতাৰ ফলত লক্ষ্যধৰে কৰি পেলাইছিল আটাইতকৈ ডাঙৰ ভুলটো। ডকাইত মখাই পুতি থৈ যোৱা বন্দুক-বাৰুদৰ টোপোলাটো লক্ষ্যই লৈ আনিছিল আৰু ডকাইত মখাই নিৰ্দিষ্ট টোপোলাটো নমাই পুণ্যধৰক নিৰ্মমভাৱে প্ৰহাৰ কৰি বৰদোৱানীৰ বুকুৰ মাজৰ পৰা লক্ষ্যধৰ লৈ গুচি যায়। প্ৰায় দুদিন-এৰাতিৰ ব্যৱধানত বাৰীৰ চুকত পেলায় থৈ যায় এটা বস্তা আৰু সেই বস্তাতেই আছিল নিঠৰ দেহ এটা। সেয়াই লক্ষ্যধৰ। বৰদোনাৰীৰ সপোনটো। সকলো শূণ্য হৈ পৰে। পুণ্যধৰ নৰীয়াত পৰি দুয়োটা বৃক্ক বিকল হৈ বিদায় লয় বৰদোৱানীহঁতৰ মাজৰ পৰা। লক্ষ্যধৰৰ আকস্মিক মৃত্যুত ৰেণুমাইৰ মগজুৰ বিকৃতি ঘটে। পুণ্যধৰৰ ভেঁটিৰ পৰা বৰদোৱানী গুচি আহে পামলৈ। পামত ৰেণুমাইক চোৱাচিতা কৰে আৰু কান্তাৰ মাজেৰেই পুনৰ তাই সপোনবোৰ দেখিবলৈ আৰম্ভ কৰে। জীৱনৰ সকলোবোৰ ত্যাগ কৰিও এটা বিৰাট শূণ্যৰ পিছতো বৰদোৱানীয়ে দায়িত্ব আৰু সপোন দেখাৰ পৰা বিৰত থকা নাই। কাহিনী ইমানতেই অন্ত পৰে।

**বিষয়সাৰৰ অধ্যয়ন ঃ**

উপন্যাসৰ কাহিনী অধ্যয়ন বা বিশ্লেষণ কৰিলে দেখা যায় যে অসমীয়া জীৱনৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক মূল্যবোধক গুৰুত্ব প্ৰদান কৰাটোৱে হৈছে উপন্যাসৰ বিষয়সাৰৰ মূলবস্তু। বৰদোৱাৰ জীয়ৰী বৰদোৱানীয়ে স্বামীগৃহত আহি কেৱল মাথো সন্তান জন্ম দিব নোৱাৰাৰ বাবেই সন্মুখীন হ'বলগীয়া মানসিক অন্তৰ্দ্বন্দতা আৰু স্বামীৰ প্ৰতি থকা নিজ পত্নী অধিকাৰো নীৰৱে আনৰ হাতত গতাই দি সকলো আৱেগ ত্যাগ কৰিও বিনিময়ত এটা কৰুণ সমাপ্তিয়েই 'বৰদোৱানী' উপন্যাসৰ মূল বিষয়সাৰ। ঔপন্যাসিকে নিজা মনোজগতৰ কাল্পনিক ৰহন সানি নাৰী মনৰ ক্ষোভ, নীৰৱ প্ৰতিবাদ, সমাজত নাৰীৰ স্বৰূপ, স্বাৰ্থহীনভাৱে কৰা ত্যাগৰ সুন্দৰ বৰ্ণনাৰে বিষয়সাৰৰ মূল কেন্দ্ৰবিন্দু কৰাৰ প্ৰয়াস কৰিছে। এখন সহজ-সৰল গাঁৱলীয়া চিত্ৰও উপন্যাসৰ বিষয়সাৰত সুন্দৰকৈ সমৃদ্ধ হৈ আছে। অসমীয়া সমাজ-সংস্কৃতি, ৰীতি-নীতি আৰু গাঁৱলীয়া সমাজত নাৰীৰ স্থান ক'ত, এগৰাকী নাৰী যে সন্তান জন্ম দিয়া আৰু গৃহস্থী চন্তালাৰ বাহিৰে সকলো আৱেগ-অনুভূতি নিজৰ মাজতেই লুকুৱাই ৰাখিব লাগে, সেই দিশসমূহ প্ৰতিফলিত কৰাই উপন্যাসৰ বিষয়সাৰৰ মূল উদ্দেশ্য। লগতে সহজ-সৰল গাঁৱলীয়া পৰিৱেশ, মাত-কথা, লোকাচাৰ আদিয়ে উপন্যাসৰ বিষয়সাৰত অধিক ইন্ধন যোগাইছে।

**উপন্যাসৰ চৰিত্ৰ চিত্ৰণ ঃ**

'বৰদোৱানী' উপন্যাসৰ কাহিনী ভাগত অনেক চৰিত্ৰৰ সমাৱেশ ঘটিছে যদিও মুখ্য বা প্ৰধান চৰিত্ৰটি হৈছে বৰদোৱানী। আৰু বৰদোৱানী চৰিত্ৰটোৰ বিপৰীতে পুণ্যধৰ আনটো চৰিত্ৰ। বৰদোৱানী আৰু পুণ্যধৰৰ মাজলৈ অহা এটা চৰিত্ৰ হৈছে ৰেণুমাই। বৰদোৱানী, পুণ্যধৰ আৰু ৰেণুমাই এই তিনিওটা চৰিত্ৰৰ লগতে তেওঁলোকৰ পুত্ৰ লক্ষ্যধৰ এটা

গুৰুত্বপূৰ্ণ চৰিত্ৰ।

**বৰদোৱানী চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ ঃ**

প্ৰত্যেক মানুহৰ মনৰ ভিতৰত এখন সমবেদনাৰ নদী বৈ থাকে। সেই সমবেদনাৰ নদীখন সকলোৰে বাবে সমবিদিত নহয়। সমবিদিত হয় তেওঁৰ কাৰণে, যিজনে প্ৰাপ্যৰ পৰা বঞ্চিত হয়, বঞ্চিত হয় অধিকাৰৰ পৰা। যাৰ ভাগ্যত স্নেহ আছে সেই স্নেহ তেওঁৰ পৰা আজুৰি লৈ যোৱা হৈছে। যাৰ ভাগ্যত সন্তান আছে, সেই সন্তান তেওঁৰ পৰা আজুৰি লৈ যোৱা হৈছে। এই সকলোবোৰৰ পৰা বঞ্চিত বৰদোৱানীয়ে কিন্তু নিজ কৰ্তব্যৰ পৰা কেতিয়াও আঁতৰি অহা নাই। বৰদোৱানী হ'ল 'বৰদোৱানী' উপন্যাসৰ এটা বলিষ্ঠ চৰিত্ৰ। উপন্যাসৰ মূল নায়িকা বৰদোৱাৰ জীয়ৰী হোৱা বাবেই উপন্যাসখনৰ আদিৰ পৰা অন্তলৈকে 'বৰদোৱানী' বুলিয়েই উল্লেখ আছে। বৰদোৱানী কেৱল পত্নীয়েই নহয়, বৰদোৱানী পুণ্যধৰৰ প্ৰাণপুতলী, হিয়াৰ আমঠু, আজন্ম প্ৰেমিকা। বৰদোৱানী হৈছে পুণ্যধৰৰ প্ৰেৰণা, পুণ্যধৰৰ অন্ধকাৰ নিশাৰ জোনাকৰ নিৰ্মল বৰষুণ।

বৰদোৱাৰ ককায়েক-বৌৱেকৰ প্ৰচ্ছায়াত ডাঙৰ-দীঘল হোৱা বৰদোৱানীয়ে পুণ্যধৰৰ লগত নৱ জীৱনৰ পাতনি মেলে। পুণ্যধৰৰ আদৰ-মৰমবোৰে কেতিয়ানো পুণ্যধৰটোক তাইৰ একান্তই আপোন কৰি পেলালে তাই গমেই নাপালে। স্বামী-সেৱা আৰু স্বামী গৃহ চম্ভালি থাকোতেই বৰদোৱানী আৰু পুণ্যধৰৰ বৈবাহিক জীৱনে ছটাকৈ বছৰ গৰকিলে। এই ছবছৰে সন্তান-সন্ততিৰ মুখ নেদেখা বৰদোৱানীয়ে শাহুয়েকৰ কথামতেই বেজৰ পৰা অনা তবিজ, মাদলী আদি সোপাকে ওলমাইছিল। কিন্তু সেইবোৰে একো ফল নধৰিল। চাওঁতে চাওঁতে তাই মানুহবোৰৰ আগত অপ্ৰয়োজনীয় বস্তুৰ দৰে হৈ পৰিল পুণ্যধৰৰ বাদে। শাহুয়েকে চকু মুদাৰ আগেয়ে বংশ ৰক্ষাৰ চিন্তা, পুণ্যধৰৰ পৰা সেই প্ৰতিশ্ৰুতি ল'লে ঠিকেই, শাহুয়েকহঁতে ভায়েকৰ বংশ ৰক্ষাৰ কথা চিন্তি অন্য এজনী ঘৰ সোমোৱাৰ কথা দাবী কৰিছে ঠিকেই কিন্তু এই ঘৰখনত তাইৰ স্থান ক'ত থাকিল তেন্তে ..... (!) আছেনে তাইৰ মাত মতাৰ অধিকাৰ ?... (!) আছেনে বাৰু তাইৰ আপোনা মানুহটোৰ ওপৰত সম্পূৰ্ণ অধিকাৰ। নাই, তাইৰ সেই অধিকাৰ, তাইৰ সেই স্থান নাই; এই সমাজৰ মতে। কাৰণ বৰদোৱানীৰ সন্তান জন্ম দিয়া ক্ষমতা নাই যেতিয়া এই স্বামীৰ ওপৰত তাইৰ অধিকাৰো নাই। হয়, বৰদোৱানীয়ে সেই বুলিয়ে মানি ল'বলৈ বাধ্য হৈছে। বৰদোৱানীয়ে পুণ্যধৰক দ্বিতীয় বিবাহলৈ মান্তি কৰাবই লাগিব। নহ'লে যে এই আপোনাভোলা মানুহ মখাই তাইক ডাইনী বুলিছে, পুণ্যধৰক আচলেৰে বান্ধি ৰখা বুলিছে। বৰদোৱানীয়ে এনে হ'ব দিব নোৱাৰে। শাহুৱেকৰ অন্তিম ইচ্ছা পূৰ্ণ হ'ল। অৱশেষত পুণ্যধৰে দ্বিতীয় বিবাহ কৰালে। বৰদোৱানীৰ হৃদয় সংগোপনে চলি আছিল বিবেক আৰু মনৰ তয়াময়া যুঁজ। পোৱা-নোপোৱাৰ বেদনাত আত্মজাহ গৈছিল বৰদোৱানীৰ ভিতৰৰ মানুহজনী। এই কথা কিন্তু তাই পুণ্যধৰকো জানিবলৈ দিয়া নাছিল। পাৰোতেনো মানুহটোৰ এই অৱস্থা হয়; পুণ্যধৰক তাই বুজি পাইছে। সিও বহুত কষ্টত কটাইছে। পুণ্যধৰে পিতৃসুখকণ পাওঁক বুলিয়ে, তাইৰ একান্ত আপোন পুণ্যধৰটোৰ বংশৰক্ষা হওঁক বুলিয়েই বৰদোৱানীয়েই তাইৰ সমস্ত অধিকাৰ ত্যাগ দিছে। বৰদোৱানীয়ে এগৰাকী পত্নীয়ে অন্য এজনী নাৰীৰ কাষলৈ নিজ স্বামীক ঠেলি পঠিওৱা বুলি নহয়, এগৰাকী সাধাৰণ নাৰীয়ে অন্য এজনী নাৰীৰ বেথা বুজি ফুলশয্যা নিশা ৰেণুমাইক অকলশৰে এৰি যোৱা পুণ্যধৰক বুজনি দিছে। পুণ্যধৰক পতিধৰ্ম পালন কৰিবলৈ ৰেণুমাইৰ ওচৰলৈ যাবলৈ বাধ্য কৰাইছে। যদিও বৰদোৱানীৰ আত্মসন্মানবোধ বেছি, এগৰাকী নাৰী হিচাপে অন্য নাৰীৰ প্ৰতি কিছু পৰিমানে ঈৰ্ষা থকাতো স্বাভাৱিক। যি ঈৰ্ষাবোধ বৰদোৱানীৰ মনত মাজে মাজে জাগি উঠিছিল। কাৰণ যিখিনি তাই দিব পৰা নাই; সেইখিনি এতিয়া ৰেণুমায়ে পুণ্যধৰক দি সম্পূৰ্ণ কৰিব। এই কথাৰ উমান পোৱা যায়, যেতিয়া ৰেণুমায়ে দ্বিতীয়বাৰ গৰ্ভৱতী হোৱাৰ কথা বৰদোৱানীক কৈছিল,".... মোৰ গাত লেঠা বাইদেউ।

জোকাৰ খাই উঠিল বৰদোৱানী। সিৰিক্‌কৈ মাৰিল গাটো।"[৪] নতুবা পুণ্যধৰে বিবাহৰ কিছুদিনৰ পিছতে ৰেণুমাইৰ কথা সোধোতে, "তাই গা-ভাৰী হ'লনে বাৰু? বৰদোৱানী বৈ গ'ল। ধোৱাৰ দৰে ঈৰ্ষা এটাই মস্তিষ্কক পাগ মাৰি উঠিল যেন।"[৫]

বৰদোৱানীয়ে জীৱনৰ প্ৰতিটো মুহূৰ্ত্ত মানসিক যন্ত্ৰণাৰেই পাৰ কৰা দেখা গৈছে। তাৰ মাজতে পুণ্যধৰৰ প্ৰতি থকা অভিমানবোৰ তাই অনিচ্ছাকৃতভাৱে হ'লেও ব্যক্ত কৰিছে। বৰদোৱানীয়ে নিজৰ স্বাভিমান ৰেণুৰ আগত কেতিয়াও তল পৰি দিয়া নাই। সমাজৰ আগত বৰদোৱানী যদিও বন্ধ্যা নাৰী তথাপিও বৰদোৱানীৰ মমতাপূৰ্ণ এখন হৃদয়। যি হৃদয়ে সতিনী পুত্ৰ বুলি নাভাৱি লক্ষ্যধৰ আৰু কান্তাক মাতৃত্বৰ মৰমেৰে উপচাই পেলাইছে। লক্ষ্যধৰক কেন্দ্ৰ কৰিয়েই বৰদোৱানীৰ জীৱন। বৰদোৱানীৰ অতৃপ্ত মাতৃ হৃদয়ক লক্ষ্যধৰে তৃপ্ত কৰিছে। লক্ষ্যধৰৰ প্ৰতি থকা গধুৰ মাতৃত্বৰ দায়িত্বত বৰদোৱানী গহীন হৈ উঠিছে। সেয়ে বৰদোৱানীয়েও নিবিচাৰে প্ৰত্যেক মাতৃৰ দৰে যে তাইৰ পুত্ৰ অবাটে যাওঁক। শাসনৰ তাগিদাত লক্ষ্যধৰক কোবাই বৰদোৱানীৰ বুকু চিৰাচিৰ হয়। লক্ষ্যধৰৰ বাবেই বৰদোৱানী পুণ্যধৰৰ ভেঁটি-বাৰী ৰখীয়া হৈ আছে। তাইৰ হিয়াৰ আমঠুটোৰ বাবেই পুণ্যধৰকো ত্যাগ দিলে। লক্ষ্যধৰৰ বাবে সকলো কষ্ট মূৰ পাতি ল'বলৈ বৰদোৱানী প্ৰস্তুত। মাজে মাজে বৰদোৱানীৰ অকলশৰীয়া অনুভৱ হয়। এইবংশৰ কথা ভাবি তাই নিজ বুলিবই একোৰেই ধৰি ৰখা নাই। বৰদোৱানীৰ

বুকুত সংগোপনে পাহি মেলা ফুল জীয়ৰী কালতেই তাই সযতনে কাকো নজনোৱাকৈ সাঁচি ৰাখিছে। সেইপাহ ফুলেই হৈছে বকুল। স্বামী পুণ্যধৰৰ প্ৰতি তাইৰ কোনোদিনে প্ৰেম কমি যোৱা নাই। বিবাহিত পত্নীৰ ধৰ্ম নিষ্ঠাৰে পালন কৰা তাই কোনোদিন পুণ্যধৰক অৱহেলা কৰা নাই। কিন্তু গাভৰুকালৰ অপ্ৰকাশিত প্ৰেমৰ বীজ অকনো মলিন হ'বলৈ নিদিয়াকৈ তাই জীয়াই ৰাখিছে স্মৃতিৰ মণিকোঠাত অতি পৱিত্ৰভাৱে। সংগোপনে অৰ্ন্তজগতত বকুলৰ অবাধ বিচৰণে তাইক ব্যথিত কৰে, অতীতলৈ লৈ যায়। বকুলে আত্মহত্যাৰ মাজেৰে যেন বৰদোৱানীৰ হৃদয়ত নিগাজিকৈ স্থান দখল কৰে। বৰদোৱানীৰ ব্যক্তিত্ব হৈছে বলিষ্ঠ। বৰদোৱানীৰ বিভিন্ন গুণে বৰদোৱানীৰ ব্যক্তিত্বত ৰহন সানিছে। মাতৃত্বই প্ৰথমে প্ৰাধান্য লাভ কৰিছে বৰদোৱানীৰ ব্যক্তিত্বত। পত্নী ধৰ্ম আৰু মাতৃত্বৰ দায়িত্বৰে বৰদোৱানী ব্যস্ত। আপোন মানুহজনৰ ঠাইৰ জুৰোৱা লক্ষ্যধৰেই তাইৰ বুকুৰ ধন। লক্ষ্যৰ সোণালী ভৱিষ্যতৰ কথা ভাবি বহুবাৰ দিনতেই সপোন ৰচিছে। উদণ্ড ডেকা মেখাৰ মাৰৰ কোবত লক্ষ্যৰ তেজেৰে লুতুৰী-পুতুৰী দেহা দেখি বৰদোৱানীৰ মাতৃ হৃদয়ে চিৎকাৰ কৰি উঠিছে। লক্ষ্যক নিজৰ কৰ্তব্য আৰু দায়িত্বৰ কথা বাৰে বাৰে সোঁৱৰাই বৰদোৱানীয়ে মমতাৰ আঁচলেৰে লক্ষ্যধৰক ঢাকি ৰাখিছিল। দৈৱৰ বিপাকত, লক্ষ্যধৰ নোহোৱা হৈ গ'ল। হয়, তাইৰ বুকুৰ ধনটো ডকাইত মখাই সেই বন্দুক-বাৰুদৰ টোপোলাটোৰ বাবেই বস্তাত ভৰাই পেলায় থই গ'লহি। লক্ষ্যধৰে তাইৰ অজ্ঞাতে সেইসোপা কিয় আনিছিল তাইৰ তেতিয়া ভাবিবলৈ জ্ঞান নাছিল। কাৰণ বৰদোৱানীৰ ভিতৰৰ মানুহজনী ইতিমধ্যে লক্ষ্যধৰৰ নিথৰ দেহটোৰ লগত গুছি গৈছে। বৰদোৱানীৰ সকলো ত্যাগৰ ফল লক্ষ্যধৰটোৱে আছিল। বৰদোৱানীয়ে সকলো আত্মজাহ দিয়াৰ পাছতো শেষত একোৱেই নাপালেগৈ। পুণ্যধৰৰো মৃত্যু হ'ল। পুত্ৰশোকত ৰেণুমাইজনীৰ মূৰৰ বিকৃত ঘটিল। বৰদোৱানী আৰু সেই ভেটি-মাটিৰ ৰখীয়া হৈ নাথাকি পামলৈ গুচি আহিল। ৰখীয়া হ'বই বা কাৰ বাবে! কান্তাৰ মাজেৰেই বৰদোৱানীয়ে জীয়াই থকাৰ হেঁপাহকণ কৰিবলৈ সাহ কৰিছে। সকলো শেষ হৈ যোৱাৰ পিছতো বৰদোৱানীয়ে নিজৰ দায়িত্বৰ পৰা হাত সৰা নাই। বৰদোৱানী এগৰাকী বৰদোৱা সত্ৰৰ সংস্কাৰসম্পন্ন নাৰী। বৰদোৱানীৰ আধ্যাত্মিকতা ভাৱ-যুক্তিসন্মত বিবেক-বিবেচনা, উদাৰতা, মাতৃত্বৰ মমতাময়ী হৃদয়ে বৰদোৱানী অতি চহকী নাৰী। ঈৰ্ষা বা অভিমানে বৰদোৱানীৰ স্বাভিমানত কেতিয়াও আঘাত সানিব পৰা নাছিল। জীৱনৰ প্ৰতিটো ঘাত-প্ৰতিঘাত অতি সাহসেৰে পাৰ কৰি নিজৰ দায়িত্ব পালন কৰি গৈ আছে।

**পুণ্যধৰ চৰিত্ৰৰ মনস্তাত্বিক অধ্যয়ন ঃ**

এজন সহজ-সৰল গাঁৱলীয়া কৃষক হিচাপে পুণ্যধৰৰ চৰিত্ৰটো উপন্যাসত প্ৰকাশিত হৈছে। বংশ ৰক্ষাৰ হেতুকে শয্যাশায়ী মাতৃক দিয়া প্ৰতিশ্ৰুতিত পুণ্যধৰে নিজৰ ইচ্ছাৰ বিৰুদ্ধে দ্বিতীয় বিবাহ কৰাই যদিও বৰদোৱানীয়েই তাৰ বাবে আছিল সকলো। বৰদোৱানী আছিল পুণ্যধৰৰ আজন্ম প্ৰেমিকা। সি বৰদোৱানীৰ বাহিৰে অন্য নাৰীৰ কাষলৈ যোৱাটো বাদেই অন্য নাৰীৰ কথা ভাবিবও নোৱাৰে। বৰদোৱানীৰ প্ৰতি থকা পুণ্যধৰৰ অফুৰন্ত প্ৰেম প্ৰকাশ পাইছিল এনেদৰে - "তই নেৰিবি অ' মৰি যাম মই।"[৬]

দ্বিতীয় পত্নীক পত্নীৰ মৰ্যাদা দিব নোখোজে পুণ্যধৰে। কাৰণ সি বৰদোৱানীক লৈয়ে পূৰ্ণ। ফুলশয্যাৰ নিশা পতিধৰ্ম পালন নকৰি সি মাথো ৰেণুমাইক সকিয়নি দিছিল - "ইয়াত যি যি বিচাৰা, চব পাবা। কিন্তু এই ঘৰৰ মালিকনী হ'বলৈ নেযাবা।"[৭]

বৰদোৱানীৰ প্ৰতি অন্যায় কৰিব নোৱাৰে পুণ্যই। তাৰ মৰমৰ মানুহজনীক অকলশৰীয়া কৰিব নোৱাৰে। সন্তান জন্ম দিব নোৱাৰৰ বাবে পুণ্যধৰে কেতিয়াও বৰদোৱানীক দোষাৰোপ নকৰে। সি মাত্ৰ এটা কথাই জানে যে তাৰ বৰদোৱানীক কেতিয়াও অকলশৰীয়া কৰিব নোৱাৰে। তাইৰ লগত অন্যায় হ'বলৈ দিব নোৱাৰে। কিন্তু সময়ৰ সোঁতে পুণ্যধৰক অলপ বিপৰীত দিশেহে গতি কৰালে। হঠাৎ যেন পুণ্যধৰ এক মায়ামোহত বন্দী হৈ পৰিল। সি বৰদোৱানীৰ বুজনিত অনিচ্ছাস্বত্বেও ৰেণুমাইৰ কাষ চাপিছিল ঠিকেই, লক্ষ্যধৰ জন্মৰ পাছৰে পৰা ৰেণুমাইজনীলৈ যেন তাৰ 'টান' এটা সোমাই গ'ল। সি ক্ৰমাৎ আকৃষ্ট হৈ পৰিছিল ৰেণুমাইৰ চঞ্চল যৌৱনৰ। এই কথা স্পষ্ট হৈ পৰে ৰেণুমাই পামৰ পৰা আহি থাকিলেও লক্ষ্যধৰক নেদেখি থাকিব নোৱাৰাৰ লাচতেই পুণ্যধৰ দুদিনৰ পিছতেই গাঁও ওলাইছিলহি। বৰদোৱানীয়ে সকলোবোৰ বুজিব পাৰিছিল বুলি পুণ্যধৰে গম পাইছিল। যিগৰাকী নাৰীৰ প্ৰেমত অন্ধ হৈ পুণ্যধৰে পৰনাৰীৰ কাষ নাচাপো বুলি কৈছিল সেই পুণ্যধৰেই ৰেণুমাইৰ চঞ্চলতাৰ বাবে বিয়াকুল হোৱা পৰিলক্ষিত হৈছে। পুণ্যধৰৰ বৰদোৱানীৰ প্ৰতি থকা পতিৰ দায়িত্ব কোনোদিন পাহৰি যোৱা নাছিল। ৰেণুমাইৰ লগত পামত প্ৰায় থাকি গলেও সি আৰু তাৰ মন সদায় বৰদোৱানীৰ লগতে থাকে। বৰদোৱানীৰ প্ৰতি অন্যায় কৰিছে বুলি ভাবি পুণ্যধৰে বৰদোৱানীৰ ওচৰত সদায় নিজকে দায়ী বুলি ভাবে। তথাপিও সি বৰদোৱানীৰ ওচৰত এটা বাধ্য শিশুৰ দৰে হৈ পৰে আৰু পামৰ পৰা আহি সি নানা আবদাৰ ধৰেহি। বৰদোৱানীৰ সমস্ত ত্যাগৰ বাবেই যে পিতৃসুখ লাভ কৰিলে তাকেই ভাবি পুণ্যধৰৰ বৰদোৱানী দেৱী হেন লাগে। বৰদোৱানীৰ বুকুৰ বেথা বুজি পুণ্যধৰে পামৰ পৰা থৈ যায়হি লক্ষ্যধৰক। বৰদোৱানীৰ অসুস্থ শৰীৰৰ প্ৰতিও পুণ্যধৰে সম্পূৰ্ণ লক্ষ্য ৰাখে। তাইৰ যত্ন ল'বলৈ সি ভাল পায়। তাৰ সন্তান আৰু বৰদোৱানী,

আনফালে তাৰ সন্তানৰ মাতৃ দুগৰাকী নাৰীৰ মাজৰ দোমোজাৰ সাকোঁডালত পুণ্যধৰ বগাই ইপাৰ-সিপাৰ হ'ব নোৱাৰে। বংশৰক্ষা আৰু সন্তান সুখৰ তাড়নাতেই গোটেই জীৱন নিজৰ মনৰ মানুহজনীক দূৰত ৰাখি পুণ্যধৰ যেন অসুখী। মাতৃভক্ত, পত্নীপ্ৰিয় পুণ্যধৰ। জীৱনৰ পৰা সি কি বিচাৰে সেয়া তাক সুধিবলৈ কোনেও প্ৰয়োজনবোধ কৰা নাই। সি নিৰৱচ্ছিন্নভাৱে মূৰ পাতি লৈ গৈ আছে সকলোবোৰ বোজা। কাৰণ প্ৰতিবাদ কৰাটো তাৰ বাবে অসমৰ্থ। কৰ্তব্যই তাৰ ধৰ্ম হিচাপে মানি লৈছে সি। অথচ পোৱা-নোপোৱাৰ খাতিয়নৰ জীৱন যুঁজত পৰাজিত সৈন্য পুণ্যধৰ।

**ৰেণুমাই চৰিত্ৰৰ মনস্তাত্বিক অধ্যয়ন ঃ**

'বৰদোৱানী' উপন্যাসৰ বৰদোৱানী আৰু পুণ্যধৰৰ সম্পৰ্কৰ পাকলগা আঁতডালেই হৈছে ৰেণুমাই। ৰেণুমাই দৰিদ্ৰ ঘৰৰ জীয়ৰী বাবেই কেৱল সন্তান জন্ম দিয়াৰ উদ্দেশ্যেৰেই তাইক পুণ্যধৰৰ দ্বিতীয় পত্নী কৰি অনা হৈছিল। জীৱন সংগী বচাৰ তাইৰ কোনো অধিকাৰ নাছিল কাৰণ ৰেণুমাই দৰিদ্ৰ ঘৰত জন্ম লৈছে। এজনী সতিনী থকা স্বত্বেও পৰপুৰুষক তাই আদৰি ল'বলগা হৈছে। ফুলশয্যাৰ নিশা পুণ্যধৰে তাইক এই ঘৰত স্থান তাইৰ ক'ত ঠিক আঙুলিয়াই দেখাই দিছে। এই সকলোবোৰ ৰেণুমায়ে তাইৰ কপালৰ লিখন বুলিয়েই মানি লয়। তাইৰ দৰে লাওলোৱা দৰিদ্ৰ ঘৰৰ ছোৱালী এজনীয়ে দুবেলা দুসাজ পেট ভৰাই খাবলৈ পাইছে সেয়াই তাইৰ বাবে বহুত। ৰেণমাইৰ মাকৰ ঘৰৰ অৱস্থা অতি বেয়া আছিল বৰদোৱানীৰ লগত ব্যক্তও কৰিছে বহুবাৰ। "... আয়ে পিঠাগুড়ি নাইবাৰ মাহগুড়ি অকনমান উটলাই থাকে, বহি বহি তাকে চাই থাকোঁ। ভাতৰে নাটনি আছিল, গাখীৰনো ক' পালো।"[৮]

ৰেণুমাইৰ বিশেষ ভাবিব পৰা ক্ষমতা নাই যদিও জেশাহুৰেকহঁত, তাইৰ মাক আহি যিখিনি বুদ্ধি দি থয় যায়হি তাই বৰদোৱানীৰ পৰা পুণ্যধৰক আঁতৰ কৰিছে ঠিকেই কিন্তু মাজে মাজে ৰেণুমাই অনুতপ্ত হয়। বৰদোৱানীয়ে তাইক কৰা সৰল ব্যৱহাৰ, বৰদোৱানীৰ মমতাৰে ভৰা হৃদয়, লক্ষ্যৰ প্ৰতি থকা অপৰিসীম মৰমে ৰেণুমাই বৰদোৱানীৰ ওচৰত মুগ্ধ হৈ পৰে আৰু ৰেণুমায়ে অজানিতে বৰদোৱানীৰ আগত নিজৰ অনুতপ্ততা ব্যক্ত কৰে। "আপোনাৰ ঠাইত নিজকে ভাবি কষ্ট লাগে... আপুনি কেনেকৈ থাকে নেজানো, আপোনাৰ ঠাইত নিজকে ভাবি কষ্ট লাগে, তেখেতক যেন কাঢ়ি লৈ গৈছোঁ।...।"[৯]

ৰেণুমায়ে জানে যে পুণ্যধৰৰ বৰদোৱানীৰ প্ৰতি আছে আকুল হেঁপাহ। তাই তাত ঈৰ্ষা অনুভৱ কৰাবো প্ৰয়োজনবোধ নকৰে কাৰণ তাই মাথো এই বংশ ৰক্ষা কৰিবৰ বাবে সন্তান জন্ম দিয়াৰ এটা সমল। তাই এক পৰিসীমাৰ ভিতৰত বন্দী। তাই মাথো দৰিদ্ৰ ঘৰৰ হ'ল বুলি নিজ ইচ্ছা বোধকনো নোহোৱা হৈ গ'ল। প্ৰয়োজন সাপেক্ষে ব্যৱহৃত ৰেণুমাই নীৰৱে উচুপি উঠে এই স্বামীগৃহত যে তাইৰ মূল স্থান নাপালে সেই কথা ভাবি। তাইৰ সমনীয়া ছোৱালীবোৰ সৌভাগ্যৱতী বুলি ভাৱে কাৰণ সিহঁতি ৰেণুমাইৰ দৰে 'দুখৰ-দুখৰ' হৈ যোৱা স্বামী বোলা মানুহজন পোৱা নাই। নিজৰ কপালকে ৰেণুমাই ধিয়াই সকলো পাহৰি যায়। বিধিৰ বিপাকত ৰেণুমাই কৰুণাময়ী বৰদোৱানীৰ হাততেই নিৰ্ভৰশীল হ'বলগীয়া হয়। যি সন্তানৰ উদ্দেশ্যেৰে তাই বৰদোৱানী আৰু পুণ্যধৰৰ জীৱনত প্ৰৱেশ কৰিছিল সেই সন্তানৰ অকাল মৃত্যুত ৰেণুমাইৰ মূৰৰো বিকৃতি ঘটে। হয়তো, দৰিদ্ৰ ঘৰত উপজা বাবেই ৰেণুমাইক জীৱনেও শূণ্যতাৰ বাহিৰে একো নিদিলে।

**লক্ষ্যধৰ চৰিত্ৰৰ মনস্তাত্বিক অধ্যয়ন ঃ**

বৰদোৱানীৰ জীৱনৰ সমস্ত ত্যাগৰ উদ্দেশ্য লক্ষধৰ। পুণ্যধৰ আৰু ৰেণুমাইৰ সন্তান লক্ষ্যধৰ বৰদোৱানীৰ 'জীৱটো'। লক্ষ্যধৰে বৰদোৱানীৰ বুকুৰ বন্ধাৰ শিলটোক খহাই অতৃপ্ত মাতৃ হৃদয়ক সন্তানসুখেৰে তৃপ্ত কৰি মমতাৰ নদীখন বোৱাই দিলে। বৰদোৱানী-পুণ্যধৰ, ৰেণুমাইৰ জীৱনৰ কেন্দ্ৰবিন্দু স্বৰূপ লক্ষ্যধৰ। লক্ষ্যধৰেই পুণ্যধৰ আৰু বৰদোৱানীক জৰীৰে বান্ধি ৰাখিছে। লক্ষ্যই জন্মদাত্ৰী মাতৃ ৰেণুমাই যদিও বৰদোৱনীকহে সি মাতৃত্বৰ আসনখনত বহুৱাই শান্তি পায়। পামতকৈ গাঁৱত থাকি সি ভাল পায় কাৰণ, বৰদোৱানীয়ে যে তাৰ সংগ ভাল পায় সি সেই কথা ভালকৈয়ে জানে আৰু তাৰ 'মধুবালা' হেন মাকজনীক সি নানা আবদাৰ ধৰি খুব ভাল পায়। কোনো ভুল নথকাৰ ফলতো মাকে তাক কোৰোবাত তাৰ একনো অভিমান নাই বৰদোৱানীৰ প্ৰতি। গাঁৱৰ উদণ্ড ডেকা মখাই বৰদোৱানীৰ নাম লৈ কিৰলী উৰাই যোৱাত লক্ষ্যধৰে সহিব নোৱাৰে। তাৰ প্ৰতিশোধৰ জুই জ্বলি থাকে মনত। কৈশোৰৰ পৰা যৌৱনপ্ৰাপ্ত লক্ষ্যধৰৰ গাত নৱ প্ৰজন্মৰ উন্মাদ বতাহছাটিৰ বা লাগিছিল। সেই বতাহছাটিত প্ৰতিশোধৰ দাবানল ইমানেই জ্বলি উঠিছিল যে দূৰদৰ্শিতাৰ অভাৱত বৰদোৱানীৰ অজ্ঞাতে লক্ষ্যধৰে বন্দুক-বাৰুদৰ টোপোলাটো আনি থৈছিল। ফলস্বৰূপে পাশৱিক মৃত্যু হ'ল লক্ষ্যধৰৰ। জীৱনটোক ভালদৰে বুজি নুঠোতেই অন্ত পৰিল লক্ষ্যধৰৰ। তাৰ বাবে বৰদোৱানীয়ে আছিল মাতৃত্বৰ দেৱী। লক্ষ্যধৰে নিজৰ ভৱিষ্যতক লৈ, বৰদোৱানীক লৈ, পুণ্যধৰ ভেটি-বাৰী আদিক লৈ সপোন দেখিছিল। বৰদোৱানী ত্যাগৰ বিনিময়ত পোৱা লক্ষ্যধৰ নামৰ ফুলপাহ কলিতে মৰহি গ'ল।

উক্ত চৰিত্ৰকেইটাৰ উপৰি উপন্যাসখনৰ কাহিনীভাগৰ বিকাশত কম-বেছি পৰিমানে অৰিহণা যোগোৱা কেইবাটাও চৰিত্ৰ আছে। পুণ্যধৰৰ মাক,

বায়েকহঁত, ভনীয়েক লাহৰী, বৰদোৱানীৰ ভনীয়েক হৰিপ্ৰভা, বৰদোৱানীৰ প্ৰেমিক বকুল, লক্ষ্যৰ বন্ধু অজিত, গাঁও সম্বন্ধীয় খুড়ায়েক মধু ফৰেষ্টাৰ, ক্ষীৰদা ইত্যাদি চৰিত্ৰবোৰ কাহিনীৰ প্ৰয়োজন পূৰণ কৰাৰ পাছতে ঔপন্যাসিকাই মূল কাহিনীৰ পৰা সিহঁতক বিদায় দিছে। ইয়াৰ উপৰিও 'বৰদোৱানী'ৰ ঘটনাবোৰত ভূমুকি মৰা বহুতো চৰিত্ৰ আছে যেনে - কামদা প্ৰসাদ, লম্বোদৰ, সিদ্ধেশ্বৰ, বেজিয়া, দৰ্পেশ্বৰ, তৰামাই, স্বৰ্ণ, জিতেন, টংক, তৰণী, মদনৰ মাক, ৰঞ্জিত, তপন, ফুলে বাই, দলবাহাদুৰ, ফটিক মণ্ডল, ভোলা, ভকতনী ধাই ইত্যাদি চৰিত্ৰসমূহত কল্পনাৰ বোল সানি ঔপন্যাসিকাই সৌষ্ঠৱ বৃদ্ধি কৰিছে।

**উপন্যাসত প্ৰতিফলিত হোৱা অসমীয়া সমাজৰ চিত্ৰ ঃ**

'বৰদোৱানী' উপন্যাসত এখন নিভাঁজ গাঁৱলীয়া চিত্ৰ প্ৰতিফলিত হোৱা দেখা যায়। বৰদোৱা সত্ৰৰ জীয়ৰী বৰদোৱানীৰ আধ্যাত্মিক সংস্কাৰসমূহো উপন্যাসখনত বাৰুকৈয়ে গুৰুত্বপূৰ্ণ হিচাপে পৰিলক্ষিত হৈছে। উপন্যাসত উল্লিখিত গৰুড় পখী, শান্তিজান, আকাশী গঙ্গা, টেম্ফ্ৰানী জান, ভাওনা, বৰদোৱালৈ আগবঢ়োৱা গামোচা, ৰূপৰ ফুল, চাকি, গীতাৰ প্ৰসঙ্গ, দৌল উৎসৱ ইত্যাদিবোৰে অসমীয়া সত্ৰ সংস্কৃতিৰ আভাস দিছে।

এই সকলোবোৰৰ উপৰিও এখন সহজ-সৰল গাঁৱলীয়া সমাজৰ ৰীতি-নীতিসমূহ স্পষ্টকৈ উল্লেখ কৰা আছে। গাঁৱৰ মহিলাসকলে মাহেকীয়া হ'লে মানি চলা ধৃতি-নীতি, মৃতকৰ শৰাধ, গৰ্ভৱতী মহিলাক পঞ্চামৃত খুওৱা, বিবাহৰ পাছৰ খুবাখুবি, তাবিজ-মাদলী, মূৰ-ঘূৰণীৰ তেলজৰা আদি নানা লোকাচাৰ আৰু লোকবিশ্বাস আদিৰে উপন্যাসখনৰ সৌষ্ঠৱ বৃদ্ধি পাইছে। ইয়াৰ লগতে অসমীয়া শিপিনীসকলৰ তাঁত-শালৰ উল্লেখ আৰু কিদৰে এৰীসূতা তৈয়াৰ হয় তাৰো সুন্দৰ উল্লেখ উপন্যাসখন বৰ্ণিত। ঔপন্যাসিক শৈশৱতে দেখা এখন নিভাঁজ গাঁৱলীয়া চিত্ৰৰ স্বৰূপ হুবহু অতি সুন্দৰকৈ 'বৰদোৱানী' উপন্যাসত দাঙি ধৰিছে।

**উপসংহাৰ ঃ**

মণিকুন্তলা ভট্টাচাৰ্যৰ 'বৰদোৱানী' উপন্যাসখন এগৰাকী নাৰীৰ জীৱনৰ ওপৰত ভিত্তি কৰি লিখা উপন্যাস। স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ মাজত অন্য এগৰাকী নাৰী আহিলে যিখিনি সমস্যাৰ সন্মুখীন হ'ব পাৰে সেই সমস্যাসমূহ বৰ্ণিত 'বৰদোৱানী' উপন্যাসত। ক্ষণিকৰ উত্তেজনাৰে যিকোনো সিদ্ধান্তই মুহূৰ্ত্ততে গ্ৰহণ কৰি নতুন প্ৰজন্মই সৌজন্যহীনতা আৰু অ-দূৰদৰ্শিতাৰে কিদৰে পেলাইছে গাঁৱৰ শান্ত-সমাহিত পৰিৱেশক, উপন্যাসখনত তাৰেই অংকনৰ প্ৰচেষ্টা চলোৱা হৈছে। বাস্তৱ চৰিত্ৰসমূহক কল্পনাৰ ৰহন সানি সৃষ্টি কৰা কাহিনীৰে মণিকুন্তলা ভট্টাচাৰ্যৰ 'বৰদোৱানী' উপন্যাসখন নিঃসন্দেহে অন্যতম সাৰ্থক সৃষ্টি। ❑

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

ভট্টাচাৰ্য, মণিকুন্তলা ঃ 'বৰদোৱানী' ষ্টুডেণ্টছ্ ষ্টোৰছ, ২০০৬
১। উক্তগ্ৰন্থ - 'বৰদোৱানী' (পাতনি)
২। ব্যক্তিগত সংবাদ মাধ্যম - 'প্ৰতিদিন টাইমছ' (চেটেলাইট চেনেল)
৩। উক্ত উপন্যাস 'বৰদোৱানী' (পাতনি)
৪। 'বৰদোৱানী', পৃষ্ঠা - ১১৪
৫। 'বৰদোৱানী', পৃষ্ঠা - ৫৪
৬। 'বৰদোৱানী', পৃষ্ঠা - ২৮
৭। 'বৰদোৱানী', পৃষ্ঠা - ৪২
৮। 'বৰদোৱানী', পৃষ্ঠা - ৪৯
৯। 'বৰদোৱানী', পৃষ্ঠা - ১১৪



# যুৱ উচ্ছৃংখলতা ঃ ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ

• ডিৰুপ্ৰভা চাংমাই

সাম্প্ৰতিক সমাজত কিশোৰ-কিশোৰী তথা কম বয়সীয়া যুৱক-যুৱতীক বিনাদ্বিধাই ভোগ সৰ্বস্ব জীৱনৰ সহজ পথ দেখুৱাই দিয়াৰ বাবে প্ৰথম জগৰীয়া পিতৃ-মাতৃ তথা অভিভাৱকসকল। সাম্প্ৰতিক সমাজ মানেই বন্ধনহীন, উন্মুক্ত সমাজ। এনে এখন সমাজত অভিভাৱকৰ সময়োপযোগী নিয়ন্ত্ৰণ অবিহনে যুৱ মানসত উচ্ছৃংখলতাৰ সৃষ্টি হোৱাটো অৱশ্যম্ভাৱী। টেলিভিছন যোগে প্ৰচাৰিত বিভিন্ন দেশী বিদেশী চেনেলৰ কোনকেইটা জ্ঞানবৰ্দ্ধক আৰু দৰ্শনৰ উপযোগী সেয়া সৰুতে শিশুক নিৰ্ধাৰণ কৰি দিয়াটো অভিভাৱকৰ কৰ্তব্য। তাৰ বিপৰীতে ৰিম'ট হাতত তুলি দি হকে বিহকে চেনেলৰ অনুষ্ঠান চোৱাৰ সুযোগ দিয়া ইণ্টাৰনেটত জ্ঞান-বিজ্ঞানৰ বতৰা লোৱাৰ সলনি নেতিবাচক কাম কৰাৰ বাট মুকলি কৰি দিয়া লোকো এই সমাজত বিৰল নহয়।

বৰ্তমান গোলকীকৰণৰ যুগত মুক্ত অৰ্থনীতিৰ গইনা লৈ ভাৰতত প্ৰৱেশ কৰা পশ্চিমীয়া সংস্কৃতিয়ে সৰ্বত্ৰ গ্ৰাস কৰি পেলাইছে। এসময়ত ৰেডিঅ'টোকে বাপতি সাহোন ৰূপে সাৱটি লৈ দেশৰ বা-বাতৰি লোৱাৰ দিন এতিয়া উকলিল। ইণ্টাৰনেটত বিভিন্ন অবৈধ চেনেলৰ ৰমৰমীয়া ব্যৱসায় চলিল। জাতীয় উৎসৱৰ নামত পানী এচলু দি ৰংচঙীয়া পাশ্চাত্যৰ জীৱনাদৰ্শক আকোঁৱালি ল'বলৈ যেতিয়াই আমাৰ সমাজৰ অগ্ৰণী ওলাই আহিল তেতিয়া আৰু যুৱসমাজলৈ বাকী থাকিল কি?

অনুশাসনহীনতাই যুৱ সমাজত উচ্ছৃংখলতাৰ বীজৰোপন কৰাত অৰিহণা যোগায়। যেতিয়া অভিজাত পিতৃৰ ধনেৰে যুৱ সমাজৰ কোনোৱে বিলাসিতাপূৰ্ণ গাড়ী, বাইকত উঠি আহি হাতে হাতে অত্যাধুনিক ম'বাইল ফোন লৈ পঢ়াৰ নামত পাৰ্টি, ৰেগিং আদিৰে সহপাঠী বা অন্যান্য লোকক মানসিকভাৱে ভাৰাক্ৰান্ত কৰে তেতিয়া সমাজৰ কেইজন আগবাঢ়ি আহে সিও বিচাৰ্যৰ বিষয়। 'দেশৰ ভৱিষ্যত যুৱ প্ৰজন্মৰ হাতত'— বুলি কৈয়েই গা সাৰিলে নহ'ব, বৰং তেওঁলোকক সঠিক দিক্‌দৰ্শন কৰাটোহে হ'ব অগ্ৰজসকলৰ প্ৰধান কৰ্তব্য। বৰ্তমান যুৱ সমাজৰ মাজত সঘনাই

এখন দেশৰ সামগ্ৰিক উন্নয়ণৰ মূল চালিকা শক্তি হ'ল যুৱ শক্তি। সম্প্ৰতি এই যুৱ শক্তিক কেন্দ্ৰ কৰি সমাজত গা কৰি উঠা এটা প্ৰধান সমস্যা হ'ল যুৱ উচ্ছৃংখলতা। বৰ্তমান এই সমস্যাই এটা ভয়াৱহ ৰূপ পৰিগ্ৰহ কৰিছে। ঘাইকৈ ১৪/১৫ পৰা ২৫/৩০ বছৰৰ অনুৰ্দ্ধ, অবিবাহিত যুৱক যুৱতীৰে যুৱ সমাজ গঠিত। পৰিৱেশ, পৰিস্থিতিৰ প্ৰতিকুলতাত ইয়াৰে এচাম যুৱক-যুৱতীয়ে আত্মনিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলতেই সৃষ্টি হয় যুৱ উচ্ছৃংখলতা। ক্ৰমশঃ ই কৰ্কট ৰোগৰ দৰে ছানি ধৰি সমাজ, সংস্কৃতি, ৰাজনীতি সকলো দিশতে ই হৈ পৰে এক সামাজিক ব্যাধি।

যুৱ-মানসত কেৰোণ লাগিলেই সৃষ্টি হয় উচ্ছৃংখলতা। কোনো উঠি অহা ডেকা গাভৰুৱে স্ব-ইচ্ছাই উচ্ছৃংখল আচৰণ প্ৰদৰ্শন নকৰে। ইয়াৰ নেপথ্যত থাকে আন কিছু আনুষংগিক বিষয়। সেয়েহে সুস্থ যুৱ মানসিকতাৰ বিপৰীতে আঁকোৱালি লোৱাৰ বাবে পোনচাটেই যুৱ সমাজক জগৰীয়া কৰিলে অন্যায় কৰা হ'ব। যুৱ সমাজৰ এচাম বিপথে যোৱাৰ মূল কাৰণ বিচাৰিবলৈ গ'লে পৰিয়াল, সমাজ তথা দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা আহি পৰে।

এটি সন্তানে শৈশৱৰ পৰা পৰিয়ালৰ সদস্যসকলক অনুসৰণ কৰে। সম্প্ৰতি যৌথ পৰিয়ালৰ সলনি একক পৰিয়ালৰ সীমাবদ্ধতাৰ মাজত এটি শিশুৱে শৈশৱৰে পৰা যৌৱনৰ দুৱাৰডলিত ভৰি দিয়ালৈকে যি শিক্ষা আহৰণ কৰে সিয়েই হৈ পৰে ভৱিষ্যতৰ প্ৰাথমিক বুনিয়াদ।

উচ্ছৃংখলতাই খোপনি পোতাৰ মানসিকতাক লৈ বৌদ্ধিক সমাজত এক আলোড়নৰ সৃষ্টি কৰিছে। আজিৰ সমাজত এনে এডোখৰ নিৰাপদ ঠাই নাই য'ত এই 'যুৱ উচ্ছৃংখলতা' শব্দটো খোপনি পোতা নাই। শিক্ষানুষ্ঠান, সাংস্কৃতিক মঞ্চ, খেলপথাৰ, চিনেমা গৃহ আদি আমোদ প্ৰমোদৰ ঠাই সকলোতে চকুত পৰে এচাম নৱপ্ৰজন্মৰ উচ্ছৃংখল আচৰণ। এয়া সঁচাকৈ উদ্বেগৰ কাৰণ।

সম্প্ৰতি শিক্ষাগত অৰ্হতা থকা সত্বেও উপযুক্ত সংস্থাপনৰ অভাৱত দেখা দিয়া নিবনুৱা সমস্যাই যুৱ প্ৰজন্মক হতাশাগ্ৰস্ত কৰি তুলিছে। আমাৰ শিক্ষা ব্যৱস্থাত কেৱল পুথিগত পাঠ্যক্ৰম সন্নিৱিষ্ট হোৱাৰ বাবে চাকৰি মুখী হোৱাৰ বাহিৰে হাতে কামে ধন উপাৰ্জনৰ পথ বন্ধ। আনহাতে আমাৰ উচ্চতৰ মাধ্যমিক তথা স্নাতক তথা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বিষয়বস্তু তথা পৰীক্ষা পদ্ধতি অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ উপযোগীকৈ প্ৰস্তুত নোহোৱাৰ বাবে বহু মেধা সম্পন্ন যুৱক-যুৱতীয়ে প্ৰাপ্য কৰ্মসংস্থাপনৰ পৰা বঞ্চিত হৈ আহিছে। এনে এক ব্যৱস্থাৰ ফলত স্নাতক, স্নাতকোত্তৰ ডিগ্ৰীধাৰী যুৱক-যুৱতীও বাঢ়িছে লগতে শিক্ষিত নিবনুৱাৰ সংখ্যাও বাঢ়িছে।

স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পিছতো চাকৰিবিহীন জীৱন এটা কটাবলৈ যাওঁতে বিৰক্ত হৈ এটা সময়ত স্বনিৰ্ভৰশীলতাৰ নামত বাট এৰি অবাটে যোৱা যুৱক-যুৱতীৰ সংখ্যা দিনক দিনে বাঢ়িছে। যুৱ উচ্ছৃংখলতা অন্য এক কাৰণ হ'ল নিচাযুক্তদ্ৰব্য। মদ, ভাং, ড্ৰাগছ সেৱন কৰি আজি বহুত উঠি অহা যুৱকে সমাজলৈ বিষবাষ্প কঢ়িয়াই অনাৰ পৰিলক্ষিত হৈছে। ভোগসৰ্বস্ব বস্তুবাদী সমাজৰ স'তে ফেৰ মাৰিবলৈ গৈ এচাম যুৱক-যুৱতী সহজতে বলি হয় এনে বৰবিহৰ। এনে বৰবিহ হাঁহিমুখে গলাধঃ কৰণ কৰি লাভ কৰা তৃপ্তিৰ পাৰ্শ্বক্ৰিয়া কিন্তু ব্যক্তি তথা সমাজৰ বাবে অতি বিষময়। নাৰীৰ অশালীন সাজ-পোছাক পৰিধান, সস্তীয়া চিনেমা, আলোচনী, বাটে-ঘাটে, কাকতে পত্ৰই দৃষ্টিকটু বিজ্ঞাপন আদিও যুৱ উচ্ছৃংখলতাৰ পৰোক্ষ কাৰক। দৈনিক কাকতৰ প্ৰথম পৃষ্ঠাত বৰ বৰ আখৰেৰে প্ৰকাশিত ধৰ্ষণ, বলাৎকাৰ আদি শব্দ তথা বৰ্ণনাই অনুসন্ধিৎসু মনত কেনে প্ৰভাৱ পেলাব সেয়া সহজে অনুমেয়। এনেবোৰ দিশ এৰাই চলিব পাৰিলে উঠি অহা নৱ-প্ৰজন্মৰ বাবেই মংগল।

**যুৱ-মানসত কেৰোণ লাগিলেই সৃষ্টি হয় উচ্ছৃংখলতা। কোনো উঠি অহা ডেকা গাভৰুৱে স্ব-ইচ্ছাই উচ্ছৃংখল আচৰণ প্ৰদৰ্শন নকৰে। ইয়াৰ নেপথ্যত থাকে আন কিছু আনুষংগিক বিষয়। সেয়েহে সুস্থ যুৱ মানসিকতাৰ বিপৰীতেআঁকোৱালি লোৱাৰ বাবে পোনচাটেই যুৱ সমাজক জগৰীয়া কৰিলে অন্যায় কৰা হ'ব।**

যুৱ উচ্ছৃংখলতাই ব্যক্তিগতভাৱে ক্ষতি কৰাৰ উপৰিও সমাজ, অৰ্থনীতি, ৰাজনীতি আদি সকলো দিশতে ঋণাত্মক প্ৰভাৱ পেলায়। এনে এক অশুভ আচৰণক ৰোধ কৰাৰ প্ৰথম উপায় হ'ল যুৱ শক্তিক সদা সৎকৰ্ম, সৎচিন্তাত প্ৰৱিষ্ট কৰি ৰখা। ইয়াৰ বাবে প্ৰথমে নিজে নিজৰ বিবেকৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। দ্বিতীয়তে পিতৃ-মাতৃ, সমাজৰ অগ্ৰণী লোক, শিক্ষক আৰু চৰকাৰে সদায় সচেতন হ'ব লাগিব। ঘৰুৱা পৰিৱেশ হ'ব লাগিব আধ্যাত্মিকতাসম্পন্ন, সুস্থ আৰু নিকা। প্ৰতিখন শিক্ষানুষ্ঠানতে সৃজনীশীল প্ৰতিভাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰিব পাৰিব লাগিব। তদুপৰি আৱেগক সংযত কৰি ৰখাৰ অভ্যাসো এই বয়সতেই গঢ় দিব লাগিব।

কৰ্মহীনতাই মনলৈ আলস্য ভাব আনে এনে ক্ষেত্ৰত কেৱল চাকৰি মুখী নহৈ শিল্প, বাণিজ্যত মনোনিৱেশ কৰিলে যুৱক-যুৱতীৰ হাতলৈ সৎ পথেৰে অৰ্জা ধনো আহিব, অভাৱো আঁতৰিব। কৰ্ম সংস্কৃতিয়ে যুৱ প্ৰজন্মক আগবঢ়াই নিয়াৰ দায়িত্ব আজি সমাজৰ অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰৰ। সমাজৰ বুদ্ধিজীৱিসকলেও আগ ভাগ লৈ দেশ তথা জাতিৰ ভৱিষ্যৎ প্ৰজন্মক দিকদৰ্শন কৰি উচ্ছৃংখলতা ৰোধ কৰিবলৈ ওলাই আহক। কিয়নো যুৱ মানসত এবাৰ উচ্ছৃংখলতাই খোপনি পুতিলে দেশৰ অধঃপতন অনিবাৰ্য। ❑



# মাদক দ্ৰব্য আৰু ইয়াৰ প্ৰভাৱ

• ৰিপাশ্ৰী শইকীয়া

সাম্প্ৰতিক বিশ্ব বহুতো ধৰণৰ সমস্যাৰে ভৰি আছে। এই বিশ্বৰ বহুতো ধৰণৰ সমস্যাৰ ভিতৰত মাদক দ্ৰব্যৰ ব্যৱহাৰ বৰ্তমান এক ভয়াবহ সমস্যাৰূপে বিবেচিত হৈছে। আধুনিকতা বৃদ্ধি হোৱাৰ লগে লগে মাদক দ্ৰব্যৰ ব্যৱহাৰো বৃদ্ধি হ'বলৈ ধৰিছে। এই দ্ৰব্যৰ ব্যৱহাৰে পৃথিৱীৰ প্ৰায়বোৰ দেশকে অতি চিন্তিত কৰি তুলিছে। কাৰণ এই দ্ৰব্যৰ ব্যৱহাৰে প্ৰতিখন দেশৰে ভৱিষ্যৎ প্ৰজন্মক এলেহুৱা, কৰ্ম বিমুখ আৰু উশৃংখল কৰি তুলিছে, যাৰ ফলত ভয়াবহ সামাজিক সমস্যাৰ সৃষ্টি হৈছে। সাধাৰণতে বিড়ি, ধপাত, চিগাৰেট, মদ, ড্ৰাগছ আদি নানা ধৰণৰ দ্ৰব্যক মাদক দ্ৰব্য হিচাপে জনা যায়। জীৱনৰ অশান্তিবোৰ পাহৰি ক্ষন্তেকৰ কাৰণে আনন্দ লাভৰ বাবে ব্যৱহাৰ কৰা এই মাদক দ্ৰব্য সমূহৰ কবলত পৰি অতি দুৰ্ভাগ্যজনকভাৱে বহু ডেকা গাভৰুৱে নিজৰ জীৱন শেষ কৰিছে। ড্ৰাগছ নামৰ মাদক দ্ৰব্য বিধৰ কবলত পৰি বহুতো সম্ভাৱনাপূৰ্ণ যুৱক-যুৱতী ধ্বংস হৈছে, যাৰ ফলত বহুতো পৰিয়াল বিপদগ্ৰস্থ হৈছে আৰু সমাজত বিভিন্ন বিশৃংখলতাই দেখা দিছে।

এই দ্ৰব্যৰ কবলত পৰাৰ অসংখ্য কাৰণো দেখা যায়। বহুতো যুৱক শিক্ষা-দীক্ষা লৈ কৰ্ম সংস্থাপনৰ কোনো সুবিধা লাভ কৰিব নোৱাৰি হতাশগ্ৰস্ত হৈ পৰে। যাৰ বাবে অনিশ্চিত ভৱিষ্যতৰ ভয়াবহৰূপে তেওঁলোকক এই দ্ৰব্যসমূহ গ্ৰহণ কৰিবলৈ বাধ্য কৰে। বহুতো আকৌ বন্ধু বান্ধৱৰ সংগত পৰি ইয়াৰ চিকাৰ হয়। বন্ধু-বান্ধৱৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই তেওঁলোক সময়ত মাদক দ্ৰব্য আসক্ত হৈ পৰে। বিদ্যালয়, মহাবিদ্যালয় বহু ছাত্ৰ-ছাত্ৰী এনেদৰেই এই দ্ৰব্যৰ গৰাহত পৰে। কিছুমান ঘৰুৱা অশান্তি, পিতৃ-মাতৃৰ পৰা পোৱা অৱহেলা, পিতৃ-মাতৃৰ মাজত বিবাহ বিচ্ছেদ হোৱাৰ কাৰণে মানসিক চাপত পৰিও বহুতো যুৱকে মাদক দ্ৰব্যৰ আশ্ৰয় লয়। আজিকালি এই দ্ৰব্যৰ আসক্তিৰ কাৰণে প্ৰেম আৰু প্ৰত্যাখ্যান আদিকো জগৰীয়া কৰিব পাৰি।

**জীৱনৰ অশান্তিবোৰ পাহৰি ক্ষন্তেকৰ কাৰণে আনন্দ লাভৰ বাবে ব্যৱহাৰ কৰা এই মাদক দ্ৰব্য সমূহৰ কবলত পৰি অতি দুৰ্ভাগ্যজনকভাৱে বহু ডেকা গাভৰুৱে নিজৰ জীৱন শেষ কৰিছে। ড্ৰাগছ নামৰ মাদক দ্ৰব্য বিধৰ কবলত পৰি বহুতো সম্ভাৱনাপূৰ্ণ যুৱক-যুৱতী ধ্বংস হৈছে, যাৰ ফলত বহুতো পৰিয়াল বিপদগ্ৰস্থ হৈছে আৰু সমাজত বিভিন্ন বিশৃংখলতাই দেখা দিছে।**

আজি বিশ্বৰ অন্যতম ভয়াবহ সমস্যা হ'ল যুৱ-উচ্ছৃঙ্খলতা, যুৱ উচ্ছৃঙ্খলতাই আজিৰ সমাজখনৰ বহুতো বেয়া কৰ্মৰ দ্বাৰা থান-বান কৰি তুলিছে। এই সমস্যাৰ লগত মাদক দ্ৰব্য পৰোক্ষভাৱে জড়িত। এই যুৱ উচ্ছৃঙ্খলতাই সমাজৰ ৰাজনীতি, অৰ্থনীতি আদিতো প্ৰভাৱ বিস্তাৰ কৰিছে। কাৰণ আজি সমাজৰ উচ্চ পৰ্যায়ৰ

লোকসকলৰ বিলাসৰ লগত মিলিবলৈ সক্ষম নোহোৱা যুৱক-যুৱতীসকল এই দ্ৰব্য ব্যৱহাৰ কৰি নিজৰ জীৱন ধ্বংস কৰাৰ লগতে সমাজলৈও অৱক্ষয় কঢ়িয়াই আনিছে। এই বিবেক সংহাৰী আৰু নৰহত্যাকাৰী ভয়াবহ মাদক দ্ৰব্যৰ কবলৰ পৰা নতুন প্ৰজন্মক ৰক্ষা কৰিবৰ কাৰণে প্ৰতিখন দেশৰ চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু এই বিষয়ত বিশেষ সফল হৈছে বুলিব নোৱাৰি। এই দ্ৰব্য বন্ধ কৰিবৰ বাবে চৰকাৰৰ লগত প্ৰতিখন ঘৰৰ প্ৰতিজন পিতৃ-মাতৃ সচেতন হৈ নিজৰ সন্তানসকলক সঠিকভাৱে আগবাঢ়ি যাবৰ বাবে প্ৰয়োজনীয় পৰিৱেশ গঢ়ি তুলিব লাগিব। চৰকাৰেও বিভিন্ন আইন প্ৰণয়নৰ জৰিয়তে এই দ্ৰব্যসমূহৰ ব্যৱসায়ীসকলক কঠোৰ শাস্তি দি এই দ্ৰব্যৰ ব্যৱহাৰ নাইকিয়া কৰিব লাগে। এই দ্ৰব্য নাইকিয়া হ'বৰ বাবে সকলো লোকেই সহযোগিতা আগবঢ়াব লাগে।

এই দ্ৰব্যসমূহ সেৱনৰ ফলত বহুতো লোক চিকিৎসাধীন হ'ব লগাত পৰে। ৰোগৰ চিকিৎসা কৰাতকৈ এই দ্ৰব্য সেৱন নকৰি ৰোগ নোহোৱাকৈ ৰাখিব কাৰণে যত্ন কৰাহে উচিত। যুৱ সম্প্ৰদায়ৰ মাজত সৃষ্টিশীল কামৰ কাৰণে উৎসাহ প্ৰেৰণা প্ৰদান, তেওঁলোকৰ মাজত হতাশাৰ পৰিৱৰ্তে আশাৰ সঞ্চাৰ কৰিব পৰা কেতবোৰ আঁচনি গ্ৰহণ কৰিলে নিশ্চয় এই দ্ৰব্যৰ আসক্তিৰ পৰা কিঞ্চিৎ হ'লেও মুক্তি পাব পৰা যাব। এই কাৰ্যসূচীৰ দ্বাৰা বহুতো যুৱক-যুৱতীক ৰক্ষা কৰিব পৰা যাব বুলি ভাবিব পাৰি। এটা মুদ্ৰাৰ দুটা পিঠি থাকে। ঠিক সেইদৰে প্ৰতিটো কামৰে দুটা দিশ থাকে। এটা ভাল দিশ, এটা বেয়া দিশ। সেয়েহে সকলোৱে বেয়া দিশটো এৰি ভাল দিশটোহে ল'ব লাগে। মানুহৰ জীৱনলৈ দুখৰ দিন আহিলে, সুখৰ দিনো আহে। একেদৰেই বিভিন্ন গঠনমূলক কাৰ্যসূচীৰ দ্বাৰা এই মাদক দ্ৰব্যৰ ভয়াবহ আগ্ৰাসনৰ পৰা নৱ প্ৰজন্মক ৰক্ষা কৰিবও পৰা যাব। ❑

## সোণসেৰীয়া কথা ...

**লক্ষ্মীনাথ বেজবৰুৱা ঃ**

- মানুহৰ জীৱনত যিমানবোৰ ঘটনা ঘটে সেই সকলোবোৰ ধান নহয়, তাত তুঁহ, পতানৰ ভাগ অধিক থাকে।
- ছাত্ৰশক্তি যদিও প্ৰৱল শক্তি, সি সংযতৰ হ'লেহে দেশৰ হিতকৰ হ'ব নতুবা সি অনৰ্থক উৎপাদন কৰিব।



# 'গাভৰু বিহু' ঃ এটি চমু আলোচনা

• প্ৰিয়দৰ্শিনী ফুকন

চ'ত মাহৰ মাজভাগৰ পৰাই কৃষকৰ ঘৰৰ গাভৰু কেইজনীয়ে ৰাতি বিহু মাৰিবলৈ আৰম্ভ কৰিছিল। বিহু মাৰিছিল যুৰীয়া আঁহতৰ তলত, বৰ গছৰ তলত, মুকলি আকাশৰ তলত। গাভৰুসকলে গছ তলত বিহু মাৰিবলৈ যাওঁতে গছৰ গুৰিত তামোল-পানসহ এখনি গামোচা দি আদৰি লৈছিল। সেই পৰম্পৰাৰ আৰ্হিত মঞ্চত বিহু প্ৰদৰ্শন কৰিবলৈ আহোতে গাভৰুসকলে জেং এডাল পুতি লয় আৰু গামোচা এখন দি বিহু আৰম্ভ কৰে। আগতে পিছে গাভৰু বিহুক বা চ'তৰ নিশা বিহুক 'জেংবিহু' বুলি কোৱা নাছিল। আজিকালি অৱশ্যে কোনো কোনো লোকে জেংবিহু বুলি ক'বলৈ লৈছে।

পণ্ডিত তথা অভিজ্ঞসকলৰ তথ্য মতে গাভৰুসকলে কৰা বিহুৰ বাবেই এই বিহুক টাই ভাষাত 'পই চেংনাং' বোলা হৈছিল। পই উৎসৱ, চেং-গুণ, নাং-গাভৰু। গুণি (গাব, নাচিব, বজাব জনা গুণ) গাভৰুসকলে কৰা উৎসৱ গাভৰু বিহু। গাভৰুসকলে যিখন খোলাত বিহু মাৰিবলৈ গৈছিল, সেই খোলাখনৰ কেওকায জেঙৰ বেহু সাজি লৈছিল যাতে কোনো পুৰুষে তাত প্ৰৱেশ কৰিব নোৱাৰে। সেয়ে হয়তো জেং পুতি লোৱা হেতুকে 'গাভৰু বিহুক' জেং বিহু বুলি ক'বলৈ ল'লে।

ঘৰতো নবহে মনে সমনীয়া
পথাৰত নবহে মন;
কহুৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিব মন।

প্ৰকৃতি চঞ্চল হৈ উঠাৰ সময়তে আমাৰ গাভৰু কেইগৰাকীও মনৰ আনন্দত চঞ্চল হৈ পৰিছিল আৰু যৌৱনে উতলা গাভৰুগৰাকীয়ে বিহুনামৰ যোগেদি মনৰ ভাৱবোৰ প্ৰকাশ কৰিবলৈ যত্ন কৰিছিল।

বকুল বৰা ধানৰ আখৈ ভাজিছিলো
ছপোৰা গাখীৰৰ দৈ;
তুমি যে নহ'লে খাবকে নোৱাৰো
থাকো মই আগতে লৈ।

জীৱনৰ সোণালী বয়সত গাভৰুসকলে স্বতঃস্ফুৰ্ত ভাৱে ওলাই অহাৰ মনৰ অনুভূতিবোৰ বিহু নামৰ যোগেদি প্ৰকাশ কৰিবলৈ যত্ন কৰিছিল।

তাহানিৰ চ'তৰ বিহু আৰু ব'হাগ বিহু বুলিলে দুটা সুকীয়া বিহুক বুজাইছিল। চ'ত মাহটোত কৃষকৰ ঘৰৰ ডেকা-গাভৰুৱে ৰাতি বিহু মাৰিছিল। যুৰীয়া আহঁতৰ তলতেই হওঁক বা মুকলি

আকাশৰ তলতেই হওঁক, জেং-জাবৰ আঁতৰাই পৰিষ্কাৰকৈ বিহু খোলা পাতি লৈছিল। ডেকাই ডেকা ভাগে, গাভৰুৱে গাভৰু ভাগে ওচৰা ওচৰিকৈ বিহু মাৰিছিল। পূৰ্বে গাভৰুসকলে নিশা-নিশা মৰা বিহুক ডেকাসকলক বা পুৰুষসকলক চাবলৈ দিয়া নাছিল। অসমৰ সমাজ জীৱনৰ শাসন শিথিল হৈ অহাত পাছলৈ অৱশ্যে ডেকা-গাভৰুসকলে একেজোপা গছৰ তলতে ওচৰা-ওচৰিকৈ বিহু মাৰিবলৈ লয়।

উজনি অসমৰ গাভৰুসকলেআছুতিয়াকৈ গছৰ তলত বিহু মাৰিছিল। গাভৰু বিহুৰ আঞ্চলিক বৈশিষ্ট্যও দেখিবলৈ পোৱা যায়। কোনো অঞ্চলৰ গাভৰু বিহুক মাইকী বিহু, কোনো অঞ্চলত জীয়ৰী বিহু, কোনো অঞ্চলত গছৰ তলৰ নিশা বিহু, ক'ৰবাত চ'তৰ বিহু বুলি কৈছিল। টকা আৰু গগণা গাভৰু বিহুৰ মূল বাদ্য। লগত হাতৰ চাপৰি।

গাভৰু বিহু, জুম বিহু, টকা বিহু ঘৰৰ বিহুৰ লগতে আমি সোনোৱাল কছাৰীসকলৰ লেচেৰি বিহু কথা পাহৰিলে নহ'ব। তেওঁলোকৰ প্ৰত্যেকজনী নাচনীৰ হাততেই টকা থাকে। মূৰত গামোচা আৰু বুকুত মেঠনি মাৰি মাৰ্জিতভাৱে অংশ গ্ৰহণ কৰে। আজিকালি মৰাণ সম্প্ৰদায়ৰ গাভৰু সকলকহে বাহু, পিঠি, ককাল একত্ৰে মৃদুভাৱে সঞ্চালন কৰি বিহুনাচ নচা যায়। মৰাণ সম্প্ৰদায়ৰ গাভৰুৰ 'গাভৰু বিহু'তলীৰ পৰা নাচ শিকিলে নাচৰ পৰম্পৰা ৰক্ষা পৰিব বুলি ক'ব পাৰি। এওঁলোকৰ 'লগ বিহু'ও বৰ আকৰ্ষণীয়। ❑

## সোণসেৰীয়া কথা ...

**বিষ্ণুপ্ৰসাদ ৰাভা ঃ**


- জীৱন যাত্ৰাৰ ঘাত-প্ৰতিঘাতৰ যেনেকৈ দৃষ্টি ৰূপান্তৰ হয়, সংস্কৃতিৰ আলম লৈ জীৱন যাত্ৰাও তেনেকৈ আগুৱাই যায়। গতিকে জীৱন যাত্ৰাৰ লগত কৃষ্টি-সংস্কৃতি ওতঃপ্ৰোতভাৱে জড়িত।

**ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ ঃ**

- জীৱনটো এক মহৎ উপহাৰ। যিসকলে জীৱনক ভাল নাপায় সেইসকলে এই উপহাৰ গ্ৰহণৰ অনুপযুক্ত।

# অসমৰ পৰম্পৰাগত সাজপাৰ আৰু অয়-অলংকাৰ

• যুগ্মালী নেওগ



**সৌন্দৰ্য চেতনা মানুহৰ মনৰ উৎকৰ্ষৰ পৰিচায়ক। মানুহৰ নিজৰ জীৱনটোক নিজৰ অন্তৰৰ শান্তিৰ জোখাৰে দৃশ্যমান বস্তুবোৰ অলংকাৰ পূৰ্ণ কৰি সজোৱাটো সভ্যতাৰো পৰিচয়।**

প্ৰাক ঐতিহাসিক কালতে অসমলৈ বিভিন্ন জাতি-জনগোষ্ঠীৰ আগমন ঘটি অসমীয়া জাতি গঠনৰ সাঁচ গঢ় লৈছিল। সেইদৰে অসমীয়া সংস্কৃতিৰ সাঁচটো খৃঃ পূঃ কালতে গঢ় লৈ উঠিছিল। অসমলৈ বিভিন্ন সময়ত অহা বিভিন্ন জনগোষ্ঠীৰ ভিতৰত প্ৰথম অষ্ট্ৰিক সকলেই বয়ন শিল্পৰ আৰম্ভণি কৰিছিল। তেওঁলোকতকৈ পিছত অহা মঙ্গোলীয় তিৰোতা সকলো বয়ন শিল্পত পাকৈত আছিল।

প্ৰাচীন কালত পৰম্পৰাগত সাজপাৰ কেনে আছিল তাৰ কোনো সঠিক তথ্য বিচাৰি পোৱা নাযায় যদিও প্ৰাচীন মূৰ্তি, ছবি অঁকা পুঁথি, বুৰঞ্জী সাহিত্যৰ পৰা কিছু আভাস পাব পাৰি। কালিকা পুৰাণত উল্লেখ থকা চাৰিবিধ সামগ্ৰী অসমৰ মানুহৰ সাজপাৰৰ ইতিহাস দাঙি ধৰে। অসমত পাট, মুগা, এড়ী আৰু কপাহী বস্ত্ৰৰ প্ৰচলন আছিল। অসমৰ পৰম্পৰাগত সাজপাৰৰ ইতিহাস কেতিয়াৰ পৰা আৰম্ভ হৈছিল সঠিকৈ পোৱা নাযায়। মধ্যযুগৰ পৰাহে অসমীয়া সাজপাৰে এটা পৰিশিলিত ৰূপ লাভ কৰে।

টাই গোষ্ঠীৰ লোকসকল অসমলৈ অহাৰ আগতে অসমত বাস কৰা জনগোষ্ঠীসকলে সুকীয়া সুকীয়া পৰম্পৰাগত সাজপাৰ পিন্ধিছিল। আহোমসকল অসমলৈ অহাৰ পাছত স্বৰ্গদেউ সকলৰ দিনত এটা অভিজাত শ্ৰেণী গঢ়লৈ উঠিছিল। আহোমসকল অসমলৈ অহাৰ আগতে বৰাহীসকলে চুৰীয়াত থোৰ মাৰি পিন্ধিছিল। অসমীয়া পুৰুষসকলে প্ৰধানকৈ চুৰীয়া পিন্ধিছিল। অসমৰ পুৰুষে পৰিধান কৰা দুখন পৰম্পৰাগত সাজ-পাৰ হ'ল চুৰীয়া আৰু গামোচা। তদুপৰি চেলেং কাপোৰো তেওঁলোকে পৰিধান কৰা দেখা যায়।

অসমীয়া নাৰীৰ পৰম্পৰাগত বস্ত্ৰ হৈছে ৰিহা, মেখেলা, চাদৰ। ভাৰতবৰ্ষৰ ভিতৰত অসমীয়া তিৰোতাই হে ৰিহা, মেখেলা, চাদৰ এই তিনি বস্ত্ৰ পৰিধান কৰে। অসমৰ পৰম্পৰাগত সাজপাৰৰ উপৰিও অসমত বাস কৰা জনগোষ্ঠীসমূহৰো সুকীয়া সুকীয়া সাজপাৰ আছে। তেওঁলোকে ঘৰতে নিজৰ প্ৰয়োজনীয় সাজপাৰ উৎপাদন কৰে। জাৰ আৰু জহৰ দিনৰ বাবে প্ৰয়োজনীয় সাজপাৰ ঘৰতে উৎপাদন কৰে। গছ-লতা, শিপাৰ পৰা ৰং তৈয়াৰ কৰি ভিন্নৰঙী সূতা তৈয়াৰ কৰে।মিচিং জনগোষ্ঠীৰ পুৰুষসকলে গালোক, উগন,বনৰ উগন, ইয়াম্ব' আৰু মিবু গালোক পৰিধান কৰে। মিচিং মহিলাসকলে বুকুত মেথনি মাৰে, চাদৰ-মেখেলাত গুটি ফুল বাচি লয়। সেইদৰে কাৰ্বিৰ পুৰুষে ছয়শংখৰ আৰু ছয় আখৰ চোলা পিন্ধে, পহ ছাতৰ আৰু ৰিবাং পৰিধান কৰে। অসমৰ জনগোষ্ঠীয় সাজপাৰসমূহৰ বয়ন পদ্ধতি আৰু ৰঙৰ নিৰ্বাচনৰ পৰাই কোনটো কোন জনগোষ্ঠীৰ সাজপাৰ জানিব পাৰি।

অসমীয়া নাৰীৰ সাজপাৰ প্ৰসংগত পুৰণি সাহিত্যত শাৰীৰ কথা উল্লেখ আছে। পৰৱৰ্তী সময়ত মেখেলা চাদৰে প্ৰাধান্য পায়। অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ নাৰীসকলে মেখেলাখন বুকুত মেথনি মাৰি পিন্ধিছিল।এনেদৰে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত পৰম্পৰাগত সাজপাৰৰ প্ৰচলন আছিল।

**অলংকাৰ ঃ** সৌন্দৰ্য চেতনা মানুহৰ মনৰ উৎকৰ্ষৰ পৰিচায়ক। মানুহৰ নিজৰ জীৱনটোক নিজৰ অন্তৰৰ শান্তিৰ জোখাৰে দৃশ্যমান বস্তুবোৰ অলংকাৰ পূৰ্ণ কৰি সজোৱাটো সভ্যতাৰো পৰিচয়। আদিম অৱস্থাত মানুহে খাদ্যৰ সন্ধানত হাবিলৈ যাওঁতে মৰা জন্তুৰ ছাল, পাখি আদি শৰীৰত আৰি সৌন্দৰ্য স্পৃহা পূৰণ কৰিছিল। কালক্ৰমত ধাতুৰ অলংকাৰ পৰিধান কৰিবলৈ ধৰিলে।

অসমত পুৰণি কালৰ পৰাই সৌন্দৰ্যবোধৰ উপকৰণ হিচাপে অলংকাৰ প্ৰয়োগ হৈ আহিছে। চিত্ৰকলা, সাহিত্য আদিত লোৱা অলংকাৰসমূহ হৈছে সোণ, ৰূপ, তাম আৰু পিতল। প্ৰকৃততে আহোম সকল অসমলৈ অহাৰ পৰবৰ্তী সময়তহে অসমীয়া আ-অলংকাৰৰ উপৰিও বাহেৰে অলংকাৰ তৈয়াৰ কৰিছিল।

অসমত মধ্য যুগত আহোমসকলৰ শাসন কালত অন্যান্য ক্ষেত্ৰৰ দৰে অলংকাৰেও সুকীয়া মৰ্যদা লাভ কৰে। এইখিনি সময়তে সৰহখিনি অলংকাৰ গঢ় লৈ উঠে। অলংকাৰসমূহ অভিজাত্যৰ প্ৰতীক হৈ পৰিছে। পৰম্পৰাগত অসমীয়া আ-অলংকাৰ সমূহ হৈছে - কেৰু, লোকাপাৰ, গামখাৰু, আঙুঠি, খোপাফুল, কানফুল, খাৰু, উঝান্তি, কৰ ধ্বনি ইত্যাদি। অসমৰ পুৰুষ আৰু নাৰীয়ে পৰিধান কৰা অলংকাৰ সমূহে অলংকাৰৰ বৈচিত্ৰ্য দাঙি ধৰে। অসমত পুৰুষ সকলে হাতত পিন্ধা অলংকাৰ হৈছে- আঙুঠি, ডিঙিত পুৰুষসকলে লতামণি, মগৰদানা আৰু মটামণি পৰিধান কৰে। পুৰুষৰ কানৰ অলংকাৰ হৈছে লংকেৰু, লোকাপাৰ, ফৰিয়া আৰু বাজু।

অসমৰ নাৰীয়ে সৌন্দৰ্য্য বৰ্ধনৰ আহিলা ৰূপে বিভিন্ন অলংকাৰ পৰিধান কৰে। অসমীয়া নাৰীয়ে পৰম্পৰাগত অলংকাৰ হিচাপে হাতত খাৰু যেনে ঃ- খোচোৰা আৰু মুঠি খাৰু, গামখাৰু আৰু পাটিখাৰু পিন্ধে। তেওঁলোকে ডিঙিত জোনবিৰি, ঢোলবিৰি, গলপতা, দুগদুগি, বেনা, মাদুলি, শিলিখা মণি আৰু খুটমণি পৰিধান কৰে। সেইদৰে কানত পিন্ধা অলংকাৰ যেনে ঃ কাণফুল, থুৰিয়া, কেৰু আৰু মাকৰি আদি পিন্ধে। মূৰত পিন্ধা অলংকাৰ হৈছে কপালি। অসমীয়া নাৰীয়ে শেনপতীয়া, জেঠী নেজীয়া, আঙুঠি পৰিধান কৰে। অসমত মিচিং সকলে কানত থুৰীয়া, হাতত গামখাৰু আৰু বড়ো মহিলাই কানত মেৰুইন্তি, ঝুমকা পৰিধান কৰে।

**পৰম্পৰাগত সাজপাৰ আৰু অয়-অলংকাৰৰ কেইখনমান চিত্ৰ**



অসমীয়া পৰম্পৰাগত অয়-অলংকাৰে অসমীয়া মানুহৰ সৌন্দৰ্য্য অনুভূতিকে প্ৰকাশ কৰে। জাতি-জনগোষ্ঠী, পুৰুষ-নাৰী ভেদে পৰিধান কৰা অলংকাৰ সমূহৰ আকৃতি, মূল্য, সামাজিক স্থান ভিন্ন হোৱা দেখা যায়। সোণ, ৰূপ, তাম আদি ধাতুৰে তৈয়াৰ কৰা অলংকাৰসমূহ বিভিন্ন ৰূপত প্ৰকাশ লাভ কৰে। অসমত বিশেষকৈ মধ্যযুগৰ পৰা যি পৰম্পৰাগত অলংকাৰ প্ৰচলন হৈ আহিছে তাৰ আদৰ আৰু মূল্য আজিও কমা নাই। □

# CULTURE OF ASSAM

• Amit Pegu

Assam is the meeting ground of diverse cultures. The people of the enchanting state of Assam is an intermixture of various racial stocks such as Mongoloid, Indo-Burmes, Indo- Iranian and Aryan. The Assamese culture is rich and exotic tapestry of all these races evolved through a long assimilative process. The natives of the state of Assam are known as "Asomiya" (Assamese) which is also the state language of Assam .

The state has a large numbers of tribes each unique in its tradition, culture, dresses and exotic way of life. Divers tribes like Bodo, Kachari, Karbi Miri (Mishing), Mishimi, Rabha etc. co-exist in Assam Most tribes have their own dialectss though Assamese is the principle language of the state.

A majority of the Assamese are Vaishnaves (a sect of Hinduism). The Vaishnavas do not believe in idol worship and perform Namkirtana where the glory of Lord Vishnu is recited. Two important cultural and religious institution that influence the cultural fabric of Assam : the states, the sites of religion and cultural practice which have been in existence for over 400 years and the Namghar, the houses of prayers, villagers generally assemble on the basis of membership of a local center of devotional worship called "Namghar".

Weaving is one of the traditional craft that every Assamese woman takes pride in. The Assamese woman produce silk and cotton clothes of exquisite designs in their looms. Assam is renowned for its exquisite silk namely Eri, Pat and the world famous Muga Silk.Gandhiji complimented the Assamese weavers as artists who could weave dream in their looms. Significantly the Gamocha is used equally by all irrespective of religious and ethnic backgrounds.


The "Gamocha" is one of the most easily recognizable cultural symbol of Assamese people besides the Tamol- Pan (areca nut & betel leaf)



which is an integral part of almost all socio-religious ceremonies . the Gamocha a white rectangular piece of hand woven cloth with primarily a red border on the three sides and red woven motifs on the fourth ( in addition to red, other colour are also used) is put to many use. It is used as a towel as a waist cloth in Bihu Dance

warp around the head in a knot, it is also hung around the neck at the prayer hall and hung over the shoulder to signify social status or respect Gamocha is also known as "Bihuwaan"s, offered during Bihu as taken of love.

The national festival of Assam is Bihu. Bihu is the most popular folk dance of Assam. Bihu dance is performed by youngs boys and girls during the Bihu festival which represent youthful passion, reproductive urge and joy. It is characterized by brisk dance steps and rapid hand movement. Dancers wear traditionally colorful Assamese clothing. Dancing is accompanied by musical instruments like dhol (dholok), pepa, gagana, bahi (Flute) etc. Though the origins of Bihu dance is unknown, the first official endorsement is cited to be the eve when Ahom King Rudra Singh invited Bihu dancers to perform at the Ranghar field sometime around 1694 on the occasion of Ranguli Bihu.



Satriya nritya is the classical dance form of Assam which represents the Satriya Culture :the basis of religious and cultural fabric of Assam. It is among the eight principal classical Indian dance traditions. Satriya has remained a living tradition since its creation by the founder of Vaishnavism in Assam, the great saint Sreemanta Sankardeva in the 15th century Assam. Satriya dance in an artistic way of presenting mythological teachings to the people in an accessible immediate and enjoyable manner.

Ali-Aye-Ligang a popular dance is performed by the young Mishing people which is known as Gumrag. The formal dance of the festival starts from the easternmost house of the village extending towards the field and river in the end. This dance is performed by encircling the courtyard of the house of the villagers, to the accompaniment of dhol or drums,cymbals, pepa, siphung (flute) and gungang (gagana). Dancers wear the colourful dresses namely 'Ribigaseng' and 'Ribiyeng'.

In the passage of more than a hundred years of their settlement in Assam the tea tribes have developed a synthesized form of dance called "Chah Bganar Jhumur Nas". This is a beautiful dance to watch. The tea tribes have a synthesized form of dance called "Jhumur Nas" performed by girls and boys together or sometimes by the girls alone with precision of footwork while clasping tightly each other's waist.

Bodo community has many folk dances to boast. Among them the best and the most attractive is the "Bagurumba" dance. This is mainly a formulation dance with slow steps and out stretched hands. About a score of girls dressed in most colorful attire perform this dance to accompanyiment of Bodo tradition musical instruments. It is usually performed during Boisagu, a festival of Bodo in the Bishuba Sankranti or Mid April. The Bagurumba dance is also called "butterfly dance".


Custom and traditions play a significant role in the society and the Assamese strictly adhere to customs laid down by their forefathers pertaining to their community. The Jaapi is an integral symbol of Assamese culture. In adherence to bamboo culture in Assam, they use 'Jaapi' made of bamboo, cane and palm leaves to welcome the guest. There are many types of Jaapi like the Halua Jaapi, Pitha Jaapi, Sorudoiya Jaapi, Bordoiya Jaapi, Cap ect. These Jaapis were also used as headwear back in the olden days mostly by rich and noble families. They are also used by farmers and peasants as umbrellas in the paddy fields.

Agriculture is the main occupation of the people in Assam. It accounts for 63 percent of the

state's work face. The farmers engage in the cultivation of rice, which is staple diet of the Assamese people. Other agricultural crops include pulse, jute, tea, and fruit cultivation. Assam is well known for its tea plantation all over the world and the tea gardens of Assam provide employment to nearly a million people. Besides cultivation, weaving is another major occupation in Assam. The Assamese women practice weaving as an occupation. The state is known for the production of silk material, tussar and other fabrics. ❑








# বাসনা জীৱনৰ

• অঞ্জলি গগৈ

এখনি উকা কাগজৰ কথা,
প্ৰহেলিকাই যেন ভাষাৰ মালিতা,
সকলো আজি ব্যস্ত
জোনাক বোটলাত,
অন্ধ আজি সকলো
সুখৰ বাৰিষাৰ আশাত,
কোনে আহি মুক্ত কৰিব
বন্দী মনৰ কোঠাক।
সুখৰ দলিছাত হাঁহিৰ বাকৰি.....,
বিচাৰি সকলো আজি খাইছে হাবাথুৰি।
নিৰৱ যেন সুখৰ প্ৰাণ,
জীৱনৰ জোনাকী পাবলৈ গুহাকাৰ,



সৰগৰ দৰেই একাকাৰ;
প্লাৱন আজি অমানিশাৰ
জোনাকো যেন অন্ধকাৰ।
যিদিনা খোল খাব
হেঁপাহৰ দুৱাৰ
হ'ব সেইদিনা কোলাহল যৌনতাৰ,
কোলাহল নিৰৱতাৰ।
এছাৰ ফালি পাবহি,
বৈ যাব ৰঙৰ জোৱাৰ,
অস্থিৰতাৰো হ'ব পৰিহাৰ। □

# গঁড় হত্যা

• লোকপ্ৰিয়া দত্ত




হে, নিষ্ঠুৰ অকৰ্মন্যহঁত
এই অসমখনি,
কিয় কৰিছ?
এটা এটাকৈ গঁড়
হত্যা কৰি,
খৰ্গ কিয় কাটি নিছ?
দুখ লগা নাই
কাজিৰঙাৰ বিখ্যাত এশিঙীয়া গঁড়ক
গুলীয়াই হত্যা কৰিবলৈ,
লাজ লগা নাই
গঁড়ৰ খৰ্গ বিক্ৰী কৰি
ধনৰ গৰাকী হ'বলৈ।
ৰাজ্যিক প্ৰতীক
এশিঙীয়া গঁড়
অসমীৰ বুকুৰ আপোন,
ইয়াক লৈ আমাৰ অসমীয়ে
ৰচে গৌৰৱৰ সপোন।
অসমৰ সৌন্দৰ্য
এশিঙীয়া গঁড়ে
তহঁতৰ কি কৰিছে হানি?
তথাপি তহঁতে
ধনৰ লোভত
প্ৰাণ নিয় ইহঁতৰ কাঢ়ি।
চোৰ কৰি কৰি
তহঁত আজি
হৈছ অপৰাধী,
মনত অলপো
প্ৰেম ভাৰ নাই
বন্য প্ৰাণীৰ প্ৰতি
তহঁতৰ বাৰু
মন নাযাইনে?
শান্তি বিলাবলৈ?
সুন্দৰৰ প্ৰতীক
গঁড়ক লৈ
গৌৰৱ কৰিবলৈ।
শেষত মোৰ
চোৰাংচোৰৰ প্ৰতি
অনুৰোধ, কাকুতি,
গঁড় হত্যা ত্যাগ কৰি
চাই যেন এবাৰ ভাবি। ❑




# সময়

● অনন্যা কাশ্যপ



মোৰ গতি অবিৰাম অদম্য;
আৰহমান কালৰে পৰা
বৈ আছোঁ বিৰামহীনতাৰে।
পৰ্বত, কন্দৰ-গিৰি-খাট
সমভূমি-মালভূমি-মৰু
যতেই ইচ্ছা হয়
বাধাহীন মোৰ গতি।
সন্মুখত দেখিলে
অত্যাচাৰ, উৎপীড়ন
শোষণ, লুণ্ঠন
বজ্ৰনিনাদেৰে ৰুদ্ধ কৰোঁ দানৱৰ গতি।
স্তব্ধ নহয় মোৰ গতি
মোৰ গতি অবিৰাম অদম্য;
সন্মুখত দেখিলে
অবিচাৰ অনাচাৰ
অশান্তি হাঁহাকাৰ
অমৃতৰ বাণীৰে ৰুদ্ধ কৰো
অধোগামীৰ গতি
স্তব্ধ নহয় মোৰ গতি
মোৰ গতি অবিৰাম অদম্য;
সন্মুখত দেখিলে
ঠগ প্ৰৱঞ্চক
মইমতালি ভণ্ডামি
কঠোৰ দণ্ডেৰে ৰুদ্ধ কৰোঁ
অমানৱতাৰ গতি।
মোৰ গতি অবিৰাম অদম্য;
আৰহমান কালৰে পৰা
বৈ আছোঁ বিৰামহীনতাৰে
অনন্তকাললৈ গতি মোৰ
অবিৰাম অবিৰত নপৰো ভাগৰি। ❑




# তিতা মিঠা ক্ষণৰ সমষ্টি

• ডিম্পী সোণোৱাল

আজি পদূলিৰ শেৱালিজোপাই
বৰকৈ সুবাস বিলাইছে
হয়তো দূৰ দিগন্তৰ পৰাই
তুমি অহাৰ বাতৰি দিছে
তোমাৰ বাৰু মনত পৰেনে
সদায় সন্ধিয়া সেই শেৱালিজোপাৰ
তলতেই আমি কটোৱা ক্ষণবোৰৰ কথা
মনত পৰেনে তোমাৰ
কাষতে থকা সেই গোলাপজোপাৰ
পাহিবোৰে আমাক দেখি
লাজৰ ওৰণি তুলি
মিচিকিয়াই হাঁহি মৰা
মনত পৰেনে তোমাৰ....

মিচিক হাঁহিৰে পাহিৰ জেউতি চৰায়
গধূলি গোলাপজোপাই পাহি মেলিছিল
চিক্‌মিক্ বিজুলীৰ চিনাকী পোহৰবোৰে
আমাৰ সন্মুখৰ পথাৰখন উজ্বলাই তুলিছিল
দূৰণিত মতা কোনোবা দেশৰ
অচিন চৰাইজনীৰ মাতটো
আমাৰ বাবে বৰ শুৱলা হৈ পৰিছিল
জোনাক এটি মিঠা নাম
তাৰ পোহৰত যে আমি
কবিতা লিখিছিলো...
কি যে মিঠা আছিল সেই ক্ষণবোৰ
এতিয়া বাৰু ক'ত লুকালে
জোনাকীৰ পোহৰত তিৰবিৰাই থকা
জোনাকী পৰুৱাবোৰ
নাই, নাই আজি সেইক্ষণ
কোনোবা অচিনাকী অতীতৰ বুকুত
হেৰাই গ'ল তাৰ চিনাকী ক্ষণবোৰ। □




# ধৰ্ষণ

• বিশাল আকাশ মাউত

গভীৰ নিশাৰ মৌনতা কেতিয়াবা
উপলব্ধি কৰিছানে...
ব্যতিত কৰিছানে মোৰ দৰে বহুতো
বিনিদ্ৰ ৰজনী...
কানত হাত দি শুনানে মাজৰাতিৰ
নিৰ্জনতাৰ কোলাহল....
কেতিয়াবা উজাগৰে থাকি চাবাচোঁন
শুনিবা
দোভাগ ৰাতি সংমিশ্ৰিত জন্তু মানৱৰ
অবাইছ মাত....
হয়তো মদ খাই ঘৈণীয়কক পিটাব চিয়ঁৰ।
ৰাতিৰ নিৰ্জনতা যেতিয়া গভীৰৰ পৰা গভীৰতৰ হয়
তেতিয়া শুনিবা ৰাস্তাৰ কুকুৰৰ
তীব্ৰ ভুক্ ভুকনি....
হয়তো আজি পুনৰ এগৰাকী গাভৰুৰ নামত



কলংকিত অধ্যায় লিখিত হৈছে....
যাৰ সাক্ষী সেই অজান চাৰিঠেঙীয়া।
হয়তো... সি কিবা বুজি বাকী মানুহক
জগাবলৈহে চিঞৰিছে....
কিন্তু জীৱশ্ৰেষ্ঠই জানো টোপনি নামাৰি
তালৈ কাণসাৰ দিব?
পিছদিনা পুৰা নিউজ চেনেলত পৰিৱেশন হ'ব—।
মাজৰাতি দুবৃৰ্ত্তৰ অসহায় যুৱতীক ধৰ্ষণ....।
আৰক্ষীৰ তদন্ত চলি আছে...
দোষী কিন্তু কৰায়ত্ত নহ'ল...
হলেও আদালতত প্ৰমাণিত নহ'ল
কেইদিন মান তাৰ ক্ষোভৰ জুই জ্বলিল..
সময়ত আকৌ নুমাল....
কিন্তু...
ছোৱালীজনী আদবয়সতে বুঢ়ী হ'ল...
তাইৰ আৰু বিয়া নহ'ল
পৰিয়ালৰো কলঙ্ক হ'ল তাই
কাৰণ....
তাই যে ধৰ্ষিতা।। ❑



# জীৱন


• প্ৰিয়ংগণা কাশ্যপ

হাঁহি যে বিহিঙি আগ্ৰহ
হাঁহি মে বিৰিঙি সাহে সেই
বুঢ়ী আইৰ সাধু শুনি
আইতাৰ কোলাতে মূৰ থই,
লৰালি কালৰ সেউজীয়া স্মৃতি

আৰু মিঠা অনুভূতি
আজিও ৰিঙিয়াই এটি এটি পল
জীৱনৰ প্ৰতি অনুপল।
হাঁহি যে বিৰিঙি আহে আমাৰ
স্কুলত মৰা উকিৰ শব্দত
যাৰ প্ৰতিধ্বনি কলিজাত সদায় বাজে।

যৌৱন কালৰ ৰংচঙীয়া হাঁহি ধেমালি
আৰু মিঠা অনুভূতি
আজিও ৰিঙিয়াই এটি এটি পল
জীৱনৰ প্ৰতি অনুপল।

নৈ বৈ যায়, সময়ো সোঁৱৰায়
কথাযাৰ জীৱনে কয়
পিছে মানুহৰ সৈতে যে
সোঁৱৰণি বৈ যায—
সেয়াই জানো জীৱন নহয়? □



## *A Clear Night*

• **Snehashree Acharjee**


*Once, I was sitting on the chair*
*Peeping through the window,*
*On a clear night sky.*
*The clear white moon,*
*Took away all my pain and sorrow.*

*The esthetic, bright, blue moonlight*
*Filled up my room,*
*With peace calm and silence.*
*The twinkling stars all surrounds the sky*
*Such as decorated by nature,*
*With utmost patience, joy and care.*

*The soothing breeze touched my cheeks silently,*
*Its smooth music entered my ears slowly,*
*And I, I was just astonished,*
*By the beauty of the nature.*

*The whole scenic beauty*
*Taught me,*
*Even the darkness has something*
*To be appreciated.*
*It encouraged me to work hard,*
*No matter what the situation is .*

*And that day I, I got to learn*
*The actual meaning of beauty.*
*Beauty is something,*
*Which cannot be described,*
*But can be felt with the heart.* ▫



## *Thank you, mom*

• Rashmita Dutta

*If you don't know*
*How much you mean*
*Not just to the world*
*But also to me*
*Then let me tell you*
*All of these things*

*We may fight*
*And we may cry*
*But I'll never forget*
*That you're by my side*

*In the midst of it all*
*I know who to call*
*My hero, my friend*
*The one I call mom*

*I may not be perfect*
*But as you can see*
*I love you so much*
*You mean everything to me*

*Day in and day out*
*You're up and about*
*Thinking of ways*
*To help the family out*

*When I'm grown up*
*My only dream*
*Is to be as good a mom*
*As you are to me*

*When it gets tough*
*You'll remind me that life's rough*
*But that doesn't mean*
*You aren't there for me*


*In the midst of it all*
*I know who to call*
*My hero, my friend*
*The one I call mom.* ❑



## *Nature*

• Amrita Agarwal

*Nature is the first culture,*
*It is the best teacher.*
*Do not let the greenery go,*
*Let them live,*
*Let them grow.*
*The beautiful natural sight,*
*Give us a pleasure and delight.*
*Let the future generation see,*
*The beauty of a green tree.*
*Do not destroy the forest,*
*Let them live their life,*
*At their best.* ❑




## *Hireath*

• Dimpy Baruah

*I come from Eden,*
*A long yearned disguise-*
*You starve for slavery,*
*Yet dream of wings*
*Ripped off into pieces of fears.*
*Left wondering on the lande*
*You have walked all your life !*
*Beware of lost grave yards*
*They aren't your dreams.*
*For you long for sunflowers*
*On frozen deserts.*
*And end up*
*Scaring yourself on rose petals.* ❑

জীৱনী



# ভাৰতীয় গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনৰ এটি পৰিচিতি

• নিতামণি নাথ

শ্ৰীনিবাস ৰামানুজন ভাৰতবৰ্ষৰ এজন শীৰ্ষস্থানীয় গণিতজ্ঞ। এইজন মহান গণিতজ্ঞৰ জন্ম হৈছিল ১৮৮৭ চনৰ ২২ ডিচেম্বৰত দক্ষিণ ভাৰতৰ ইৰোড চহৰৰ এটা দৰিদ্ৰ ব্ৰাহ্মণ পৰিয়ালত। তেওঁৰ পিতৃ কুম্ভকোনাম এজন কাপোৰ ব্যৱসায়ীৰ হিচাপ ৰক্ষক আছিল।

ৰামানুজনে পাঁচ বছৰ বয়সত প্ৰথম পঢ়াশালিত ভৰ্তি হৈছিল। শিক্ষাগ্ৰহণৰ সেই প্ৰাৰম্ভিক কালতে ৰামানুজনে অসাধাৰণ মেধাৰ পৰিচয় দি সকলোকে সচকিত কৰি তোলে। তেওঁৰ বিশেষধৰণৰ আগ্ৰহ দেখা যায় গণিত আৰু সংস্কৃত এই দুটা বিষয়ৰ প্ৰতি। মাত্ৰ ১০ বছৰ বয়সতে এই দুয়োটা বিষয়ত ৰামানুজনে পাৰ্গত হৈ উঠিছিল। পঢ়া-শুনাক লৈ ব্যস্ত হৈ থকাৰ বাহিৰে ৰামানুজনে অন্য একো খেলা-ধূলা ভাল নাপাইছিল। আজৰি সময়ত বাহিৰা। কিতাপ-পত্ৰ একোখন পঢ়িলেও তেওঁৰ প্ৰিয় বিষয় গণিত অথবা সংস্কৃত ভাষা-সাহিত্য বিষয়ক গ্ৰন্থহে পঢ়িছিল। ১০/১২ বছৰ বয়সতে বিশ্ববিখ্যাত গণিতজ্ঞ কাৰ'ৰ 'Synopses of pure Mathematics' গ্ৰন্থখন অধ্যয়ন কৰিছিল। তেওঁ সেই গ্ৰন্থত থকা সত্ৰসমূহৰ আধাৰত কেতবোৰ নতুন উপপাদ্য উদ্ভৱ কৰি তেওঁৰ সহপাঠীসকলৰ আগত তাক বিশ্লেষণ কৰিও দেখুৱায়। ১৯০৪ চনত ৰামানুজনে 'মেট্ৰিক' পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ 'সুব্ৰাহ্মণ্য বৃত্তি' লাভ কৰে।

ৰামানুজনে কুম্ভকোনাম চৰকাৰী মহাবিদ্যালয়ত উচ্চশিক্ষা গ্ৰহণ কৰে। কিন্তু কুম্ভকোনাম চৰকাৰী কলেজত প্ৰৱেশ লাভ কৰাৰ পিছৰে পৰা তেওঁ কেৱল গণিতৰ চৰ্চাতেই সময় কটাবলৈ ধৰে আৰু তাৰেই ফলস্বৰূপে বাকী বিষয়সমূহত আশানুৰূপ সুফল লাভ কৰাত অসমৰ্থ হয়। প্ৰথম বাৰ্ষিকৰ পৰীক্ষাত কেৱল গণিতৰ বাহিৰে আন প্ৰায়বোৰ বিষয়তে তেওঁ অকৃতকাৰ্য্য হয় আৰু দ্বিতীয় বাৰ্ষিকলৈ উন্নীত হ'ব নোৱাৰাৰ বাবে তেওঁ 'জলপানি' হেৰুৱাব লগা হয় আৰু ইয়াৰ লগে লগে অৰ্থৰ অভাৱত কলেজীয়া শিক্ষা বাদ দিব লগা হয়। সেই আৰ্থিক অনাটন আৰু তাৰ পৰা উদ্ভৱ হ'ব পৰা সকলো সমস্যাৰ মাজতো তেওঁ নিজৰ অধ্যয়ন চলাই যোৱাৰ লগতে সমাধানৰ ওপৰত ৰচনা কৰে এখন মূল্যবান গ্ৰন্থ।

১৯০৯ চনত ৰামানুজনে বিয়া কৰায় আৰু চাকৰিৰ বাবে চেষ্টা চলাবলৈ ধৰে। সেই সময়তে তেওঁ ভাৰতীয় গণিত সমাজৰ প্ৰতিষ্ঠাতা ভি. ৰামস্বামী আয়াৰৰ সংস্পৰ্শলৈ আহে। একে সময়তে তেওঁ পৰিচিতি হয় নেলোৰৰ জিলা প্ৰশাসক দেৱান বাহাদুৰ ৰামচন্দ্ৰৰ ৰাওৰ সৈতে। গণিতৰ এজন পৃষ্ঠপোষক হিচাপে ৰামচন্দ্ৰ ৰাওৱে, ৰামানুজনলৈ তেওঁৰ গৱেষণামূলক অধ্যয়ন অব্যাহত ৰাখিবৰ বাবে আৰ্থিক সাহায্য আগবঢ়ায়। অৱশ্যে ৰামচন্দ্ৰ ৰাওৰ ওপৰত নিজে বোজা হ'বলৈ নিবিচাৰি সেই সাহায্য বিনম্ৰতাৰে প্ৰত্যাখান কৰে আৰু মাদ্ৰাজ পৰ্ট ট্ৰাষ্টৰ অধীনত এটা অতি সাধাৰণ চাকৰি গ্ৰহণ কৰে। ১৯১১ চনত মাদ্ৰাজ পৰ্ট ট্ৰাষ্টৰ চাকৰি গ্ৰহণ কৰাৰ বছৰতেই 'Journal of Indian Mathematical Society'ত প্ৰকাশ পায় ৰামানুজনৰ এটি চিন্তাগধুৰ নিবন্ধ 'Some Properties of Bernoulli's members' আৰু গণিতৰ কিছুমান জটিল প্ৰশ্নৰ আকাৰত আন এটি নিবন্ধ। সেইসময়ত ৰামানুজনৰ চৰ্চাৰ বিষয় আছিল 'মৌলিক সংখ্যাৰ' উপপাদ্য। বিখ্যাত গণিতৰ প্ৰফেচাৰ জি.এইচ. হাৰ্ডিয়ে তেওঁৰ 'orders of Infinity' নামৰ গণিতৰ এখন ৰচনাত উত্থাপিত কৰা 'প্ৰব্লেম' সমূহৰ সমাধান সূত্ৰ তেতিয়াও

সম্পূৰ্ণ হোৱা নাছিল। ৰামানুজনে সেই সকলো প্ৰব্লেমৰ সমাধান উলিওৱাৰ লগে লগে সেইসময়ত কেমব্ৰিজ বিশ্ববিদ্যালয়ত কাৰ্যৰত প্ৰফেছাৰ হাৰ্ডিয়ে এই বিষয়ে জানিবলৈ পায় আৰু ইয়াৰ পিছতে ৰামানুজনৰ সৈতে গঢ় লৈ উঠে তেওঁৰ এক মধুৰ সম্পৰ্ক। এই সম্পৰ্কৰ আধাৰতেই পৰৱৰ্তীকালত ৰামানুজনৰ প্ৰতিভাই বিকাশ লাভ কৰাৰ সুবিধা পায়। এই সময়তে ৰামানুজনৰ চিনাকি হয় আন এজন বিখ্যাত গণিতৰ, এসময়ৰ ট্ৰিনিটি কলেজৰ গণিতৰ অধ্যাপক ডঃ জি টী ওৱকাৰৰ সৈতে ডঃ ওৱকাৰ সেই সময়ত ভাৰত চৰকাৰৰ বতৰ বিজ্ঞান বিভাগৰ সঞ্চালক হিচাপে কৰ্মৰত আছিল। ৰামানুজনৰ সৈতে হোৱা প্ৰথম সাক্ষাতৰ পিছত ডঃ ওৱেকাৰে গণিত বিষয়টোৰ ওপৰত থকা ৰামানুজনৰ অসাধাৰণ পাণ্ডিত্যৰ ভু পায় আৰু এইক্ষেত্ৰত চিন্তা-চৰ্চা চলাই নিবৰ বাবে তেওঁলৈ মাহে ৭৫ টকাৰ এটি বৃত্তি আগবঢ়ায়। ইয়াৰ পিছত ৰামানুজনে সম্পূৰ্ণ একাগ্ৰতাৰে চলাই যাবলৈ ধৰে তেওঁৰ গৱেষণামূলক চৰ্চা। এটা সৌহাদ্যপূৰ্ণ পৰিৱেশত প্ৰায় চাৰিবছৰ কাল কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ অধীনত গৱেষণা চলাই ৰামানুজনে গণিত শাস্ত্ৰত সংযোগ কৰে বহুতো নতুন নতুন সূত্ৰ আৰু 'নাম্বাৰ থিয়ৰি' শীৰ্ষক এটি নতুন অধ্যায় গণিতশাস্ত্ৰত সংযোজিত কৰে।

শ্ৰী নিবাস ৰামানুজনক ৩১ বছৰ বয়সত ১৯১৮ চনত 'ৰয়েল চছাইটি'ৰ ফেলোশ্বিপ প্ৰদান কৰা হয় আৰু সেই একে বছৰতে গণিত শাস্ত্ৰলৈ তেওঁ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁক ট্ৰিনিটি কলেজৰ ফেলো হিচাপে সন্মানিত কৰা হয়। ইংলেণ্ডত থকা সময়তে দুবাৰকৈ মাৰাত্মক অসুখত ভোগা এই অনন্য সাধাৰণ গণিতৰ গৰাকী বেছিদিন জীয়াই থাকিবলৈ নাপালে। ভাৰতলৈ ঘূৰি অহাৰ পিছত তেওঁৰ স্বাস্থ্য পুনৰ বৰ বেয়াকৈ ভাগি পৰে আৰু ১৯২০ চনৰ ১৬ এপ্ৰিল তাৰিখে মাদ্ৰাজত শেষ নিশ্বাস ত্যাগ কৰে। সেই সময়ত অসাধাৰণ প্ৰতিভা সম্পন্ন এই গণিতজ্ঞ গৰাকীৰ বয়স আছিল মাত্ৰ ৩৩ বছৰ। তেওঁৰ জীৱনকাল অতি চুটি হ'লেও তেখেতে গণিতলৈ সুদূৰ প্ৰসাৰী অৱদান ৰাখি থৈ গৈছে। উচ্চ শিক্ষা নাথাকিলেও সম্পূৰ্ণ নিজ প্ৰচেষ্টাৰে তেওঁ গণিতৰ বিভিন্ন শাখাত বহুতো নতুন উপপাদ্য সৃষ্টি কৰে। তেওঁৰ টোকাবহী বা জয়েৰতী পৰৱৰ্তী সময়ত অনেক নতুন সমাধান পোৱা গৈছে। □





# ভাৰতৰ মাটিত ষ্টিফেন হকিং ঃ এটি অৱলোকন

• হেঙ্গীমণি বৰ্মন

লৌহ ইচ্ছাশক্তি আৰু অতুলনীয় অনুসন্ধিৎসা থকা জীৱনকালতে প্ৰবাদত পৰিণত হোৱা পদাৰ্থ বিজ্ঞানী ষ্টিফেন হকিঙে যোৱা 18 মাৰ্চ 2018ত ইলেণ্ডত কেম্বিজৰ নিজা বাসভৱনত 78 বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে।

আমাৰ দেশৰ বহুতৰ বাবে একৈছ শতিকাৰ প্ৰথম বছৰটো (2001) এক উল্লেখযোগ্য ঘটনাৰ পৰা আৰম্ভ হৈছিল। ই হ'ল বিশ্ববিখ্যাত পদাৰ্থবিজ্ঞানী ষ্টিফেন হকিংৰ চমু ভাৰত ভ্ৰমণ 2001 চনৰ জানুৱাৰী মাহৰ 5-10 তাৰিখে মুম্বাইৰ টাটা ইনষ্টিটিউট (TATA institute of Fundamental Research)ত "String-2001" নামৰ আন্তজাৰ্তিক সন্মিলন এখনত ভাগ লোৱাই আছিল হকিঙৰ ভাৰত ভ্ৰমণৰ মুখ্য উদ্দেশ্য। পাছত তেওঁ 17 জানুৱাৰীত দিল্লীত এলবাৰ্ট আইনষ্টাইন বক্তৃতা প্ৰদান কৰে। ইয়াৰ বিষয়বস্তু আছিল "Predicting the future : From Astrophysics to Black Holes" তেওঁৰ এই ভ্ৰমণে আমাৰ দেশৰ সকলো শ্ৰেণীৰ লোককে বিশেষভাৱে আকৰ্ষিত কৰিছিল। ইয়াৰ কাৰণ অৱশ্যে স্পষ্ট। আজিৰ বিশ্বৰ বিজ্ঞানীসকলৰ মাজত যদি কোনোবা কিংবদন্তি পুৰুষ (cult figure) আছে, তেন্তেঁই হ'ল ষ্টিফেন হকিং।

1942 চনত জন্মগ্ৰহণ কৰা হকিং 31 বছৰ বয়সত এক দুৰাৰোগ্য সিৰাৰ বেমাৰত আক্ৰান্ত হয় (ALS - Amyotrophic Lateral Scierosis) হকিঙে বেমাৰ লৈয়েই কেম্বিজ বিশ্ববিদ্যালয়ৰ পৰা বিজ্ঞানৰ গৱেষণা ভিত্তিত ডক্টৰেট ডিগ্ৰী লাভ কৰিলে। তেওঁৰ গৱেষণাৰ বিষয়বস্তু আছিল 'তাত্ত্বিক পদাৰ্থবিজ্ঞান'। এই বিষয়ৰ গৱেষণাৰ বাবে কঠিন গণিতৰ সহায় লৈ গণনা কৰিব লাগে। বেমাৰৰ বাবে হকিঙ কাগজ আৰু কলম ব্যৱহাৰ কৰিব নোৱাৰা হৈ পৰিছিল। হতাশ নহৈ তেওঁ জটিল গণনাসমূহ নিজৰ মগজুতেই কৰিব পৰা উপায় উদ্ভাৱন কৰিলে। যোৱা শতিকাৰ সত্তৰৰ দশকত (1971-74) এই প্ৰৱন্ধৰ লেখক ইংলেণ্ডৰ অক্সফড'ত গৱেষণাৰত কালছোৱাত ষ্টিফেন হকিঙৰ সান্নিধ্যলৈ অহাৰ সৌভাগ্য হৈছিল। তাৰ আগেয়ে 1965 চনতে হকিঙে কথা কোৱা ক্ষমতা হেৰুৱাইছিল। সেয়েহে সেই কালছোৱাত তেওঁৰ বক্তৃতা আমাৰ সকলোৰে বাবে দুৰ্বোধ্য আছিল, সৌভাগ্যবশত ঃ পাছত কম্পিউটাৰ আৰু আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে তেওঁৰ এনে হতাশাজনক পৰিস্থিতি বহু পৰিমানে লাঘৱ কৰিব পাৰিছে। অৱশ্য তাতকৈ বেছি গুৰুত্বপূৰ্ণ কথা হ'ব ষ্টিফেন হকিঙৰ অপৰিসীম ধৈৰ্য্য আৰু আত্মবিশ্বাস। আমাৰ দেশৰ সেই সময়ৰ ৰাষ্ট্ৰপতি কে. আৰ. নাৰায়ননে হকিঙক "A Simbol of human hope personifying the triumph of human sprit over matter" বুলি সঠিকভাৱেই বৰ্ণনা কৰিছে।

শাৰীৰিক বাধা নেওচি বিজ্ঞান গৱেষণাত ব্ৰতী ষ্টিফেন হকিং বৰ্তমান বিশ্ববাসীৰ বাবে আত্মবিশ্বাস আৰু সাহসৰ প্ৰতীক।

হকিঙৰ গৱেষণাৰ বিষয়বস্তু হ'ল ব্লেক হ'ল বা কৃষ্ণ গহ্বৰ। কুৰি শতিকাৰ সত্তৰ দশকৰ আদি ভাগলৈকে বিজ্ঞানীসকলে ভাবিছিল যে কৃষ্ণ গহ্বৰ নামৰ তাৰাকাবোৰৰ মাধ্যাকৰ্ষণ ক্ষেত্ৰ ইমানেই প্ৰবল যে আনকি পোহৰবো ইয়াৰ নিস্তাৰ নাই, পোহৰৰ ৰশ্মিকো ই আকৰ্ষিত কৰি অৱশোষণ কৰিব। অৰ্থাৎ ই সচাঁকৈয়ে এক সৰ্বগ্ৰাসী তাৰকা।

কিন্তু 1974 চনত ষ্টিফেন হকিঙে এনে ধাৰণাৰ ওপৰত চেঁচাপানী ঢালিলে। "Black Hole Evaporation" নামৰ যুগান্তকাৰী প্ৰবন্ধ এটাত তেওঁ দেখুৱালে যে এনে ধাৰণা দৰাচলতে সত্য নহয়। কোৱান্টাম বলবিদ্যা প্ৰয়োগ কৰি তেওঁ প্ৰমাণ কৰিলে যে ব্লেক হ'লৰ পৰাও কণা পৰিকণাৰ যুগল সৃষ্টি হ'ব পাৰে আৰু (Particle antiparticle) এনে কনা-পৰিকনা সমূহ ব্লেক হ'লৰ সৰ্বনাশী ক্ষেত্ৰ অতিক্ৰম কৰি মহাকাশলৈ ওলাই আহিব পাৰে। ব্লেক হ'লৰ পৰা ওলোৱা এনে কনা-প্ৰতিকনাৰ বিকিৰণৰ বাবে ব্লেক হ'লৰ আকাৰ সৰু হৈ যাব আৰু এটা সময়ত ই বিস্ফোৰিত হ'ব। হকিঙৰ এনে ভৱিষ্যবাণী সম্ভৱ হৈছে পদাৰ্থ বিজ্ঞানৰ আপেক্ষিকতাবাদ আৰু কোৱান্টাম বলবিদ্যা নামৰ দুটা বিষয়ৰ সমন্বয়ত।

ষ্টিফেন হকিঙৰ আবিস্কাৰে আমেৰিকা যুক্তৰাজ্যৰ ভাৰতীয় মূলৰ জ্যোতিবিজ্ঞানী প্ৰয়াত সুব্ৰমনিয়ম চন্দ্ৰশেখৰকো (1910-1995) প্ৰভাৱান্বিত কৰিছিল। 1983 চনত চন্দ্ৰশেখৰক তেতিয়া নোবেল কমিটিয়ে নোবেল বঁটা যুটীয়াভাৱে দিয়াৰ বিষয়ে জনাইছিল। তেওঁৰ প্ৰথম প্ৰতিক্ৰিয়া আছিল— "আনজন নোবেল বঁটা বিজয়ী হকিং নেকি?" দৰাচলতে তেওঁ কেলিফৰ্নিয়া অব টেকন'লজিৰ অধ্যাপক ইউলিয়াম ফাউনাৰৰ সৈতেহে যুটীয়াভাৱে নোবেল বঁটা লাভ কৰিছিল। আমাৰ দেশত থকা দিনকেইটাত ভাৰতীয় বাতৰি কাকত সমূহে ষ্টিফেন হকিঙৰ বিভিন্ন বিষয় সম্পৰ্কত মতামত প্ৰকাশ কৰিছিল। জ্যোতিষ শাস্ত্ৰৰ বিষয়ে হকিঙৰ বক্তৃতা বিজ্ঞানবিৰোধী যেনহে (Astrology) বোধ হৈছিল। হয়তো ভাৰতীয়সকলৰ নিশ্চয়তাবাদী ভৱিষ্যতত বিশ্বাসী বুলিয়েই তেওঁ এনে বিষয় সম্পৰ্কত বক্তৃতা দিবলৈ মান্তি হৈছিল। দৰাচলতে জ্যোতিষশাস্ত্ৰ বিজ্ঞান পৰিপন্থী নহয় নেকি? এখন বাতৰি কাকতত হকিঙৰ মত এনেদৰে প্ৰকাশ হৈছিল— "The real reason most scientists do not believe in astrology, it is not consistent with other theories, which have been tested by experiments".

ষ্টিফেন হকিং ধাৰ্মিক নে নাস্তিক? এই বিষয়ে বিদেশৰ প্ৰচাৰ মাধ্যমত ভিন ভিন উক্তি প্ৰকাশ হোৱা দেখা যায়। এখন ভাৰতীয় বাতৰি কাকতত তেওঁৰ মত এইবুলি প্ৰকাশ হৈছিল— "I use God as a melaphor for the laws of nature, there is a story probably apocryphal, that when napoleon asked the mathematician Pierre laplace, how God fitted into his system, he replied. "Sir, I have not needed that hypothesis." I do not think that laplace was claiming that God does not exist. It is just that he did not intervene to break the laws of science. That must be the position of every scientist. A scientific law is not a scientific law if it only holds when some supernatural being decides to let thing run and not intervene." আন এখন বাতৰি কাকতত হকিঙে এনেদৰে মতামত দিছে— "Even God is bound by the uncertainly Principal and cannot know the position and velocity, but only the wave function." এনে মতামতৰ পৰা সিদ্ধান্তলৈ আহিব পাৰে যে প্ৰকৃতিৰ নিয়ম ভংগকাৰী সৃষ্টিকৰ্তাৰ ধাৰণা হকিঙৰ মতে বিজ্ঞান পৰিপন্থী নহয়। আনহাতে"Black Holes and baby Universes" নামৰ পুথিখনত তেওঁ সৃষ্টিকৰ্তাৰ বিষয়ে এনেদৰে মতামত দিছে— "All that my work has shown is that you don't have to say that the way the universe began was the personal whim of God. But you still have the question : Why does the universe bother to exist? If you like, you can define God to be the answer to that question."

কিছুমান সাক্ষাৎকাৰ পঢ়ি ষ্টিফেন হকিং এক অহংকাৰী বিজ্ঞানী বুলি ভাব হৈছিল। পিছে প্ৰথম ভাৰতীয় আলোচনীত তেওঁ এনেদৰে মত দিছিল— "They (Media) just want a hero; I fill the role of a disabled genius. At least I am disabled, but I am no genius." তেওঁৰ এনে বিনীয় উক্তিয়ে এলবাৰ্ট আইনষ্টাইনৰ একেধৰণৰ উক্তিলৈ মনত পেলায়— "I have no special gifts, I am only passionately curious." বিশ্বৰ বহু সাধাৰণ মানুহৰ বাবে ষ্টিফেন হকিং হ'ল "A Brief History of Time" নামৰ গ্ৰন্থৰ লেখক। বৰ্তমান এই গ্ৰন্থখন 40টা ভাষালৈ অনুবাদ হৈছে। বিজ্ঞানৰ ক্ষেত্ৰত ইয়ো এক ব্যতিক্ৰম। এই বিষয়ে হকিঙৰ নিজৰ মত হ'ল— "While I thought, I might make a modest amount from a popular book, the main reason. I wrote a Brief History of time was because 1 enjoyed it. I was excited about the discoveries that have been made in the last twenty five years and I wanted to tell the people about them. I never expected it to do as well as it did." মাথোন কেইটামান দিনৰ বাবে ষ্টিফেন হকিং আমাৰ দেশৰ মুম্বাই আৰু দিল্লী মহানগৰলৈ আহিছিল। কিন্তু তেওঁৰ এই চমু ভ্ৰমণৰ প্ৰভাৱ আমাৰ দৰে আওহতীয়া ঠাইতো নপৰাকৈ নাথাকিল। একৈছ শতিকাৰ ভাৰতবৰ্ষৰ বাবে ই সুখবৰ।

আশা কৰোঁ আমাৰ উদীয়মান ছাত্ৰ-ছাত্ৰীসকলক হকিঙৰ আদৰ্শই বিজ্ঞান গৱেষণাৰ প্ৰতি আকৃষ্ট কৰিব। □

# অসমীয়া লোকসাহিত্যৰ এটি চমু পৰিচিত

• বিস্মিতা গগৈ



**লোক-সাহিত্য যিহেতু জন সাধাৰণৰ অন্তৰৰ অনুভূতিৰ প্ৰকাশ, গতিকে, "ভাৱ-অনুভূতিৰ আৰু ৰচনা প্ৰণালীৰ সৰলতাই এই সাহিত্যৰ ঘাই বৈশিষ্ট্য"।**

মানুহৰ মন কল্পনা প্ৰৱণ। মনৰ কল্পনাৰ বিশাল পৰিধিত অনুভূতিৰ প্ৰবল উচ্ছাসে ভাৱৰ যি জোৱাৰৰ সৃষ্টি কৰে, সেইবোৰেই প্ৰকাশ পায় ছন্দবদ্ধ হৈ। আদিম কালৰ স্বভাৱ কবি সকলৰ অন্তৰ উজাৰি উঠা সুখ-দুখ, হাঁহি, আনন্দ, ঘৃণা প্ৰশংসা, হা-হুতাশা আদি বিভিন্ন ভাবৰ হেন্দোলনিবোৰ ছন্দৰে প্ৰকাশিত হৈ গীতৰ আকাৰ ল'লে। অন্তৰৰ ভাৱ-অনুভূতি, হৃদয়ৰ স্পন্দন, দেহ-ভংগিমাৰ প্ৰতিটো প্ৰকাশ, মনৰ চঞ্চলতা, চাৱনিৰ মাধুৰিমা, কৰুণতা, দৈহিক সৌন্দৰ্যৰ মাধুৰ্য আৰু আকৰ্ষণীয়তা, কামনাৰ মোহনীয়তা প্ৰকাশ পালে অনামী চহা কবিৰ সৰল-সহজ ছন্দৰ মাধ্যমেৰে। সেইবোৰেই পাছলৈ লোক-সাহিত্য বা জন-সাহিত্য নামে অভিহিত হ'ল।

লোক-সাহিত্য যিহেতু জন সাধাৰণৰ অন্তৰৰ অনুভূতিৰ প্ৰকাশ, গতিকে, "ভাৱ-অনুভূতিৰ আৰু ৰচনা প্ৰণালীৰ সৰলতাই এই সাহিত্যৰ ঘাই বৈশিষ্ট্য"। ৰচয়িতাৰ 'অশৰীৰিত্ব বা ব্যক্তিত্ব নিৰপেক্ষতা" ইয়াৰ আন এটা বৈশিষ্ট্য। প্ৰতীক আৰু ৰূপকৰ মনোৰম প্ৰয়োগ "মানুহৰ প্ৰাণৰ সৈতে প্ৰকৃতিৰ সম্পূৰ্ণ অন্তৰংগতা, উদ্ভিদ জগত আৰু জীৱজগতৰ আটাইৰে লগত অন্তৰৰ নিবিড় ঘনিষ্ঠতা" আদি লোক সাহিত্যৰ আন আন বৈশিষ্ট্য। তদুপৰি ই সাৰ্বজনীন।

লোক-সাহিত্যৰ পৰিধি ব্যাপক। এই বিশাল সাহিত্য সম্ভাৰবোৰক থুপাই আনি পাঁচটা শ্ৰেণীত সামৰি ল'ব পাৰো। সেইকেইটা হ'ল—

১) **ফকৰা যোজনা, সাঁথৰ, পটন্তৰ ঃ** ফকৰা যোজনা সাঁথৰ, পটন্তৰ আদিৰ মাজত জন-জীৱনৰ নৈতিক আৰু ব্যৱহাৰিক জ্ঞানৰ পৰিচয় পাব পাৰি এইবোৰ গভীৰ অৰ্থ আৰু তাৎপৰ্যৰ পৰিচায়ক আৰু লগতে বুদ্ধি উদ্দীপকো।

২) **প্ৰবাদ বা প্ৰবচন ঃ** প্ৰবাদ অথবা প্ৰবচনবোৰৰ মাজেদি জাতীয় মানসিকতা ফুটি উঠে। ডাকৰ বচনবোৰ জীৱনৰ আৰ্হিস্বৰূপ।

৩) **সাধু কথা ঃ** সাধু কথাবোৰ ঘাইকৈ শিশুৰ মনোৰঞ্জনৰ বাবে ৰচনা কৰা। সাধুৰ মাজত পোৱা যায় ৰূপকথাৰ কল্পলোকৰ ছবি, যিবোৰ নিৰ্মল আনন্দৰ খোৰাক যোগায়।

৪) **মন্ত্ৰ ঃ** মন্ত্ৰবিলাকে পুৰণি কামৰূপৰ তন্ত্ৰ মন্ত্ৰৰে প্ৰসিদ্ধ মায়াপুৰীলৈ মনত পেলাই দিয়ে।

৫) **লোকগীত ঃ** লোকগীতত অসমীয়া সাহিত্য অতিশয় চহকী। জন-জীৱনৰ সুখ-দুখ, হৰ্ষ-বিষাদ আদি লোকগীতৰ প্ৰাণৰ কথা। লোকগীত সমূহৰ পটভূমি বা বিষয় অনুসৰি পাঁচটা ভাগত ভাগ কৰিছে।

ক) **অনুষ্ঠানমূলক গীত ঃ** বিহুগীত, বনগীত, হুঁচৰি গীত, আইনাম, বিয়ানাম, মহোহো গীত আদি।

খ) **আখ্যানমূলক গীত ঃ** যিবোৰৰ বিষয় বস্তু কোনো একোটা কাহিনী বা আখ্যান। এই বিলাক কাহিনী গীত আৰু

ইংৰাজীত 'বেলাড' বুলিও জনা যায়। এইবিধ গীততো অসমীয়া ভাষা চহকী।

গ) **নিচুকনি গীত** ঃ শিশুকালৰ কল্পনা প্ৰৱন্ত অনুসন্ধিৎসু, মনত উৎকণ্ঠা, কৌতূহল আৰু আমোদ জগাই তুলি, সন্মোহিত কৰি টোপনি নিয়াৰ বাবেই ঘাইকৈ নিচুকনি গীতৰ সৃষ্টি।

ঘ) **দেহবিচাৰৰ গীত** ঃ এই গীতবিলাকত মানৱৰ দেহাৰ ক্ষণস্থায়ী কামনা বাসনা, ধন-দৌলতৰ, আপোনা পৰৰ বিচাৰ কেৱল মায়াৰ বন্ধন আদি ভাৱৰ, মুক্তি যে একমাত্ৰ পথ তাকেই প্ৰতিপন্ন কৰা হৈছে।

ঙ) **বিবিধ বিষয়ক গীত** ঃ নাওখেলৰ গীত, ৰণুৱাৰ গীত, হৰ্ষজনিত গীত আদি বিবিধ বিষয়ৰ গীত। অসমীয়া জিকিৰ আৰু জাৰীবোৰো লোক সাহিত্যৰ এক আপুৰুগীয়া সম্পদ।

অসমৰ লোক সাহিত্য অতিশয় চহকী। জাতিৰ ভাব অনুভূতি, আশা-আকাংক্ষা, হৰ্ষবিষাদ, বেদনা বিৰহ, জাতীয় আদৰ্শ আদি লোক সাহিত্যৰ মাজত নিহিত আছে। বৰ্তমান ইয়াৰ প্ৰচাৰ আৰু সংগ্ৰহ হৈছে যদিও সকলোবাৰ সংগ্ৰহ হৈছে বুলি ন- দি ক'ব নোৱাৰি। সকলোবোৰ একেলগে থুপাই প্ৰকাশ কৰিব পাৰিলে সাহিত্যৰ ভৰাঁল আৰু চহকী হৈ উঠিব।

লোক সাহিত্যৰ মাজতে অসমীয়াৰ জন্ম আৰু তাৰ মাজতেই বিৱৰ্তন আৰু পৰিবৰ্দ্ধন। ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰে অসমীয়া জাতিৰ কৃষ্টি সংস্কৃতিক নিশ্চয় দুগুণে মহীয়ান কৰি তুলিব। ❑

## সোণসেৰীয়া কথা ...

**ভৱেন্দ্ৰ নাথ শইকীয়া ঃ**

- ভালক ভাল বুলি ক'ব পৰা ক্ষমতাই সংস্কৃতি।
- সময় যদি থাকে ভাল কামত, সৃষ্টিশীল কামত খৰচ কৰিবা।

**এৰিষ্টটল ঃ**


- যিজন ব্যক্তিয়ে জীৱনত এবাৰো ভুল কৰা নাই ইয়াৰ অৰ্থ হ'ল শিকিবলৈ কোনো চেষ্টা কৰা নাই।

**থমাছ কাৰ্লাইল ঃ**

- নীৰৱতা হ'ল জীৱনৰ এক অমূল্য বস্তু, যাৰ ভিতৰত বহু বস্তুৱে জন্মলাভ কৰে।

# OZONE DEPLETION AND GLOBAL WARMING

• Gurpreet Kaur Virdi



## QUOTES ON GEOGRAPHY :

1. Geography is about maps, but biography is about graphs.

— Eril Bentley

2. There is an internal landshape, a eography of the soul; we search for its outlines all our lives.

— Josephine Hart


3. Our world is evolving without consideration and the result is a loss of biodiversity , energy issues. Congestion in cities. But geography ,if used correctly can be used to redesign sustainable and more liveable cities.

— Jack Dangermond

## OZONE DEPLETION AND GLOBAL WARMING :

Increase in the concentration of greenhouse gases and acidification has initiated the process of environmental change in the ozone layer in the stratosphere and increasing concentrations of atmospheric nacl. Acid rain observation of dying lakes and forest damage in northern Europe United states and Canada. Both of these have significant implications for human health as well as far the earth's ecosystem.

OZONE DEPLETION




Earth's Surface